www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

অতি সাধাৰণ যেন লগা দৈনন্দিন জীৱনৰ সৰু সৰু ঘটনাৰাজিয়েই হ'ল জ্ঞানৰ প্ৰকৃত উৎস। — জেমছ এলেন

# অসম বাৰ্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▢ সংখ্যা- ২৯৪ ▢ বৃহস্পতিবাৰ ▢ ০৩ ছেপ্টেম্বৰ, ২০২৬ চন ▢ Volume/Year- I ▢ Issue- 294 ▢ Thursday ▢ 03rd September, 2026 ▢ Asom Barta, Majuli ▢ PRGI Reg. No.- ASASS/25/A2361 ▢ Price- Rs. 10 ▢ Total Page-8

■ জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকীত বিভিন্ন সাংস্কৃতিক আৰু ধৰ্মীয় কাৰ্যসূচী ■

## ১৭ ছেপ্টেম্বৰৰ পৰা জুবিন ক্ষেত্ৰত তিনিদিনীয়া স্মৰণ কাৰ্যসূচী

### পত্নী গৰিমা শইকীয়া গাৰ্গৰ ঘোষণা




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** অসমীয়া সংগীত জগতৰ চিনাকি কণ্ঠশিল্পী, সংগীত পৰিচালক আৰু অভিনেতা জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে এখন তিনিদিনীয়া স্মৰণ কাৰ্যসূচী আয়োজন কৰা হৈছে। শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গে এই সন্দৰ্ভত আনুষ্ঠানিকভাৱে ঘোষণা কৰে। আগন্তুক ১৭ ছেপ্টেম্বৰৰ পৰা ১৯ ছেপ্টেম্বৰলৈ অসমৰ বিভিন্ন প্ৰান্তৰ অনুৰাগী আৰু শিল্পীসকলৰ উপস্থিতিত জুবিন ক্ষেত্ৰত এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। গৰিমা শইকীয়া গাৰ্গে জনোৱা মতে, জুবিন গাৰ্গৰ জীৱন, কৰ্ম আৰু অসমীয়া সংস্কৃতি আৰু সংগীত জগতত তেওঁ এৰি ▢ ৬ পৃষ্ঠাত

### ভূটানে এৰিলে কুৰিশ্চু জলবিদ্যুৎ প্ৰকল্পৰ পানী; বেঁকী নৈৰ জলপৃষ্ঠ বৃদ্ধিৰ আশংকা

বাকসা-বৰপেটা জিলা প্ৰশাসনৰ নৈপৰীয়া ৰাইজলৈ সতৰ্কবাণী



**অসম বাৰ্তা, কুমুল্লী পাৰা, ২ আগষ্ট ঃ** ভুটানৰ কুৰিশ্চু জলবিদ্যুৎ প্ৰকল্পৰ পৰা পানী এৰি দিয়াৰ ফলত বেঁকী নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ আশংকাই নৈপৰীয়া অঞ্চলসমূহত উদ্বেগ সৃষ্টি কৰিছে। সম্ভাব্য বিপদৰ প্ৰতি লক্ষ্য ৰাখি বাকসা আৰু বৰপেটা জিলা প্ৰশাসনে নৈপৰীয়া ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। প্ৰশাসনৰ তৰফৰ পৰা নৈপৰীয়া অঞ্চলসমূহত মাইকযোগে সতৰ্কতামূলক প্ৰচাৰ চলাই ৰাইজক নৈৰ জলপৃষ্ঠ বৃদ্ধিৰ প্ৰতি সজাগ থাকিবলৈ পৰামৰ্শ দিয়া হৈছে। বিশেষকৈ পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে বেঁকী নৈত নাও চলাচল, মাছ ধৰা আৰু নৈৰ পৰা খৰি সংগ্ৰহ নকৰিবলৈ ৰাইজক নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে, ভুটানৰ কুৰিশ্চু জলবিদ্যুৎ প্ৰকল্পৰ পৰা পানী এৰি দিয়াৰ ফলত বেঁকী নৈৰ জলপৃষ্ঠ হঠাতে বৃদ্ধি পোৱাৰ সম্ভাৱনা থাকে। এনে পৰিস্থিতিত নৈৰ পাৰৰ লোকসকলৰ লগতে নৈত বিভিন্ন কামত জড়িত লোকসকল বিপদৰ ▢ ৬ পৃষ্ঠাত

তিনি নতুন সদস্যৰো নিযুক্তি; অন্তৰ্বৰ্তীকালীন মহাসচিব কৃষ্ণ মোহনৰ পদত্যাগ

### প্ৰাক্তন এয়াৰ মাৰ্শ্বেল জিতেন্দ্ৰ মিশ্ৰ ৰাম মন্দিৰ ন্যাসৰ নতুন অধ্যক্ষ





**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** শ্ৰীৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ন্যাসৰ উচ্চ পৰ্যায়ৰ বৈঠকত প্ৰাক্তন এয়াৰ মাৰ্শ্বেল জিতেন্দ্ৰ মিশ্ৰক নতুন অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। ইয়াৰ লগতে ন্যাসৰ দীৰ্ঘদিন ধৰি খালী থকা তিনিটা গুৰুত্বপূৰ্ণ পদত তিনিগৰাকী নতুন সদস্যক অন্তৰ্ভুক্ত কৰা হয়। এই প্ৰশাসনিক পৰিৱৰ্তনে ৰাম মন্দিৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত নতুন গতি ▢ ৬ পৃষ্ঠাত

জিডিপি পৰিসংখ্যাক লৈ কংগ্ৰেছৰ প্ৰশ্নত ৰিজিজুৰ তীব্ৰ সমালোচনা

### অতিপাত নিচাসক্ত অৱস্থাত কংগ্ৰেছ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (জিডিপি)ৰ পৰিসংখ্যাক লৈ কংগ্ৰেছ দলৰ উত্থাপিত প্ৰশ্নক লৈ কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে তীব্ৰ ভাষাত সমালোচনা কৰে। বুধবাৰে সামাজিক মাধ্যম এক্সত (পূৰ্বৰ টুইটাৰ) দিয়া এক পোষ্টত ৰিজিজুৱে কংগ্ৰেছক প্ৰত্যক্ষভাৱে সোধে যে দলটো "অতিপাত নিচাসক্ত অৱস্থা"ত আছে নেকি, নে ভাৰতৰ বিকাশৰ ▢ ৬ পৃষ্ঠাত

বিজেপি-বিপিএফৰ সমন্বয়ত উন্নয়নৰ আলোচনা; উপ-নিৰ্বাচনৰ প্ৰসঙ্গত আয়োগৰ সিদ্ধান্তৰ অপেক্ষা

### কাজলগাঁৱত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ মিত্ৰজোঁটৰ নেতা-কৰ্মীৰে বৈঠক

ইউপিপিএলৰ ধৰ্ণাক কটাক্ষ কৰি পশু-পক্ষী বিক্ৰীৰ কথা উল্লেখ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ কাজলগাঁওস্থিত জিলা কেন্দ্ৰত বুধবাৰে বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল (বিটিচি)ৰ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে মিত্ৰজোঁটৰ অংশীদাৰী দল বিজেপি আৰু বিপিএফৰ নেতা-কৰ্মীসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে। বৈঠকত বিজনী বিধানসভা সমষ্টিৰ বিজেপি বিধায়ক অৰূপ কুমাৰ দে, বাওখুংগ্ৰীৰ বিধায়ক ৰূপম কুমাৰ ৰায়, বিটিচিৰ কাৰ্যবাহী সদস্য জেমছ বসুমতাৰী, ধীৰাজ বৰগয়াৰী, পাৰিষদ খাম্পা বৰগয়াৰী, শুকুৰ সিং মুছাহাৰী, জিলা বিজেপিৰ সভাপতি ৰতন ▢ ৬ পৃষ্ঠাত

### অসমৰ বিজ্ঞান-প্ৰযুক্তি প্ৰসাৰত কেন্দ্ৰীয় মন্ত্ৰীৰ সৈতে অধ্যক্ষ ৰণজিৎ কুমাৰ দাসৰ সাক্ষাৎ

উন্নয়ন, উদ্ভাৱন আৰু যুৱ বৈজ্ঞানিক মানসিকতা গঢ়ি তোলা বিষয়ক আলোচনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে আজি ৰাষ্ট্ৰীয় ৰাজধানী নতুন দিল্লীত কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙক সাক্ষাৎ কৰে। এই সাক্ষাৎত দুয়োগৰাকী নেতাই অসমৰ বৰ্তমানৰ পৰিৱৰ্তিত পৰিস্থিতি আৰু দেশৰ সামগ্ৰিক উন্নয়নত ৰাজ্যখনৰ ▢ ৬ পৃষ্ঠাত

অতিৰিক্ত জিলা সত্ৰ ন্যায়াধীশৰ আদালতৰ সিদ্ধান্ত

### ডিব্ৰুগড় আদালতৰ ঐতিহাসিক ৰায় একেদিনাই পাঁচ হত্যা গোচৰত যাৱজ্জীৱন কাৰাদণ্ড



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ অতিৰিক্ত জিলা সত্ৰ ন্যায়াধীশৰ আদালতে বুধবাৰে এক অভূতপূৰ্ব ন্যায়িক দৃষ্টান্ত স্থাপন কৰি একে দিনতে ছটা গোচৰৰ ৰায়দান কৰে। ইয়াৰে পাঁচটাত হত্যাৰ অভিযোগত পাঁচজন অভিযুক্তক যাৱজ্জীৱন কাৰাদণ্ড আৰু ১০, ০০০ টকাকৈ জৰিমনা বিহে, আনহাতে হত্যাৰ প্ৰচেষ্টা সংক্ৰান্তিয় আন ▢ ৬ পৃষ্ঠাত

গামচুক প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ফিৰোজ আলীক গ্ৰেপ্তাৰ

### জোনাইত শিক্ষকৰ নৃশংস কাণ্ড; পত্নীসহ তিনিটা সন্তানক কুঠাৰেৰে হত্যা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** ধেমাজি জিলাৰ জোনাই মহকুমাৰ অন্তৰ্গত তেলাম অঞ্চলত সংঘটিত এক বৰ্বৰ হত্যাকাণ্ডই সমগ্ৰ ৰাজ্যবাসীক গভীৰভাৱে জোকাৰি গৈছে। এগৰাকী সহকাৰী শিক্ষকে নিজৰ পত্নী আৰু তিনিজনী নিষ্পাপ সন্তানক কুঠাৰেৰে ঘপিয়াই হত্যা কৰাৰ ঘটনাই সকলোৰে মনত শোক আৰু প্ৰশ্নৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, অভিযুক্ত শিক্ষকজনৰ নাম ফিৰোজ ▢ ৬ পৃষ্ঠাত

### ৰে'লৰ অপেক্ষাৰ মাজতে মাতৃৰ কোলালৈ আহিল নতুন আলহী

চিকিৎসা কৰ্মী, বাণিজ্যিক শাখাৰ কৰ্মচাৰী, ৰে'লৱে সুৰক্ষা বাহিনী আৰু চৰকাৰী ৰে'ল আৰক্ষীৰ জোৱানৰ তৎপৰতা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৫ ছেপ্টেম্বৰ ঃ** ৰে'লৰ বাবে প্লেটফৰ্মত অপেক্ষা কৰি থকা এগৰাকী ন মাহৰ গৰ্ভৱতী মহিলাৰ বাবে যোৱা ৩১ আগষ্টৰ সন্ধিয়াটো হৈ পৰিল জীৱনৰ এক অবিস্মৰণীয় মুহূৰ্ত। যাত্ৰাৰ বাবে ষ্টেচনৰ প্লেটফৰ্মত বহি থকাৰ সময়তে প্ৰসৱ বেদনা আৰম্ভ হোৱা ▢ ৬ পৃষ্ঠাত

চৌকীৰ কৃষকক দুবছৰৰ ভিতৰত বান্ধ নিৰ্মাণৰ প্ৰতিশ্ৰুতি

### বাক্সাৰ ভাৰত-ভূটান সীমান্ত পৰিদৰ্শন পীযুষ হাজৰিকা, মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ জলসিঞ্চন মন্ত্ৰী পীযুঁষ হাজৰিকা আৰু কেবিনেট মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে বুধবাৰে বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী চৌকী অঞ্চল পৰিদৰ্শন কৰে। নৱনিৰ্বাচিত হৈ মন্ত্ৰিত্ব লাভ কৰাৰ পিছত এইটোৱেই তেওঁলোকৰ ▢ ৬ পৃষ্ঠাত

USTMৰ খননে যোৱাবাটত সাগৰসদৃশ পৰিস্থিতি সৃষ্টি কৰিছে ঃ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা

### নগাঁও সমষ্টি কঠিন, তথাপি আশা আছে!



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** অসমৰ বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বুধবাৰে একাধিক গুৰুত্বপূৰ্ণ বিষয়ত মতামত প্ৰকাশ কৰে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উচ্চাকাংক্ষী আঁচনি 'অৰুণোদয়', আৰু USTM (বিশ্ববিদ্যালয় অৱ ছায়েন্স এণ্ড টেকনলজি মেঘালয়)ৰ পাহাৰ খননৰ ফলত সৃষ্টি হোৱা বানপানীৰ পৰিস্থিতি — এই তিনিটা আলোচিত প্ৰসংগতে তেওঁ সাংবাদিকসকলৰ সৈতে মত বিনিময় কৰে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰসঙ্গত ▢ ৬ পৃষ্ঠাত

কুকি-জো কাউন্সিলৰ বিৰোধিতা সত্ত্বেও কেন্দ্ৰৰ সিদ্ধান্তক সমৰ্থন

### মণিপুৰত লোকপিয়ল স্থগিত ৰখাৰ সিদ্ধান্ত জনমতৰ প্ৰতি সন্মান ঃ মুখ্যমন্ত্ৰী




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** মণিপুৰত লোকপিয়ল প্ৰক্ৰিয়া স্থগিত ৰখা কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তক ৰাজ্যৰ মুখ্যমন্ত্ৰী ৱাই খেমাচান্দ সিঙে সমৰ্থন জনাই কয় যে এই পদক্ষেপ জনসাধাৰণৰ ইচ্ছাৰ প্ৰতি সন্মান ▢ ৬ পৃষ্ঠাত

### সোণোৱাল কছাৰী স্বায়ত্ত্বশাসিত পৰিষদৰ নিৰ্বাচন-২০২৬-ৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২ ছেপ্টেম্বৰ ঃ** সোণোৱাল কছাৰী স্বায়ত্ত্বশাসিত পৰিষদৰ নিৰ্বাচন-২০২৬-ৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত ৬টা সমষ্টিৰ বাবে চূড়ান্ত ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হৈছে। এই চূড়ান্ত ভোটাৰ তালিকা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, জিলা আয়ুক্তৰ কাৰ্যালয়, সকলো সংশ্লিষ্ট মনোনীত কাৰ্যালয়ৰ লগতে তিনিচুকীয়া জিলা প্ৰশাসনৰ ৱেবছাইট (https://tinsukia.assam.gov.in/) আৰু ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৱেবছাইট (https://ermssec.assam.gov.in/ আৰু https://sec.assam.gov.in/)-ত) উপলব্ধ হ'ব। অসম ৰাজ্যিক নিৰ্বাচনী আয়োগৰ দ্বাৰা অৰ্হতাৰ তাৰিখ ০১.০৭.২০২৬ নিৰ্ধাৰণ কৰা হৈছে। আজি প্ৰকাশ পোৱা চূড়ান্ত ভোটাৰ তালিকা অনুসৰি শদিয়া সমষ্টিৰ ৭টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে মুঠ ভোটাৰ হৈছে ৩৯২৫। ইয়াৰে পুৰুষ ভোটাৰ ১৮৫১ আৰু মহিলা ভোটাৰ ২০৭৪ গৰাকী। চৈখোৱা সমষ্টিৰ ১৭টা ▢ ৬ পৃষ্ঠাত

### এহটো কেৱল ৰসুৱা, নুৱাকোট আৰু ধাডিঙৰ দুখ নহয়, ই সমগ্ৰ নেপালী জাতিৰ উমৈহতীয়া আঘাত ঃ প্ৰধানমন্ত্ৰী শ্বাহ

সাহায্য হিচাপে মন্ত্ৰীসকলৰ এক মাহৰ দৰমহা বৰঙণি



**নিউজ ডেস্ক, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** নেপালৰ ৰসুৱা আৰু নুৱাকোট জিলাত সংঘটিত ভয়ংকৰ আকস্মিক বানপানীৰ পিছত উদ্ধাৰ অভিযানক প্ৰাধান্য দিয়া হৈছে বুলি বুধবাৰে প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে স্পষ্টভাৱে ঘোষণা কৰে। তেওঁ সংবাদ মাধ্যমৰ জৰিয়তে চৰকাৰৰ গ্ৰহণ কৰা পদক্ষেপসমূহৰ সবিশেষ বিৱৰণ দাঙি ধৰি কয় যে এই কঠিন পৰিস্থিতিত চৰকাৰ পূৰ্ণ প্ৰস্তুত আছিল আৰু ঘটনা সংঘটিত হোৱাৰ লগে লগে সক্ৰিয় হৈ উঠিছিল। প্ৰধানমন্ত্ৰী শ্বাহে উল্লেখ কৰে যে বানপানীৰ ঘটনাটো ৰাতিপুৱা প্ৰায় ৮ঃ৩০ বজাত সংঘটিত হয়। খবৰ পোৱা মাত্ৰকে জৰুৰীকালীন দলসমূহক সতৰ্ক কৰি তোলা হয় আৰু ৯ঃ১৫ বজাত এখন উৰ্ধ্বসীমা বৈঠক হয়। ইতিমধ্যে হেলিকপ্টাৰসমূহ সাজু অৱস্থাত ৰখা হৈছিল, আৰু ১০ঃ৩০ বজাৰ ভিতৰতে উদ্ধাৰকাৰী দলসমূহ ▢ ৬ পৃষ্ঠাত

৪ ছেপ্টেম্বৰৰ পুৱা ১১ বজাৰ পৰা 'বুক মাই শ্বো'ত টিকট মুকলি

### ৩০ ছেপ্টেম্বৰত বৰ্ষাপাৰা ষ্টেডিয়ামত ভাৰত-ৱেষ্ট ইণ্ডিজৰ হাইভল্টেজ এদিনীয়া মেচ




**নিউজ ডেস্ক, অসম বাৰ্তা, ২ ছেপ্টেম্বৰ ঃ** অসমৰ ক্ৰিকেটপ্ৰেমীসকলৰ বাবে ৰোমাঞ্চকৰ বাতৰিছু আগন্তুক ৩০ ছেপ্টেম্বৰত বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত এখন হাইভল্টেজ একদিনীয়া আন্তঃৰাষ্ট্ৰীয় মেচ অনুষ্ঠিত হ'ব। এই মেচখন উপলক্ষে টিকট মুকলিৰ তাৰিখ আৰু মূল্য নিৰ্ধাৰণ কৰা হৈছে, যিয়ে দেশ-বিদেশৰ ক্ৰিকেট অনুৰাগীসকলৰ মাজত যথেষ্ট উৎসুকতাৰ সৃষ্টি কৰিছে। আয়োজক সূত্ৰে জনোৱা মতে, টিকট বিক্ৰী আৰম্ভ হ'ব ৪ ছেপ্টেম্বৰৰ পুৱা ৰৰ বজাৰ পৰা, জনপ্ৰিয় অনলাইন প্লেটফৰ্ম 'বুক মাই শ্বো'ৰ জৰিয়তে। ক্ৰিকেটপ্ৰেমীসকলে এই প্লেটফৰ্মত সংযোগ কৰি সহজেই টিকট ▢ ৬ পৃষ্ঠাত

# কাজিৰঙা কাৰো ব্যক্তিগত সম্পত্তি নহয়, কোনো ৰাজনৈতিক দলৰো সম্পত্তি নহয় ঃ নাহিদা চৌধুৰী

**অসম বাৰ্তা, অভয়াপুৰী, ১ ছেপ্তেম্বৰ ঃ** বিশ্ববিখ্যাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক লৈ কোনো ব্যক্তি বা ৰাজনৈতিক দলৰ স্বাৰ্থ জড়িত হ'ব নালাগে বুলি মন্তব্য কৰিছে অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ সম্পাদিকা নাহিদা চৌধুৰীয়ে। কাজিৰঙা অসমৰ গৌৰৱ, প্ৰাকৃতিক ঐতিহ্য আৰু অসমীয়াৰ পৰিচয় বুলি উল্লেখ কৰি ইয়াৰ সংৰক্ষণৰ ক্ষেত্ৰত সকলো পক্ষকে দায়িত্বশীল ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায় তেওঁ। নাহিদা চৌধুৰীয়ে কয়, "কাজিৰঙা কাৰো ব্যক্তিগত সম্পত্তি নহয়। কাজিৰঙা কোনো ৰাজনৈতিক দলৰো সম্পত্তি নহয়।" কাজিৰঙাৰ দৰে অমূল্য প্ৰাকৃতিক সম্পদক লৈ ৰাজনৈতিক স্বাৰ্থত বিতৰ্ক সৃষ্টি কৰাৰ পৰিৱৰ্তে ইয়াৰ সংৰক্ষণ আৰু সুৰক্ষাক অগ্ৰাধিকাৰ দিয়া উচিত বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁ কয় যে কাজিৰঙা কেৱল অসমৰ এখন ৰাষ্ট্ৰীয় উদ্যান নহয়, ই সমগ্ৰ বিশ্বৰ পৰিৱেশ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। বিশেষকৈ এশিঙীয়া গঁড়কে ধৰি বিভিন্ন বন্যপ্ৰাণী আৰু জৈৱ-বৈচিত্ৰ্যৰ বাবে কাজিৰঙাৰ গুৰুত্ব অপৰিসীম। নাহিদা চৌধুৰীৰ মতে, কাজিৰঙা আজিৰ প্ৰজন্মৰ সম্পদৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবেও এক অমূল্য আমানত। সেয়েহে ইয়াৰ প্ৰাকৃতিক পৰিৱেশ, বন্যপ্ৰাণী আৰু জৈৱ-বৈচিত্ৰ্য সুৰক্ষিত কৰি ৰখাটো চৰকাৰ, প্ৰশাসন, ৰাজনৈতিক দল তথা সাধাৰণ ৰাইজ-সকলোৰে সামূহিক দায়িত্ব। কাজিৰঙাক লৈ যিকোনো সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত পৰিৱেশ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ বিষয়টোক সৰ্বাধিক গুৰুত্ব দিব লাগে বুলিও তেওঁ মন্তব্য কৰে। লগতে কাজিৰঙাৰ স্বাৰ্থত দল-মত নিৰ্বিশেষে সকলোৰে একত্ৰিত হৈ কাম কৰাৰ আহ্বান জনায় অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ সম্পাদিকা নাহিদা চৌধুৰীয়ে।

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৫ লাখ টকাৰ অনুদান ইটা ভাটা মালিক সন্থাৰ

**অসম বাৰ্তা, কলিয়াবৰ, ১ ছেপ্তেম্বৰ ঃ** উজনি অসমৰ শেহতীয়া বানত ক্ষতিগ্ৰস্ত ৰাইজৰ সাহায্যাৰ্থে এক শলাগ ল'বলগীয়া পদক্ষেপ গ্ৰহণ কৰিছে কলিয়াবৰ ইটা ভাটা মালিক সন্থাই। আজি দেওবাৰে সন্থাৰ এটা প্ৰতিনিধি দলে অসম সচিবালয়ৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৫ লাখ টকাৰ অনুদান আগবঢ়ায়। যোৱা ১৯ জুলাইত উজনি অসমত হোৱা ভয়াবহ বানে জন-ধনৰ ব্যাপক ক্ষতি কৰাৰ প্ৰতি লক্ষ্য ৰাখি এই অনুদান আগবঢ়োৱা হয়। মুখ্যমন্ত্ৰীৰ সৈতে হোৱা সাক্ষাৎকালত প্ৰতিনিধি দলটোক সংগ দিয়ে কলিয়াবৰৰ বিধায়ক তথা ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই। প্ৰতিনিধি দলটোত সন্থাৰ সভাপতি দিগন্ত শইকীয়া, সম্পাদক তথা সদৌ অসম ইটা ভাটা মালিক সন্থাৰ উপদেষ্টা বিজয় বুচ্চা, সহকাৰী সম্পাদক মনি কুমাৰ নাথ আৰু অজয় চাহু, উপদেষ্টা তথা সদৌ অসম সন্থাৰ কাৰ্যকৰী সদস্য ৰঞ্জিত বৰা আৰু কাৰ্যকৰী সদস্য ৰাজেশ গুপ্তা উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে এই মানৱীয় সহযোগিতাৰ বাবে সন্থাক ধন্যবাদ জ্ঞাপন কৰে।

# বৰপেটা লোক নিৰ্মাণ বিভাগৰ অধীনত কাম কৰি থকা এজন ঠিকাদাৰক লৈ ক্ষোভ স্থানীয় ৰাইজৰ

**অসম বাৰ্তা, বৰপেটা সদৰ, ১ ছেপ্তেম্বৰ ঃ** বৰপেটা লোক নিৰ্মাণ বিভাগৰ অধীনত কাম কৰি থকা এজন ঠিকাদাৰক লৈ ক্ষোভ স্থানীয় ৰাইজৰ। জানিব পৰা মতে চফিকুল ইছলাম নামৰ ঠিকাদাৰজনে ২০২৪ চনতে বৰপেটা লোক নিৰ্মাণ বিভাগৰ ফালৰ পৰা প্ৰায় ২কোটি ৮৬ লাখ টকাৰ বৰপেটা চহৰৰ কেইবাটাও পথ নিৰ্মাণ কৰাৰ কাম বাবে অফিচিয়েল অনুমতি পাইছিল। কিন্তু অনুমতি পোৱাৰ পিছতো ঠিকাদাৰ চফিকুল ইছলামে আজি পৰ্যন্ত কোনো ধৰণৰ কাম নকৰাৰ অভিযোগ স্থানীয় ৰাইজৰ। বিশেষকৈ বৰপেটা পৌৰসভাৰ অন্তৰ্গত ৮নং আৰু ৯ নং ৱাৰ্ডৰ ৰাস্তা আৰু নলাৰ কাম কৰাৰ অনুমতি প্ৰদানৰ পিছতো কি কাৰণত ঠিকাদাৰজনে কৰা নাই ইয়াক লৈ প্ৰশ্ন উত্থাপন কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে উক্ত পথচোৱাত আছে সত্ৰ নামঘৰ। নিতৌ বয়োজেষ্ঠ ব্যক্তিৰ অহা যোৱা হয় পথছোৱাত। পথৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে সময়ে সময়ে দুৰ্ভোগ ভুগিবলগীয়া হৈছে সেই সকল স্থানীয় ভকত বৈষ্ণৱ আৰু আই মাতৃ। পথচোৱাৰ দুৰৱস্থাৰ বাবে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে আই-মাতৃ সকলে সময়ে-সময়ে দুৰ্ঘটনাত পতিত হ'বলগীয়া হৈছে। বিভাগীয় কৰ্তৃপক্ষক বাৰাম্বাৰ অভিযোগ কৰাৰ পিছতো কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰে বৰপেটা পৌৰসভাৰ ৮ নং ৱাৰ্ডৰ ৱাৰ্ড কমিচনাৰ গৌতম দাসে। বিভাগীয় কৰ্তৃপক্ষ আৰু লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত কি হৈ আছে আৰু কি কাৰণত ঠিকাদাৰজনে পথ নিৰ্মাণ কৰা নাই তাৰ চৰজমিন তদন্ত কৰিবলৈ ৰাইজে দাবী জনাইছে।

# অসম চাহ মজদুৰ সংঘৰ নাজিৰা শাখাৰ সভাকক্ষত ঝুমইৰ সন্মিলনি অসম, কেন্দ্ৰীয় সমিতিৰ বিশেষ সভা

**অসম বাৰ্তা, নামতি, ১ ছেপ্তেম্বৰ ঃ** ঝুমইৰ সন্মিলনি অসম, কেন্দ্ৰীয় সমিতিৰ বিশেষ জৰুৰীকালীন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহ সভা এখনি ৩০ আগষ্টত অসম চাহ মজদুৰ সংঘৰ নাজিৰা শাখাৰ সভাকক্ষত অনুষ্ঠিত হয়। ৰাজীৱ কৈৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। ইয়াৰ ভিতৰত (১) ঝুমইৰ সন্মিলনি অসম কেন্দ্ৰীয় সমিতিৰ সভাপতি ভদ্ৰ ৰাজোৱাৰ দেৱৰ স্বাস্থ্য অসুস্থতাৰ বাবে কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজীৱ কৈৰী দেৱক ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব অৰ্পণ কৰে। (২) চলিত বৰ্ষৰ ভাদ মাহৰ শুক্লা একাদশী তিথি ২২ ছেপ্টেম্বৰ তাৰিখৰ পূৰ্বে কোনো দল সংগঠনে, উদযাপন সমিতিয়ে কৰম পূজা অনুষ্ঠিত নকৰিবলৈ কঠোৰ আহ্বান জনাইছে ঝুমইৰ সন্মিলনি অসমে। অন্যথা সেই সমিতি সমূহৰ ওপৰত আইনী ব্যৱস্থা লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সভাত ঝুমইৰ সন্মিলনি অসম, কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজীৱ কৈৰী, উপসভাপতি মুনিন গৌতম চাওৰা, সাধাৰণ সম্পাদক দ্বীপেন চাৰাক, সহকাৰী সম্পাদক বাবা কুৰ্মিৰ লগতে বলোৰাম ঘটোৱাৰ লগতে গোলাঘাট জিলা সমিতিৰ সহকাৰী সম্পাদক গুণাৰাম হেমৰমকে প্ৰমুখ্য কৰি বহু কেইজন সদস্য উপস্থিত থাকি সভাখন সাফল্য মণ্ডিত কৰে।

# শিক্ষাখণ্ডৰ গাণণিক বিষয়াই বাটতে হেৰুৱালে দুখনকৈ বিদ্যালয়ৰ হিচাপৰ পত্ৰ

## ☐ আৰক্ষীক এজাহাৰ দাখিল ☐

**অসম বাৰ্তা, চেলেংহাট, ১ ছেপ্তেম্বৰ ঃ** পূৱ যোৰহাট শিক্ষাখণ্ডৰ এগৰাকী গাণণিকে আজি দুখনকৈ বিদ্যালয়ৰ চৰকাৰী অনুদানৰ ব্যয় সম্পৰ্কীয় নথি পত্ৰ আদবাটতে হেৰুৱাই পেলোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিবপৰামতে পূৱ যোৰহাট শিক্ষা খণ্ডৰ খণ্ড গাণণিক বিষয়া অনিন্দিত বৰদলৈয়ে আজি হিচাপ পৰীক্ষা সংক্ৰান্তিয় কামত পদুমণি উচ্চ মাধ্যমিক বিদ্যালয় আৰু আদৰ্শ এম.ই. বিদ্যালয়ৰ হিচাপ সম্পৰ্কীয় গুৰুত্বপূৰ্ণ নথি পত্ৰ সংগ্ৰহ কৰি কাৰ্যালয়লৈ ওভটাৰ পথত বিদ্যালয় দুখনৰ উক্ত নথিপত্ৰ সমূহ হেৰুৱাই পেলায়। এই সন্দৰ্ভত খণ্ড গাণণিক বিষয়া গৰাকীয়ে আজি টীয়ক আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। ৰহস্যজনক কথাটো হৈছে গাণণিক গৰাকীয়ে ক'ত কেনে পৰিস্থিতিত বিদ্যালয় দুখনৰ হিচাপ সম্পৰ্কীয় গুৰুত্বপূৰ্ণ নথি সমূহ হেৰুৱালে সেই সন্দৰ্ভত এজাহাৰত কোনো তথ্য উল্লেখ কৰা নাই। দুখনকৈ শিক্ষানুষ্ঠানৰ হিচাপ-নিকাচৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ নথি-পত্ৰসমূহ একেলগে সন্ধানহীন হোৱাৰ ঘটনাইও সৃষ্টি কৰিছে আন এক ৰহস্যৰ। শিক্ষানুষ্ঠান দুখনৰ হিচাপ সম্পৰ্কীয় তথ্যপাতি এনেদৰে হেৰুৱাই পেলোৱা ঘটনাৰ আঁৰত কি ৰহস্য লুকাই আছে সেয়া আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব।

# আমগুৰিত জাঁজী নদীত পুনৰ অবৈধ খনন

## দুই ব্যৱসায়ীৰ বিৰুদ্ধে এজাহাৰ দাখিল



**অসম বাৰ্তা, চেলেংহাট, ১ ছেপ্তেম্বৰ ঃ** যোৱা ১৯ জুলাইৰ জাঁজী নদীৰ প্ৰলয়ংকাৰী বানৰ বিভীষিকা পাহৰি নৌ যাওঁতেই নদীখনৰ ওপৰত পুনৰ অত্যাচাৰ আৰম্ভ কৰিছে একাংশ অসাধু ব্যৱসায়ীয়ে। জাঁজী নদীৰ সাম্প্ৰতিক বানৰ প্ৰধান কাৰণ আছিল নগাপাহাৰৰ অবৈধ খনন আৰু নদীৰ গড়াৰ মাটি-পলস খনন। নদীৰ গড়া নদীৰ সমানকৈ খান্দি তহিলং কৰাৰ ফলতেই ১৯ জুলাইত পানীয়ে দুয়োপাৰ উপচি বিস্তৃত অঞ্চল প্লাবিত কৰাৰ লগতে দুয়োপাৰে দুটা স্থানত মথাউৰি ভাঙি সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। জলসম্পদ বিভাগ আৰু স্থানীয় প্ৰশাসনে যুদ্ধকালীন প্ৰচেষ্টাৰে তেতিয়া পানী বাগৰা ৰোধ কৰাৰ কথা সকলোৰে জ্ঞাত। কিন্তু এতিয়া যোৰহাট জিলাৰ টীয়ক ৰাজহ চক্ৰৰ অন্তৰ্গত শিমলুগুৰি ব্ৰাহ্মণ গাঁৱৰ সমীপত জনৈক নীলোৎপল আৰু বিশ্বজিৎ নামৰ দুই ব্যৱসায়ীয়ে সম্পূৰ্ণ অবৈধভাৱে জাঁজী নদীৰ গড়াৰ মাটি আৰু পলস খান্দি তহিলং কৰাৰ তথ্য সম্প্ৰতি পোহৰলৈ আহিছে। যোৱা ২৯ আগষ্টত তেওঁলোকৰ বাহিনীয়ে এস্কেভেটৰ নমাই নদীখনত গড়া আৰু পলস খান্দি পাহাৰ সদৃশ মাটি মজুত কৰা পৰিলক্ষিত হয়। স্থানীয় সচেতন লোকৰ খবৰত জলসম্পদ বিভাগ আৰু বনবিভাগৰ বিষয়া খননস্থলীত উপস্থিত হয় যদিও অসাধু চক্ৰটোৱে পূৰ্বেই পলায়ন কৰে। জানিব পৰা মতে বনবিভাগে কোনো ব্যৱস্থা গ্ৰহণ নকৰাকৈয়ে স্থান ত্যাগ কৰে। আনহাতে যোৱা ৩০ আগষ্ট তাৰিখে এই চক্ৰটোৰ তিনিজনৰ বিৰুদ্ধে যোৰহাট জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত কোনো লোকে অনলাইন এজাহাৰ দাখিল কৰিছে। আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ে ঘটনাটোৰ তদন্তৰ দায়িত্ব টীয়ক থানাক প্ৰদান কৰিছে বুলি জানিব পৰা গৈছে। ইপিনে বানে দুৰ্বল কৰি পেলোৱা জাঁজী তামোলীছিগা মথাউৰিত মাটি-পলস বহনকাৰী গধুৰ যান চলাচলেও মথাউৰিৰ স্থায়িত্বৰ ক্ষেত্ৰত প্ৰশ্নৰ উদয় কৰিছে। এই ঘটনাত স্থানীয় ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী, বনমন্ত্ৰী আৰু জলসম্পদ মন্ত্ৰীৰ তাৎক্ষণিক হস্তক্ষেপ দাবী কৰিছে।

## স্বামী পৰিয়ালৰ বিৰুদ্ধে পৰিকল্পিত হত্যাৰ অভিযোগ; স্বামীক গ্ৰেপ্তাৰ

# সাত মহীয়া গৰ্ভৱতী মহিলাৰ ৰহস্যজনক মৃত্যু

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১ ছেপ্তেম্বৰ ঃ** বৰপেটাৰোডৰ আঠিয়াবাৰী গাঁৱৰ এগৰাকী সাত মহীয়া গৰ্ভৱতী মহিলাৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। মৃত মহিলা গৰাকী হৈছে আঠিয়াবাৰী গাঁৱৰ কৃষ্ণ চন্দন বৰ্মনৰ জীয়ৰী পূজা বৰ্মন। পৰিয়ালৰ অভিযোগ অনুসৰি, প্ৰায় দুবছৰ পূৰ্বে পূজা বৰ্মনৰ বিবাহ বঙাইগাঁও জিলাৰ বেংতল গাঁৱৰ সুবাস ঘোষৰ পুত্ৰ সুৰম ঘোষ ওৰফে ৰাহুল ঘোষৰ সৈতে সম্পন্ন হৈছিল। বিবাহৰ পিছৰে পৰা পূজাই স্বামী পৰিয়ালৰ পৰা শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ সন্মুখীন হৈ অহাৰ অভিযোগ উত্থাপন কৰিছে মৃতকৰ পৰিয়ালে। পৰিয়ালৰ দাবী অনুসৰি, শেহতীয়াকৈ পূজা সাত মহীয়া গৰ্ভৱতী হৈ থকাৰ সময়তে তেওঁৰ ওপৰত নিৰ্যাতনৰ মাত্ৰা অধিক বৃদ্ধি পাইছিল। অৱশেষত ঘটনাৰ দিনা স্বামী সুৰম ঘোষ ওৰফে ৰাহুল ঘোষে মদ্যপান কৰি পত্নী পূজা বৰ্মনক পৰিকল্পিতভাৱে হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে। আনহাতে, ঘটনাটোক আত্মহত্যাৰ ৰূপ দিবলৈ চেষ্টা কৰা হৈছিল বুলিও মৃতকৰ পৰিয়ালে অভিযোগ কৰিছে। ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে বঙাইগাঁও আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰে। আৰক্ষীয়ে ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত পূজাৰ স্বামী সুৰম ঘোষ ওৰফে ৰাহুল ঘোষক গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰে। ইফালে, পূজা বৰ্মনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু আৰক্ষীৰ তদন্তৰ পিছতহে মৃত্যুৰ প্ৰকৃত কাৰণ আৰু ঘটনাৰ সমগ্ৰ সত্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে। মৃতকৰ পৰিয়ালে সমগ্ৰ ঘটনাৰ নিৰপেক্ষ আৰু গভীৰ তদন্তৰ দাবী জনোৱাৰ লগতে দোষী সাব্যস্ত হোৱা ব্যক্তিৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ আৰক্ষী-প্ৰশাসনৰ ওচৰত আহ্বান জনাইছে। সাত মহীয়া গৰ্ভৱতী পূজা বৰ্মনৰ এই কৰুণ মৃত্যুক কেন্দ্ৰ কৰি আঠিয়াবাৰীসহ বৃহত্তৰ অঞ্চলটোত শোক আৰু ক্ষোভৰ সৃষ্টি হৈছে।

# পাঠশালাত দুৰ্ঘটনা ৰোধৰ লক্ষ্য; পথৰ কুকুৰ-গৰুক পিন্ধালে ৰেডিয়ামযুক্ত কলাৰ

**অসম বাৰ্তা, পাঠশালা, ২ ছেপ্তেম্বৰ ঃ** পথত বিচৰণ কৰা গৰু-কুকুৰৰ বাবে সংঘটিত হোৱা পথ দুৰ্ঘটনা ৰোধৰ লগতে গৰাকীবিহীন জীৱ-জন্তুৰ প্ৰতি মানৱীয় দায়বদ্ধতাৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিলে পাঠশালাৰ এম বি পি নামৰ সামাজিক স্বেচ্ছাসেৱী অনুষ্ঠান আৰু সমন্বয় যুৱ পৰিষদে। দুয়োটা অনুষ্ঠানৰ উদ্যোগত আজি পাঠশালা আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত পথৰ গৰাকীবিহীন কুকুৰ আৰু ৰাস্তাই-ঘাটে ঘূৰি ফুৰা কেইবাটাও গৰুক খাদ্য প্ৰদান কৰাৰ লগতে সিহঁতৰ ডিঙিত ৰেডিয়ামযুক্ত কলাৰ পিন্ধোৱা হয়। ৰেডিয়ামযুক্ত কলাৰ পিন্ধোৱাৰ ফলত নিশা বাহনৰ হেড লাইটৰ পোহৰত জীৱ-জন্তুবোৰৰ ডিঙিত থকা কলাৰ জিলিকি উঠিব আৰু দুৰৈৰ পৰাই চালকে পথত থকা জীৱ-জন্মৰ উপস্থিতি সহজে অনুমান কৰিব পাৰিব। ইয়াৰ ফলত সম্ভাব্য দুৰ্ঘটনা হ্ৰাস পোৱাৰ লগতে পথৰ জীৱ-জন্তুৰ সুৰক্ষাও নিশ্চিত হোৱাৰ আশা প্ৰকাশ কৰিছে উদ্যোক্তাসকলে। ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ পাঠশালা উৰণ সেতুৰ তলত পুৱাৰ ভাগত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছত পাঠশালা চাৰিআলি চ'ক আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সন্মুখকে ধৰি কেইবাটাও স্থানত পথৰ গৰু আৰু কুকুৰক খাদ্য প্ৰদান কৰাৰ লগতে ৰেডিয়ামযুক্ত কলাৰ পিন্ধোৱা হয়। একে সময়তে স্বেচ্ছাসেৱকসকলে পথৰ জীৱ-জন্তুবোৰৰ সৈতে সাৱধানতাৰে ব্যৱহাৰ কৰি খাদ্য প্ৰদান কৰাৰ দৃশ্যই স্থানীয় ৰাইজৰো দৃষ্টি আকৰ্ষণ কৰে। এনে অভিনৱ কাৰ্যসূচীত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ অৰ্থনীতি বিভাগৰ ছাত্ৰ ধীভান পাটগিৰী, অভিযেশ কলিতা, ভাৰ্মিচন দাস, অনিমেশ চৌধুৰী, ধীমান দাস, পাৰ্থপ্ৰতিম ৰয়, অনুৰাগ শাণ্ডিল্য, মাধুৰ্য পাটগিৰী, অৰ্ণৱ ডেকা, সমৰজিৎ দাসকে ধৰি এম বি পি আৰু সমন্বয় যুৱ পৰিষদৰ বহু সদস্যই অংশগ্ৰহণ কৰে।

# অভয়াপুৰীত গৰুগাড়ীৰ হেডলাইট নামৰ গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, অভয়াপুৰী, ২ ছেপ্তেম্বৰ ঃ** কালি অভয়াপুৰী চিলাৰায় ভৱন প্ৰাংগণত অভয়াপুৰী সাহিত্য চৰাৰ ১৭৬ সংখ্যক "বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সোঁৱৰণী বৈঠকত" সত্য নাৰায়ণ কলিতা ৰচিত গৰুগাড়ীৰ হেডলাইট নামৰ গ্ৰন্থখন উন্মোচন কৰা হয়। সাহিত্য চৰাৰ সভাপতি সীমান্ত কুমাৰ কলিতাৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাত গৰুগাড়ীৰ হেডলাইট নামৰ এখন তথ্য গধূৰ আৰু মনোৰঞ্জনমূলক গ্ৰন্থখন শুভ উন্মোচন কৰে অসম চৰকাৰৰ প্ৰাক্তন প্ৰশাসনিক সেৱাৰ বিষয়া ৰোহিণী কুমাৰ চৌধুৰীয়ে। তদুপলক্ষে আয়োজিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে চৰাৰ মুখ্য সম্পাদক অংকুৰ দাস। আদৰণি ভাষণ প্ৰদান কৰে উপ-সভাপতি নৱ কুমাৰ দাস। বৈঠকৰ উদ্বোধনী ভাষণ আগবঢ়ায় ড° মীনা কুমাৰী মণ্ডলে। সভাত ৰোহিনী কুমাৰ চৌধুৰীৰ উপৰিও ড° জগত চন্দ্ৰ কলিতা, শিল্পী পেঞ্চনাৰ ধৰণী বনিক্য, মীনা কুমাৰী মণ্ডল, ডাঃ নজৰুল ইছলাম আদি সাহিত্যিক সকলে উপস্থিত থাকি গ্ৰন্থ খনৰ ওপৰত সাৰুৱা ভাষণ প্ৰদান কৰে। ইয়াৰ উপৰিও অভয়াপুৰী আৰু বঙাইগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিশিষ্ট সাহিত্যিক আৰু সাংস্কৃতিক কৰ্মীৰ উপস্থিতিত অনুষ্ঠিত হোৱা বৈঠকত কৱিতা, গীত-মাত আদি পৰিবেশন কৰি অনুষ্ঠানখন জীপাল কৰি তোলে।

# কমলাবাৰীত 'ইংলিছ একাডেমী' নামৰ শিক্ষানুষ্ঠানৰ শুভাৰম্ভ

**অসম বাৰ্তা, মাজুলী, ২ ছেপ্টেম্বৰ ঃ** বতৰৰ প্ৰতিকূল পৰিস্থিতিৰ মাজতো আজি কমলাবাৰীত এখন ভাষাশিক্ষণৰ কেন্দ্ৰ 'ইংলিছ একাডেমী' শুভাৰম্ভ কৰা হয়। অনুষ্ঠানটোত বন্তি প্ৰজ্বলনৰে শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা আউনীআটী বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ অধ্যাপক ৰঞ্জিৎ কুমাৰ ভূঞাই। ভাষণ প্ৰসংগত ভূঞাই ভাষা শিক্ষণৰ ক্ষেত্ৰত শিক্ষাৰ্থী জ্ঞানৰ পৰিসৰ বৃদ্ধি তথা বিকাশৰ সংকল্পত কেনেদৰে প্ৰভাৱিত কৰে উদাহৰণ সহ ব্যক্ত কৰে। অনুষ্ঠানত বেঙেনাআটী সত্ৰৰ নামাচাৰ্য তথা অৱসৰপ্ৰাপ্ত কৰ্মচাৰী যুগল ভূঞাই শিশু সকলৰ জ্ঞান আহৰণৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানৰ বিশেষ গুৰুত্ব আছে। বিদ্যালয় খনৰ জ্ঞানৰ বিকাশ সাধন হওক, জ্ঞানৰ বিকিৰণে সমগ্ৰ মাজুলীতে প্ৰভাৱ পেলাব বুলি আশা কৰে। অনুষ্ঠানৰ মূল উদ্দেশ্য আৰু লক্ষ্যৰ ওপৰত ব্যাখ্যা কৰে অনুষ্ঠানতোৰ শিক্ষয়িত্ৰী মানসী গগৈ ভূঞাই। আনহাতে দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ ছাত্ৰ ছাত্ৰী সকলক বিনামূলীয়াকৈ পাঠদান কৰা হ'ব বুলি ঘোষণা কৰি পাঠদান কাৰ্যসূচীৰ বিশদ বিৱৰণ আগবঢ়ায়। তদুপৰি সদ্যহতে মাজুলী জিলা সাংবাদিক সন্থাৰ সভাকক্ষতে পাঠদান আৰম্ভ হ'ব বুলি শিক্ষয়িত্ৰী গৰাকীয়ে সদৰি কৰে। সভাত উপস্থিত সকলৰ মাজৰ পৰা মনোৰঞ্জন কলিতাকে ধৰি বহু কেইজন অভিভাৱকে। ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰে কৃষ্টিপ্ৰিয়া শইকীয়া, প্ৰকৃতি নন্দিনী কলিতা, নিমিশা শইকীয়া আৰু নৃত্য পৰিৱেশন কৰে কণমানি অনুশ্ৰীয়া ভূঞাই। অনুষ্ঠানতোৰ আত ধৰি শলাগৰ শৰাই আগবঢ়ায় ইংলিছ একাডেমী'ৰ শিক্ষয়িত্ৰী মানসী গগৈয়ে।

## উদ্‌যাপনৰ নতুন সমিতি গঠন, হেমেন দাস সভাপতি

# ১৫ দিনীয়া কাৰ্যসূচীৰে হাউলী ৰাস মহোৎসৱ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১ ছেপ্তেম্বৰ ঃ** বৰপেটা জিলাৰ হাউলীত এইবাৰ ১৫ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব হাউলী ৰাস মহোৎসৱ। অহা ২৪নৱেম্বৰৰ পৰা ৮ ডিচেম্বৰ, ২০২৬লৈ অনুষ্ঠিত হ'বলগীয়া ৰাস মহোৎসৱক কেন্দ্ৰ কৰি ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। ৰাস মহোৎসৱ উদযাপনৰ বাবে গঠন কৰা হৈছে এখন নতুন উদযাপন সমিতি। সমিতিখনৰ সভাপতি হিচাপে হেমেন দাস আৰু কাৰ্যকৰী সভাপতি হিচাপে তৰুণী কুমাৰ পাঠকক দায়িত্ব দিয়া হৈছে। আনহাতে, সাধাৰণ সম্পাদক হিচাপে অমৰেন্দ্ৰ পাঠক, উৎপল নাথ আৰু বিশ্বজিৎ দাস (বিজু)ক দায়িত্ব অৰ্পণ কৰা হৈছে। ১৫ দিনীয়া এই ৰাস মহোৎসৱত বিভিন্ন ধৰ্মীয়, সাংস্কৃতিক আৰু সামাজিক কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। ঐতিহ্য আৰু লোক-সংস্কৃতিৰ সৈতে গভীৰভাৱে জড়িত হাউলীৰ ৰাস মহোৎসৱে প্ৰতিবছৰে অঞ্চলটোৰ লগতে দূৰ-দূৰণিৰ ভক্ত, দৰ্শনাৰ্থী আৰু সংস্কৃতিপ্ৰেমীক আকৰ্ষণ কৰি আহিছে। নতুন সমিতিখনে আগন্তুক ৰাস মহোৎসৱ অধিক শৃংখলাবদ্ধ, আকৰ্ষণীয় আৰু সফলভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে প্ৰস্তুতি চলাইছে। মহোৎসৱক লৈ ইতিমধ্যে হাউলী অঞ্চলত উৎসাহ-উদ্দীপনাৰ সৃষ্টি হৈছে।

# পূৰ্ণগতিত চলিছে আমিনগাঁও-হাজো পথৰ মেৰামতিৰ কাম

**অসম বাৰ্তা, হাজো, ২ ছেপ্টেম্বৰ ঃ** দীৰ্ঘদিনীয়া যাতায়াতৰ সমস্যাৰ অৱসান ঘটোৱাৰ দিশে আগবাঢ়িছে ৪২৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ অন্তৰ্গত গুৰুত্বপূৰ্ণ আমিনগাঁও-হাজো পথচোৱা। দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ অৱস্থাত থকা পথটোৰ মেৰামতিৰ কাম বৰ্তমান পূৰ্ণগতিত চলি আছে। পথটোৰ দুৰৱস্থাৰ বাবে স্থানীয় ৰাইজ, ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী আৰু দৈনিক যাতায়াত কৰা লোকসকলে দীৰ্ঘদিন ধৰি বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছিল। আমিনগাঁও-হাজো পথচোৱা ৪২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণ আঁচনিৰ আওতালৈ অনা হৈছে। অৱশ্যে সমগ্ৰ পথচোৱা সম্পূৰ্ণ আন্তঃগাঁথনিৰে উন্নীত হ'বলৈ কিছু সময়ৰ প্ৰয়োজন হ'ব। এই সময়ছোৱাত ৰাইজৰ যাতায়াতৰ অসুবিধা হ্ৰাস কৰাৰ বাবে পথচোৱাৰ জৰুৰী মেৰামতিৰ কাম হাতত লোৱা হৈছে। হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে পথচোৱাৰ জৰাজীৰ্ণ অৱস্থাৰ বিষয়টো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনা কৰাৰ পাছত জৰুৰী মেৰামতিৰ বাবে উদ্যোগ গ্ৰহণ কৰে। ইয়াৰ পাছতে সংশ্লিষ্ট পক্ষৰ সহযোগত পথটোৰ মেৰামতিৰ কাম আগবঢ়াই নিয়া হৈছে। ইতিমধ্যে পথটোৰ অতি জৰাজীৰ্ণ আৰু বিপদসংকুল 'দমদমা ছাত্ৰশালী' অংশৰ মেৰামতিৰ কাম সম্পূৰ্ণ হৈছে। উক্ত অংশৰ পথ মেৰামতিৰ ফলত যান-বাহনৰ চলাচল অধিক সুচল হোৱাৰ লগতে পথচাৰী আৰু যাত্ৰীসকলেও সকাহ লাভ কৰিছে। পথৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে সৃষ্টি হোৱা দুৰ্ঘটনাৰ আশংকা হ্ৰাস কৰাৰ ক্ষেত্ৰতো এই কামে সহায় কৰিব বুলি আশা কৰা হৈছে। ইফালে আমিনগাঁও-হাজো পথৰ হাজো অংশত বাকী থকা মেৰামতিৰ কামসমূহো শীঘ্ৰে সম্পূৰ্ণ কৰাৰ প্ৰক্ৰিয়া চলি আছে। পথটোৰ বিভিন্ন অংশৰ অৱস্থা বিবেচনা কৰি প্ৰয়োজনীয় মেৰামতিৰ কাম আগবঢ়াই নিয়া হৈছে। আমিনগাঁও-হাজো পথটো বৃহত্তৰ হাজো অঞ্চলৰ বাবে এক গুৰুত্বপূৰ্ণ যোগাযোগৰ পথ। প্ৰতিদিনে এই পথটোৰে হাজো, আমিনগাঁও আৰু গুৱাহাটীকে ধৰি বিভিন্ন অঞ্চলৰ মাজত বহু সংখ্যক লোক আৰু যান-বাহনৰ চলাচল হয়। শিক্ষা, চিকিৎসা, ব্যৱসায়-বাণিজ্য, কৰ্মসংস্থান তথা দৈনন্দিন প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত এই পথৰ ওপৰত বহু লোক নিৰ্ভৰশীল। সেয়েহে পথচোৱাৰ মেৰামতিৰ কাম সম্পূৰ্ণ হ'লে স্থানীয় ৰাইজৰ যাতায়াতৰ সমস্যা যথেষ্ট হ্ৰাস পোৱাৰ লগতে সময় আৰু যাতায়াত ব্যয়ৰ ক্ষেত্ৰতো ৰাইজে সুবিধা লাভ কৰিব। বিশেষকৈ বাৰিষাৰ সময়ত পথটোৰ জৰাজীৰ্ণ অংশত সৃষ্টি হোৱা সমস্যাৰ পৰা যাত্ৰীসকলে সকাহ পোৱাৰ সম্ভাৱনা আছে। সংবাদ মাধ্যমৰ আগত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে কয়, "ৰাইজৰ দীৰ্ঘদিনীয়া যাতায়াতৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি পথটোৰ জৰুৰী মেৰামতিৰ কাম আৰম্ভ কৰা হৈছে। বাকী থকা অংশসমূহৰ কামো ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।" স্থানীয় ৰাইজে পথটোৰ মেৰামতিৰ কাম আৰম্ভ হোৱাত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে বাকী থকা কামসমূহো সময়মতে সম্পূৰ্ণ কৰাৰ বাবে সংশি-ষ্ট কৰ্তৃপক্ষৰ প্ৰতি আহ্বান জনাইছে। ৰাইজে আশা প্ৰকাশ কৰিছে যে মেৰামতিৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত আমিনগাঁও-হাজো পথৰে যাতায়াত অধিক সুচল আৰু নিৰাপদ হৈ উঠিব।

## চুৰি আৰু হেৰাই যোৱা ১৮টা মোবাইল ফোন উদ্ধাৰ কৰি গৰাকীক দিলে ওভতাই

# খাৰুপেটীয়াৰ আৰক্ষীৰ প্ৰশংসনীয় পদক্ষেপ

**অসম বাৰ্তা, খাৰুপেটীয়া, ১ ছেপ্তেম্বৰ ঃ** খাৰুপেটীয়া আৰক্ষীৰ এক প্ৰশংসনীয় পদক্ষেপে সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিছে। বিভিন্ন সময়ত চুৰি আৰু হেৰাই যোৱা মোবাইল ফোন উদ্ধাৰ কৰি প্ৰকৃত গৰাকীৰ হাতত ওভতাই দিবলৈ সক্ষম হৈছে খাৰুপেটীয়া আৰক্ষী। আৰক্ষীৰ বিশেষ তৎপৰতাত উদ্ধাৰ হোৱা মুঠ ১৮টা মোবাইল ফোন আজি এক আনুষ্ঠানিক কাৰ্যসূচীৰ জৰিয়তে সংশ্লিষ্ট গৰাকীৰ হাতত হস্তান্তৰ কৰা হয়। মোবাইল ফোনসমূহ পুনৰ লাভ কৰি গৰাকীসকলে খাৰুপেটীয়া আৰক্ষীৰ এই পদক্ষেপৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। এই উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত উপস্থিত থাকে CDSP চিৰঞ্জিত ভট্টাচাৰ্য, খাৰুপেটীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া (OC) হেমন্ত বৰুৱা, ট্ৰেফিক ব্ৰাঞ্চৰ IC ইমদাদুল হক চৌধুৰীকে ধৰি কেইবাগৰাকীও আৰক্ষী বিষয়া। উল্লেখ্য যে, মোবাইল ফোন হেৰাই যোৱা তথা চুৰিৰ অভিযোগ লাভ কৰাৰ পাছত আৰক্ষীয়ে প্ৰযুক্তিগত সহায়ত অভিযান চলাই মোবাইল ফোনসমূহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উদ্ধাৰ কৰা ফোনসমূহৰ প্ৰকৃত গৰাকী চিনাক্ত কৰাৰ পাছত আজি তেওঁলোকৰ হাতত আনুষ্ঠানিকভাৱে তুলি দিয়া হয়। খাৰুপেটীয়া আৰক্ষীৰ এনে তৎপৰতাক স্থানীয় সচেতন মহলে প্ৰশংসা কৰাৰ লগতে আগন্তুক দিনতো অপৰাধ নিয়ন্ত্ৰণ আৰু জনসাধাৰণৰ হেৰাই যোৱা সামগ্ৰী উদ্ধাৰৰ ক্ষেত্ৰত আৰক্ষীয়ে এনে ধৰণৰ পদক্ষেপ অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰিছে।

### গোৰেশ্বৰৰ পশ্চিম উপৰখুঁটিত নিজৰ গাঁঠিৰ ধন ভাঙি কালভাৰ্ট মেৰামতি

# জনপ্ৰতিনিধিৰ গুৰুত্বহীনতাত ক্ষোভিত ৰাইজ

**অসম বাৰ্তা, গোৰেশ্বৰ, ২ ছেপ্টেম্বৰ ঃ** তামোলপুৰ জিলাৰ ৪৪ নং গোৰেশ্বৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম উপৰখুঁটিত এটা গ্ৰাম্য পথৰ ক্ষতিগ্ৰস্ত কালভাৰ্ট মেৰামতিৰ বাবে অৱশেষত নিজেই আগবাঢ়ি আহিল গঞা ৰাইজ। স্থানীয় জনপ্ৰতিনিধিৰ গুৰুত্বহীনতাৰ অভিযোগ উত্থাপন কৰি ৰাইজে নিজৰ গাঁঠিৰ ধন ভাঙি আৰু শ্ৰমদানৰ জৰিয়তে ক্ষতিগ্ৰস্ত কালভাৰ্টটো মেৰামতি কৰে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, জনবসতিপূৰ্ণ পশ্চিম উপৰখুঁটিলৈ যোৱা গ্ৰাম্য পথছোৱাৰ দুৰৱস্থাৰ বাবে গাঁওবাসীয়ে দীৰ্ঘদিন ধৰি যাতায়াতৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈ আহিছিল। ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ পৰিপ্ৰেক্ষিতত প্ৰায় দুবছৰ পূৰ্বে পথছোৱা নিৰ্মাণ কৰা হৈছিল। কিন্তু পথ নিৰ্মাণৰ সময়তে পথৰ মাজত থকা ক্ষতিগ্ৰস্ত কালভাৰ্টটোৰ ঠাইত আৰ.চি.চি. দলং নিৰ্মাণৰ দাবী জনোৱাৰ পিছতো ৰাইজৰ দাবী উপেক্ষা কৰি কালভাৰ্ট নিৰ্মাণ কৰা হৈছিল বুলি স্থানীয় ৰাইজে অভিযোগ কৰে। সম্প্ৰতি বাৰিষাৰ সময়ত ধাৰাসাৰ বৰষুণ আৰু গৰাখহনীয়াৰ ফলত কালভাৰ্টটোৰ লগতে পথছোৱাৰো কিছু অংশ ক্ষতিগ্ৰস্ত হয়। ফলত গাঁওখনৰ ছাত্ৰ-ছাত্ৰী, ৰোগী, বৃদ্ধ-বৃদ্ধাকে ধৰি সাধাৰণ পথচাৰীয়ে যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে, সমস্যাটো সমাধানৰ বাবে ৪৪ নং গোৰেশ্বৰ বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক ভি''ৰ কুমাৰ দাস আৰু বিটিচিৰ কাৰ্যবাহী সদস্য তথা শুক্লাই ছেৰফাং পৰিষদীয় সমষ্টিৰ পাৰিষদ গণেশ কছাৰীক কেইবাবাৰো মৌখিকভাৱে অৱগত কৰা হৈছিল। কিন্তু ৰাইজৰ অভিযোগ অনুসৰি, বিষয়টো সন্দৰ্ভত কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ নকৰাত সমস্যাটো দীৰ্ঘদিন



ধৰি সমাধান নোহোৱাকৈয়ে থাকি যায়। ইয়াৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰী, ৰোগী আৰু সাধাৰণ পথচাৰীৰ যাতায়াতৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় ৰাইজে নিজৰ গাঁঠিৰ ধন ভাঙি আৰু শ্ৰমদান কৰি নিজেই কালভাৰ্টটো মেৰামতি কৰিবলৈ বাধ্য হয়। ৰাইজে বালি, বাঁহ আৰু ট্ৰেক্টৰৰ সহায়ত পথৰ দুয়োকাষে মাটি পেলাই ক্ষতিগ্ৰস্ত অংশটো মেৰামতি কৰি সাময়িকভাৱে যাতায়াত সুচল কৰি তোলে। সময়মতে জনপ্ৰতিনিধিৰ পৰা প্ৰয়োজনীয় সহযোগিতা নোপোৱাৰ বাবেই নিজৰ দৈনন্দিন যাতায়াতৰ সমস্যা নিজেই সমাধান কৰিবলৈ বাধ্য হোৱা বুলি স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰে। ৰাইজৰ এই উদ্যোগে একাংশ সচেতন লোকৰ প্ৰশংসা লাভ কৰাৰ বিপৰীতে স্থানীয় জনপ্ৰতিনিধিৰ ভূমিকা সন্দৰ্ভতো প্ৰশ্ন উত্থাপন কৰিছে। ইফালে, পশ্চিম উপৰখুঁটিবাসী ৰাইজে বিধায়ক ভি''ৰ কুমাৰ দাস আৰু বিটিচিৰ কাৰ্যবাহী সদস্য গণেশ কছাৰীক বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰি ক্ষতিগ্ৰস্ত কালভাৰ্টটোৰ স্থায়ী সমাধানৰ বাবে শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# মাজুলীৰ মীন শিল্প সমবায় সমিতিৰ সহযোগত মাজুলীত ‘কৃষি আন্তঃগাঁথনি পুঁজি’ আঁচনিৰ অধীনৰ ট্ৰেক্টৰ প্ৰদান কাৰ্যসূচী

**অসম বাৰ্তা, উজনী মাজুলী, ২ ছেপ্টেম্বৰ ঃ** মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত, মাজুলী মীন শিল্প সমবায় সমিতিৰ সহযোগত আজি মাজুলীৰ ম'হকিনা তিনিআলিত কেন্দ্ৰীয় চৰকাৰৰ অন্যতম কৃষক কল্যাণকামী আঁচনি- কৃষি আন্তঃগাঁথনি পুঁজি (Agriculture Infrastructure Fund—AIF) আঁচনিৰ অধীনৰ ট্ৰেক্টৰ প্ৰদানৰ এক অনুষ্ঠান অনুষ্ঠিত হয়। ঢেকীয়াজুলিৰ মাজুলী মীন শিল্প সমবায় সমিতিক এই ভৰ্তুকি ট্ৰেক্টৰ প্ৰদান কৰি কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে। উল্লেখ্য যে, এই আঁচনিৰ অধীনত মাজুলী মীন শিল্প সমবায় সমিতিয়ে তিনিখন ট্ৰেক্টৰৰ বাবে ইতিমধ্যে আবেদন কৰিছে। সেই অনুসৰি, আজি সমবায় সমিতিখনে আৱেদন কৰা প্ৰথমখন ট্ৰেক্টৰ লাভ কৰিবলৈ সক্ষম হয়। উক্ত, টেক্টৰখন আজি মীন শিল্প সমবায় সমিতিৰ হিতাধিকাৰী হৰিকান্ত দাসক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই কাৰ্যসূচীৰ শুভাৰম্ভণি কৰি জিলা আয়ুক্ত গৰাকীয়ে উপস্থিত কৃষক তথা স্থানীয় ৰাইজক কৃষি খণ্ডত নিজকে নিয়োজিত কৰি নিজৰ আয় অধিক বৃদ্ধিৰ বাবে সমৰ্পিত ভাৱেৰে আগবাঢ়িবলৈ আহ্বান জনায়। তেওঁ লগতে সকলো কৃষকক বিভাগীয় আঁচনি সমূহৰ সুবিধা গ্ৰহণ কৰি তাৰ পৰা লাভান্বিত হ'বলৈ প্ৰচেষ্টা গ্ৰহণৰ আহ্বান জনায়। তেওঁ বিশেষকৈ মাজুলীৰ কৃষি খণ্ডক আধুনিক কৃষি পদ্ধতি প্ৰয়োগেৰে অধিক শক্তিশালী কৰা আৰু আন্তঃগাঁথনিগতভাৱে সুদৃঢ় কৰি তোলাৰ ক্ষেত্ৰত থকা বিভিন্ন সম্ভাৱনীয়তাৰ বিষয়ে উল্লেখ কৰে। মাজুলী মীন শিল্প সমবায় সমিতিৰ অধ্যক্ষ মুকুল হাজৰিকাই আদৰণী ভাষণ দিয়া অনুষ্ঠানত কেইবাজনো মৎস্যজীৱী লোক উপস্থিত থাকে। উল্লেখ্য যে, কৃষি আন্তঃগাঁথনি পুঁজিৰ মূল উদ্দেশ্য হৈছে কৃষি খণ্ডত আধুনিক আন্তঃগাঁথনি গঢ়ি তোলা, শস্য চপোৱাৰ পিছৰ ব্যৱস্থাপনা শক্তিশালী কৰা আৰু কৃষিজাত সামগ্ৰীৰ মূল্য শৃংখল উন্নত কৰা। এই আঁচনিৰ জৰিয়তে কৃষক, কৃষক উৎপাদক সংগঠন (FPO), সমবায় সমিতি, কৃষি উদ্যোগী,



কোম্পানী, ষ্টাৰ্ট আপ আৰু অন্যান্য যোগ্য হিতাধিকাৰীক কৃষি আন্তঃগাঁথনি নিৰ্মাণৰ বাবে কম সুদত বিত্তীয় সাহায্য আগবঢ়োৱা হয়। এই আঁচনিৰ সহায়ত কৃষকে শস্য সংৰক্ষণৰ ব্যৱস্থা উন্নত কৰা, ফচল নষ্ট হোৱাৰ পৰিমাণ হ্ৰাস পোৱা, কৃষকে ভাল দামত শস্য বিক্ৰী কৰিব পৰা, কৃষি-ভিত্তিক উদ্যোগ আৰু মূল্য সংযোজন (Value Addition) বৃদ্ধি আদিৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত গুদামঘৰ, শীতলী ভঁৰাল, পেক-হাউচ, ছৰ্টিং আৰু গ্ৰেডিং ইউনিট, খাদ্য প্ৰক্ৰিয়াকৰণ ইউনিট, কৃষিজাত সামগ্ৰী সংৰক্ষণ আৰু পৰিবহণ ব্যৱস্থা আদি প্ৰকল্পৰ বাবে ২ কোটি টকালৈ ঋণ লাভ কৰিব পাৰিব। য'ত আবেদনকাৰীয়ে ৩% সুদ ৰেহাই (Interest Subvention) লাভ কৰিব। তদুপৰি, যোগ্য প্ৰকল্পত ঋণ গেৰাণ্টীৰ সুবিধাও লাভ কৰিব পাৰে। এই আঁচনিৰ অধীনৰ সুবিধা লাভ কৰিবলৈ আবেদনকাৰীয়ে প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুত কৰি AIF পৰ্টেলত আবেদন কৰিব লাগিব আৰু বেংকত ঋণৰ আবেদন জমা দিব লাগিব। আৰু তাৰ পিছত নথি-পত্ৰ পৰীক্ষাৰ পিছত ঋণ অনুমোদন হ'লে আঁচনিৰ সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব। মাজুলীৰ কৃষি খণ্ডত বিনিয়োগ বৃদ্ধি, কৃষিজাত সামগ্ৰীৰ সংৰক্ষণ আৰু মূল্য সংযোজনৰ আন্তঃগাঁথনি উন্নয়ন তথা কৃষকসকলৰ উপাৰ্জন বৃদ্ধিৰ ক্ষেত্ৰত AIFৰ দৰে আঁচনিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। আজিৰ এই কাৰ্যসূচীত জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজাই কৃষি বিভাগৰ উক্ত আঁচনিসমূহৰ বিষয়ে বিশদভাৱে ব্যাখ্যা কৰে। প্ৰমুখ্যে কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী, মাজুলী মীন শিল্প সমবায় সমিতিৰ অধ্যক্ষ মুকুল হাজৰিকা, বিষয়ববীয়া বিউতি শইকীয়া হাজৰিকা, পিংকি লস্কৰ, জয়ন্ত দাস, হৰিপ্ৰসাদ মিশ্ৰ, বহুতো প্ৰগতিশীল কৃষক তথা স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই মাজুলী মীন শিল্প সমবায় সমিতিৰ অধ্যক্ষ মুকুল হাজৰিকাই।

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা ড° চন্দনা গোস্বামীৰ অৱসৰ




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা ড° চন্দনা গোস্বামী অৱসৰ গ্ৰহণ কৰে। ১৯৯৩ চনৰ ২ এপ্ৰিলত বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপিকা হিচাপে যোগদান কৰি সুদীৰ্ঘ ৩৩ বছৰ ধৰি মহাবিদ্যালয়খনৰ শৈক্ষিক, প্ৰশাসনিক আৰু সামাজিক ক্ষেত্ৰত নিষ্ঠা, সততা আৰু নিঃস্বাৰ্থ সেৱা আগবঢ়াই অহা অধ্যাপিকা ড° চন্দনা গোস্বামীৰ কৰ্মৰাজিৰ কথা উল্লেখ কৰি অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— তেওঁৰ কৰ্মনিষ্ঠা আৰু সৰল-সৌহাদ্যপূৰ্ণ ব্যক্তিত্বই সহকৰ্মীসকলৰ মাজত এক বিশেষ স্থান লাভ কৰিছিল। বুৰঞ্জী বিভাগৰ মুৰব্বী হিচাপে তেওঁ বিভাগটোক সু-সংগঠিত কৰাৰ লগতে মহাবিদ্যালয়ৰ সামগ্ৰিক প্ৰশাসনিক কাম-কাজতো দায়িত্বশীল ভূমিকা পালন কৰিছিল। তেওঁৰ এই অৱদান মহাবিদ্যালয়খনৰ ইতিহাসত সদায় স্মৰণীয় হৈ থাকিব। মহাবিদ্যালয়ৰ অধ্যাপক ড° মৃদুল শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত অধ্যক্ষ গৰাকীয়ে কয় যে শিক্ষকৰ প্ৰকৃত সাফল্য তেওঁৰ পদবী বা সেৱাকালৰ দৈৰ্ঘ্যত নহয়, বৰং তেওঁ কিমানজন শিক্ষাৰ্থীৰ জীৱনক জ্ঞান, মূল্যবোধ আৰু আত্মবিশ্বাসেৰে সমৃদ্ধ কৰিব পাৰিলে তাতহে নিহিত থাকে। সেই অৰ্থত ড°গোস্বামীৰ কৰ্মজীৱন নৱপ্ৰজন্মৰ শিক্ষকসকলৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব বুলি তেওঁ মন্তব্য কৰি অধ্যাপিকা ড° গোস্বামীৰ অৱসৰ জীৱন সুখ, শান্তি আৰু সুস্বাস্থ্যৰে পৰিপূৰ্ণ হোৱাৰ শুভেচ্ছা জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাঙুলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত বিদায়ী অধ্যাপিকা ড° চন্দনা গোস্বামীয়ে ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনত কটোৱা ৩৩ বছৰীয়া কৰ্মজীৱনৰ বিভিন্ন স্মৃতি ৰোমন্থন কৰে। সহকৰ্মী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা লাভ কৰা মৰম, সহযোগিতা আৰু আন্তৰিকতাৰ বাবে তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰি কানৈ মহাবিদ্যালয়ৰ সৈতে জড়িত হৈ থকা সময়ছোৱা তেওঁৰ জীৱনৰ এক অমূল্য অধ্যায় বুলি অভিহিত কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, অধ্যাপিকা ড° সঞ্চিতা বৰুৱা, অধ্যাপিকা ড° মৰমী তালুকদাৰ, অধ্যাপিকা ড° মিতালী চলিহা, অধ্যাপক ড° দেৱাঞ্জন হাজৰিকা, অধ্যাপিকা ড° নিতুমণি শইকীয়া, অধ্যাপক ড° উত্তম মহনে ড° চন্দনা গোস্বামীৰ সৈতে কটোৱা কৰ্মজীৱনৰ স্মৃতি ৰোমন্থন কৰি তেওঁৰ সৰলতা, কৰ্তব্যনিষ্ঠা, সহৃদয়তা আৰু সহকৰ্মীসকলৰ প্ৰতি থকা আন্তৰিকতাৰ কথা উল্লেখ কৰে। কৰ্মচাৰীসকলৰ ফালৰ পৰা ভুৱনজ্যোতি বৰুৱা, নমিতা শইকীয়া, প্ৰশান্ত মাঝিৰি শইকীয়া আৰু দিগন্ত বৰুৱাইও বিদায়ী অধ্যাপিকা গৰাকীৰ সৈতে থকা স্মৃতি আৰু অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত মহাবিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা বিদায়ী অধ্যাপিকা ড° চন্দনা গোস্বামীক ফুলাম গামোচা, চেলেং চাদৰ আৰু সম্বৰ্ধনা পত্ৰৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ সভাপতি, সম্পাদককে ধৰি ভালেসংখ্যক কৰ্মচাৰী উপস্থিত থাকে। উল্লেখ্য যে ২৭ আগষ্টৰ দিনাও বুৰঞ্জী বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত অধ্যাপিকা ড° চন্দনা গোস্বামীৰ এক ব্যতিক্ৰমী বিদায় সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হৈ যায়।

### অসমীয়া যুৱ মঞ্চৰ স্মাৰক পত্ৰ প্ৰদান; দাবী পূৰণ নহ'লে তীব্ৰ আন্দোলন হুংকাৰ

# ক্ষতিপূৰণৰ পৰা বঞ্চিত মোমাই তামোলী পঞ্চায়তৰ বানাক্ৰান্ত

**অসম বাৰ্তা, চেলেংহাট, ১ ছেপ্টেম্বৰ ঃ** যোৱা ১৯ আগষ্টৰ প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত হোৱা শিৱসাগৰ জিলাৰ আমগুৰি ৰাজহচক্ৰৰ অন্তৰ্গত মোমাইতামোলী গাঁও পঞ্চায়তৰ ১০নং ৱাৰ্ডৰ বাসিন্দা সকল আজিও বঞ্চিত প্ৰাপ্য ক্ষতিপূৰণৰ পৰা। উল্লেখযোগ্য যে, বানপানীয়ে গাওঁ পঞ্চায়তখনৰ ১০ নং ৱাৰ্ডৰ অধিকাংশ বাসিন্দাই বানৰ কৱলত পৰি ক্ষতিগ্ৰস্ত হৈছিল। উত্থাপিত অভিযোগ অনুসৰি বানাক্ৰান্ত পৰিয়ালসমূহৰ জৰীপ কৰোঁতে সংঘটিত হোৱা বিসংগতিৰ বাবে প্ৰকৃত বানাক্ৰান্তই ক্ষতিপূৰণ পোৱাৰ পৰা বঞ্চিত হোৱাৰ সম্ভাৱনা দেখা গৈছে। আজি অসমীয়া যুৱ মঞ্চৰ আমগুৰি আঞ্চলিক সমিতিয়ে এই সন্দৰ্ভত আমগুৰি ৰাজহ চক্ৰ বিষয়াক এক স্মাৰকপত্ৰ প্ৰদান কৰে। অসমীয়া যুৱ মঞ্চৰ আমগুৰি আঞ্চলিক সমিতিৰ মুখ্য উপদেষ্টা আকাশ শইকীয়া, সভাপতি প্ৰাঞ্জল হাজৰিকা, সাধাৰণ সম্পাদক অংকুৰ গগৈ আৰু সহকাৰী সম্পাদক জিকু দাস স্বাক্ষৰিত স্মাৰকপত্ৰ খনত মোমাই তামোলী গাঁও পঞ্চায়তৰ ১০ নং ৱাৰ্ডৰ বানাক্ৰান্ত ৰাইজৰ ক্ষতিপূৰণ পোৱাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে দাবী জনাইছে। অন্যাথাই সংগঠনটোৱে গণতান্ত্ৰিক উপায়েৰে তীব্ৰ প্ৰতিবাদ গঢ়ি তুলিবলৈ বাধ্য হব বুলি স্মাৰকপত্ৰ খনত উল্লেখ কৰে।

# ৪৬ তম্ নৰোত্তম বৰ্মন ফুটবলত অইল ইণ্ডিয়া এফচি ছেমি ফাইনেলত প্ৰৱেশ

**অসম বাৰ্তা, চামতা, ২ ছেপ্টেম্বৰ ঃ** চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত সংঘৰ নৱনিৰ্মিত ষ্টেডিয়ামৰ খেল পথাৰত চলি থকা সৰ্বভাৰতীয় ফুটবল ফেডাৰেশ্বনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত ৪৬ সংখ্যক নৰোত্তম বৰ্মন সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজিৰ তীব্ৰ উত্তেজনাপূৰ্ণ শেষৰখন কোৱাৰ্টাৰ ফাইনেল খেলত অইল ইণ্ডিয়া দুলিয়াজানে টাইব্ৰেকাৰৰ সহায়ত পৰাজিত কৰি ছেমি ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰে। খেলৰ ৬ মিনিটত অইল ইণ্ডিয়াৰ জাংমিনলুন কুকিয়ে প্ৰথমটো গ'ল দি দলক বিৰতিৰ সময়লৈকে ১ গ'লৰ অগ্ৰগতি প্ৰদান কৰে যদিও খেলৰ ৫৪ মিনিটত ৰেডিয়েন্স একাডেমীৰ হৈ মহেশ সিঙে গ'ল পৰিশোধ কৰে। খেলৰ ৭৫ মিনিটত অইল ইণ্ডিয়াই এটা পেনাল্টি কিকৰ সুযোগ লাভ কৰে। সুযোগৰ সদ্ব্যৱহাৰ কৰি ২৬ নং জাৰ্চি পৰিহিত ঋতুৰাজ মোহনে পুনৰ এটা স্কৰ কৰি দলৰ ব্যৱধান ২-১ লৈ বৃদ্ধি কৰে যদিও খেলৰ ৮১মিনিটত ৰিডিয়েন্স একাডেমীৰ হৈ দিনাৰ নাৰ্জাৰীয়ে দিয়া গ'লৰ সহায়ত পুনৰ সমতা স্থাপন কৰাৰ ফলত অমিমাংসিতভাৱে নিৰ্ধাৰিত সময় সমাপ্ত হোৱাৰ পাছত ৰেফাৰীয়ে টাইব্ৰেকাৰৰ সহায় ল'য়। টাই ব্ৰেকাৰত দলে জয়লাভ কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। অইল ইণ্ডিয়া, নয়দা, উত্তৰ প্ৰদেশ, এন. আৰ. এল. গুৱাহাটী আৰু গুৱাহাটী ৰিফাইনাৰীৰ আৰ্থিক সাহায্যৰে চলি অহা তথা চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ দ্বাৰা পৰিচালিত আৰু সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত ৪৬ সংখ্যক নৰোত্তম বৰ্মন সোঁৱৰণী বিজয়ী ট্ৰফী, ৰনীধৰ বৰ্মন সোঁৱৰণী বিজিত ট্ৰফী আৰু প্ৰমোদ পাটোৱাৰী সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ বিজেপিৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক পুলক কুমাৰ শৰ্মাই। আজিৰ খেলখন পৰিচালনা কৰে মইদুল ইছলাম, মনিপ্ৰিন্স হাজৰিকা, জয়ন্ত দত্ত আৰু নৱজিৎ কলিতাই। অহা ৩ চেপ্তেম্বৰত অনুষ্ঠিত হবলগীয়া প্ৰথমখন ছেমি ফাইনেল খেলত অইল ইণ্ডিয়া দুলিয়াজনৰ বিৰুদ্ধে এন এফ ৰে'লৱে দলে প্ৰতিদ্বণ্ডিতা আগবঢ়াব।

### অভয়পুৰীয়াত ৰাসায়নিক সাৰ বিতৰণ পদ্ধতিৰ সজাগতা সভা

# বান ক্ষতিগ্ৰস্তসকলৰ মাজত কঠীয়া বিতৰণ

**অসম বাৰ্তা, চেলেংহাট, ২ ছেপ্টেম্বৰ ঃ** জলপ্ৰলয়ে বিধ্বস্ত কৰা ক্ষতি গ্ৰস্ত সকলৰ বাবে ম'ৰাবজাৰৰ অভয়পুৰীয়াত সিঁচা কঠীয়া আজিৰে পৰা বিতৰণ কৰা হৈছে। জামুগুৰি কৃষি চক্ৰৰ সহযোগত অভয়পুৰীয়া গাঁৱৰ গাঁওপ্ৰধান আৰু কেইবাজনো ব্যক্তিৰ প্ৰচেষ্টাত কঠীয়া সমূহ সিঁচা হৈছিল। সিংহ দুৱাৰ, কাশিবাৰী, চাৰিং গজপুৰীয়া, চাৰিং বাৰুৱতী, চিন্তামনি গড়, কলিয়ৰি, ফুলপানীছিগা আদিকে ধৰি কেইবাটাও অঞ্চলৰ প্ৰায় কুৰি গৰাকী কৃষকৰ মাজত প্ৰত্যেককে পোন্ধৰ ফেৰাকৈ কঠীয়া বিতৰণ কৰা হয়। আজি কঠীয়া বিতৰণ কাৰ্যসূচীত জামুগুৰি কৃষি উন্নয়ন ৱিষয়া হৰিপ্ৰিয়া বৰা, কৃষি সম্পসাৰণ সহায়ক প্ৰজ্ঞানদ্বীপ গগৈ, গাঁওপ্ৰধান ৰিতুকল্প গোহাঁই, ৰূপকুমাৰ চেতিয়া. প্ৰদীপ গগৈ, বিদ্যুত বৰুৱা, মনোৰঞ্জন শইকীয়, প্ৰাঞ্জল বড়া লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। আনহাতে আজি অভয়পুৰীয়া সম্প্ৰীতি সংঘত জামুগুৰি কৃষি চক্ৰৰ উদ্যোগত ৰাসায়নিক সাৰ বিতৰণৰ নতুন পদ্ধতিৰ সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাৰ আঁত ধৰে কৃষি সম্প্ৰসাৰণ সহায়ক প্ৰজ্ঞানদ্বীপ গগৈয়ে। সজাগতা সভাত কৃষি উন্নয়ন বিষয়া হৰিপ্ৰিয়া বৰা উপস্থিত থাকি সাৰ বিতৰণৰ নতুন পদ্ধতিৰ সন্দৰ্ভত বিস্তৃত ব্যাখা আগবঢ়ায়। সভাত জামুগুৰি কৃষি চক্ৰৰ কৃষি সম্প্ৰসাৰণ নিলোৎপল কলিতা, জীৱকান্ত কপটাক, পম্পী ফুকন আৰু প্ৰিয়াঙ্কী হাজৰিকা উপস্থিত থাকে।

### আমগুৰি ক্ৰীড়া সন্থাৰ উদ্যোগত ৪৩তম্ অভীৰুচি ক্ৰীড়া দিৱসৰ আয়োজন

**অসম বাৰ্তা, চেলেংহাট, ২ ছেপ্টেম্বৰ ঃ** বিগত প্ৰায় চল্লিশ বছৰ ধৰি ধাৰাবাহিকভাৱে উদ্‌যাপন কৰি অহাৰ দৰে এইবাৰো আমগুৰি ক্ৰীড়া সন্থাৰ উদ্যোগত অহা ৩ ছেপ্তেম্বৰত ৪৩তম্ অভীৰুচি ক্ৰীড়া দিৱস উদ্‌যাপনৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, সমগ্ৰ অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী অৰ্জুন বঁটা প্ৰাপক কিংবদন্তি ক্ৰীড়াবিদ ভূগেশ্বৰ বৰুৱাৰ জন্মদিনৰ লগত সংগতি ৰাখি ৩ ছেপ্তেম্বৰ তাৰিখে অভীৰুচি ক্ৰীড়া দিৱস উদ্‌যাপন কৰা হয়। আমগুৰি মিনি ষ্টেডিয়ামত পুৱা ৬: ৩০ বজাত পতাকা উত্তোলনৰ মাজেৰে দিৱসৰ কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পিছত ১ম শ্ৰেণীৰ পৰা ৪ৰ্থ শ্ৰেণী, ৫ম শ্ৰেণীৰ পৰা ৭ম শ্ৰেণী, ৮ম শ্ৰেণীৰ পৰা ১০ম শ্ৰেণী আৰু মুকলি শাখা ভিত্তিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাৰ অনুষ্ঠিত হ'ব। ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে সবিশেষ জানিবলৈ ৯৮৫৯৭৭৪৯৯২ আৰু ৬৯০০৮২২৬১৯নম্বৰত যোগাযোগ কৰিব পাৰিব। ক্ৰীড়া দিৱসৰ সকলো কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আমগুৰি ক্ৰীড়া সন্থাৰ তৰফৰ পৰা আন্তৰিকতাৰে কামনা কৰা হৈছে।

# ডবকাত হোজাই জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ নৱ-নিৰ্বাচিত সমিতিৰ শপত গ্ৰহণ

**অসম বাৰ্তা, ডবকা, ২ ছেপ্টেম্বৰ ঃ** হোজাই জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ নৱ-নিৰ্বাচিত সমিতিৰ শপত গ্ৰহণ অনুষ্ঠান মঙলবাৰে ডবকা বিদ্যামন্দিৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। জিলাখনৰ মধ্য ইংৰাজী বিদ্যালয় সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ বিভিন্ন সমস্যা, ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ক্ষেত্ৰৰ সমস্যা আৰু শিক্ষাৰ মান উন্নয়নৰ বিভিন্ন দিশক কেন্দ্ৰ কৰি অনুষ্ঠিত সভাখনে বিশেষ তাৎপৰ্য বহন কৰে। সংস্থাৰ প্ৰাক্তন সভাপতি সঞ্জয় দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক আব্দুল খালিক লস্কৰে। সভাৰ আৰম্ভণিতে উপস্থিত নৱ-নিৰ্বাচিত বিষয়ববীয়া আৰু অতিথি সকলক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ মূল কাৰ্যসূচী হিচাপে নৱ-নিৰ্বাচিত সমিতিৰ বিষয়ববীয়া




সকলৰ শপত গ্ৰহণ অনুষ্ঠিত হয়। সংস্থাৰ প্ৰাক্তন বিষয়ভবীয়া শ্ৰীযুত মাখন চন্দ্ৰ বিশ্বাসে নৱ-নিৰ্বাচিত সভাপতি শ্ৰী পৰিতোষ দাস, সাধাৰণ সম্পাদক আব্দুল খালিক লস্কৰ, উপ-সভাপতি চাবিৰ আহমেদ, সহকাৰী সাধাৰণ সম্পাদক শ্যাম কিশোৰ সিংহ, আব্দুল চুবুৰ, ৰাজ্যিক সদস্য খলিলুৰ ৰহমানসহ মুঠ ৩১ জনীয়া নৱ-নিৰ্বাচিত সমিতিখনক শপত বাক্য পাঠ কৰোৱায়। শপত গ্ৰহণৰ জৰিয়তে নৱ-নিৰ্বাচিত সমিতিৰ বিষয়ববীয়া সকলে শিক্ষক সমাজৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে শিক্ষাৰ মান উন্নয়ন, বিদ্যালয় সমূহৰ বিভিন্ন সমস্যা সমাধান আৰু ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক বিকাশৰ বাবে ঐক্যবদ্ধভাৱে কাম কৰাৰ সংকল্প গ্ৰহণ কৰে। সভাত জিলাখনৰ মধ্য ইংৰাজী বিদ্যালয় সমূহত শিক্ষক সকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। শিক্ষক সকলৰ বিভিন্ন শৈক্ষিক আৰু প্ৰশাসনিক সমস্যা, বিদ্যালয় সমূহৰ আন্তঃগাঁথনি, শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱ, শৈক্ষিক পৰিৱেশ উন্নত কৰা আৰু বিদ্যালয় পৰিচালনাৰ সৈতে জড়িত বিভিন্ন বিষয় সভাত উত্থাপন কৰা হয়। ইয়াৰ সমান্তৰাল ভাৱে ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক সমস্যা, বিদ্যালয়ত প্ৰয়োজনীয় সা-সুবিধাৰ অভাৱ, পাঠদানৰ পৰিৱেশ অধিক উন্নত কৰা, নিয়মীয়া উপস্থিতি নিশ্চিত কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰতো আলোচনা কৰা হয়। শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত অধিক দায়িত্বশীল আৰু সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। সভাত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা সমূহ পৰ্যায়ক্ৰমে সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰি সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হয়। লগতে বিদ্যালয় সমূহৰ শৈক্ষিক পৰিৱেশ অধিক সুস্থ আৰু উন্নত কৰি তোলাৰ বাবে শিক্ষক সমাজৰ মাজত অধিক সমন্বয় আৰু ঐক্য গঢ়ি তোলাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। নৱ-নিৰ্বাচিত সমিতি খনে আগন্তুক দিনত জিলাখনৰ মধ্য ইংৰাজী বিদ্যালয় সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সমস্যা সমাধানৰ লগতে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উন্নয়নৰ বাবে সক্ৰিয় ভাৱে কাম কৰাৰ আশা প্ৰকাশ কৰে। সভাৰ অন্তত উপস্থিত শিক্ষক-শিক্ষয়িত্ৰী সকলে নতুন সমিতিখনক অভিনন্দন জনাই আগন্তুক কাৰ্যকালৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

### প্ৰথম মৃত্যু বাৰ্ষিকীত অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিক সংগীত প্ৰতিযোগিতা

# বোকাখাতত স্থাপন হ'ব ‘প্ৰাণৰ শিল্পী’ জুবিন গাৰ্গৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি

**অসম বাৰ্তা, নুমলীগড়, ২ ছেপ্টেম্বৰ ঃ** বোকাখাতৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাৰ আৰ্থিক অনুদানেৰে হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী তথা সংগীতৰ ৰাজপুত্ৰ জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে বোকাখাত নাট্য মন্দিৰ চৌহদত স্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে শিল্পীগৰাকীৰ এটি পূৰ্ণাংগ প্ৰতিমূৰ্তি। ডিব্ৰুগড়ৰ প্ৰখ্যাত ভাস্কৰ্য শিল্পী যদুমনি গগৈৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছে প্ৰাণভৰা হাঁহিৰে উজ্জ্বল জুবিন গাৰ্গৰ এই পূৰ্ণাংগ প্ৰতিমূৰ্তি। অহা ১৯ ছেপ্টেম্বৰত জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ দিনটোতে বোকাখাত নাট্য মন্দিৰ চৌহদত প্ৰতিমূৰ্তিটো আনুষ্ঠানিকভাৱে উন্মোচন কৰাৰ পৰিকল্পনা কৰা হৈছিল। কিন্তু শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ অনুপস্থিতিৰ বাবে উক্ত দিনাৰ প্ৰতিমূৰ্তি উন্মোচন কাৰ্যসূচী বাতিল কৰা হৈছে যদিও ১৯ ছেপ্টেম্বৰৰ দিনটোতে জুবিন গাৰ্গৰ কথা, গীত আৰু সুৰৰ আধাৰত সদৌ অসম ভিত্তিত এক সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। জুবিনৰ সৃষ্টি আৰু সংগীতৰ জগতখন নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ লগতে শিল্পীগৰাকীৰ স্মৃতি সজীৱ কৰি ৰখাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাখনৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে ডিব্ৰুগড়ৰ ভাস্কৰ্য শিল্পী যদুমনি গগৈয়ে ইতিমধ্যে জুবিন গাৰ্গৰ কেইবাটিও প্ৰতিমূৰ্তি নিৰ্মাণ কৰি উলিয়াইছে। প্ৰতিটো প্ৰতিমূৰ্তিতে শিল্পীগৰাকীৰ জীৱন্ত ৰূপ ফুটাই তোলাৰ চেষ্টা কৰা ভাস্কৰ্য শিল্পীগৰাকীয়ে বোকাখাতত স্থাপন হ'বলগীয়া প্ৰতিমূৰ্তিটোত জুবিনৰ চিৰপৰিচিত প্ৰাণভৰা হাঁহিমুখীয়া ৰূপটো প্ৰতিফলিত কৰিছে। মঙলবাৰে নিশা ডিব্ৰুগড়ৰ পৰা প্ৰতিমূৰ্তিটো বোকাখাত নাট্য মন্দিৰলৈ অনা হয়। ইতিমধ্যে প্ৰতিমূৰ্তিটো স্থাপনৰ বাবে নাট্য মন্দিৰ চৌহদত এটি স্থান সুন্দৰকৈ তৈয়াৰ কৰা হৈছে। সেই স্থানৰে নিৰ্মাণৰত স্তম্ভত স্থাপনৰ লাগে লগে মূৰ্তিটোৰ শেষ পৰ্যায়ৰ কাম-কাজ সম্পন্ন কৰা হ'ব। জুবিন গাৰ্গৰ এই পূৰ্ণাংগ প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবে বোকাখাতৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাই বিধায়ক পুঁজিৰ পৰা ১০ লাখ টকা আগবঢ়াইছে। ইয়াৰ উপৰি স্থানীয় বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়েও আৰ্থিকভাৱে সহযোগিতা আগবঢ়াইছে। বোকাখাতত স্থাপন হ'বলগীয়া এই প্ৰতিমূৰ্তিটোৱে অসমৰ সংগীত জগতৰ অন্যতম প্ৰভাৱশালী শিল্পী জুবিন গাৰ্গৰ স্মৃতি চিৰদিনলৈ সজীৱ কৰি ৰাখিব।

## সম্পাদকীয়

# পথৰ সুৰক্ষা, টৌল সংগ্ৰহ আৰু প্ৰশাসনীয় দায়বদ্ধতা

শেহতীয়াকৈ ক্ষেত্ৰীত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনা আৰু ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ জৰাজীৰ্ন অৱস্থাক লৈ সমগ্ৰ অসমজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জনসাধাৰণৰ এই প্ৰতিক্ৰিয়া আৰু উদ্বেগৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ মতামত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীৰ মতে, জুন-জুলাই-আগষ্ট মাহৰ অত্যাধিক বান-বৰষুণৰ বাবে প্ৰতিবছৰে পথসমূহৰ অৱস্থা বেয়া হয় আৰু ইয়াৰ বাবে কাকো এককভাৱে দোষাৰোপ কৰিব নোৱাৰি। দুৰ্গা পূজাৰ পূৰ্বেই ৰাজ্যৰ সকলো পথ মেৰামতি কৰা হ'ব বুলিও তেওঁ আশ্বাস প্ৰদান কৰে। লগতে, টৌল সংগ্ৰহৰ সমৰ্থনত যুক্তি দৰ্শাই তেওঁ কয় যে এই সংগ্ৰহৰ বিনিময়তে ৰাজ্যত টানেল বা কাজিৰঙাৰ দৰে এলিভেটেড কৰিড'ৰৰ বৃহৎ প্ৰকল্প সম্ভৱ হৈ উঠিছে। ক্ষেত্ৰীৰ দুৰ্ঘটনাটো কেৱল পথৰ গাঁতৰ বাবে হোৱা নাই, বৰঞ্চ চালকৰ অনিয়ন্ত্ৰিত গতি আৰু অসাবধানতাও ইয়াৰ মূল কাৰণ বুলি তেওঁ আঙুলিয়াই দিয়ে।

মুখ্যমন্ত্ৰীৰ এই বক্তব্যই বিষয়টোৰ এটা দিশ উন্মোচিত কৰিছে যদিও সাধাৰণ নাগৰিকৰ মনত সংশয় আৰু প্ৰশ্নৰ অন্ত পৰা নাই। চৰকাৰ আৰু প্ৰশাসনৰ যুক্তিক একাষৰীয়া কৰিব নোৱাৰি; চালকৰ দায়িত্বজ্ঞানহীনতা, মদ্যপান কৰি বাহন চলোৱা, বা অত্যধিক গতি নিশ্চয়কৈ দুৰ্ঘটনাৰ প্ৰধান কাৰক। কিন্তু কেৱল চালকৰ ভুলকেই দুৰ্ঘটনাৰ একমাত্ৰ কাৰণ হিচাপে উপস্থাপন কৰিলে পথ ব্যৱস্থাপনাৰ মূল খামখেয়ালীবোৰ ঢাকি ৰখা হয়নেকি? প্ৰতিবছৰে বৰষুণ হোৱাটো অসমৰ বাবে কোনো নতুন কথা নহয়, তেন্তে প্ৰতিবছৰে কোটি কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰা পথবোৰ প্ৰথমজাক বৰষুণতেই কিয় খহি পৰে? পথ নিৰ্মাণৰ গুণগত মান আৰু ব্যৱহৃত সামগ্ৰীৰ স্থায়িত্বক লৈ ৰাইজে প্ৰশ্ন তোলাটো কোনো অস্বাভাৱিক কথা নহয়। নিয়মীয়াকৈ চৰকাৰক কৰ আৰু টৌল গেটত টেক্স দি থকা নাগৰিকে একোটা মেৰামতিহীন, বিপদসংকুল পথত যাত্ৰা কৰিবলৈ কিয় বাধ্য হ'ব লাগে, সেয়াহে আজিৰ ডাঙৰ প্ৰশ্ন। টৌল টেক্স সংগ্ৰহৰ জৰিয়তে ৰাজ্যলৈ ডাঙৰ আন্তঃগাঁথনিমূলক প্ৰকল্প আহিছে— এই কথা সত্য, কিন্তু যিবোৰ পথৰ বাবে প্ৰতিদিনে নাগৰিকে নগদ ধন আদায় দিয়ে, সেই পথসমূহ সুৰক্ষিত আৰু গাঁত মুক্ত কৰি ৰখা নিৰ্মাণকাৰী সংস্থা আৰু চৰকাৰৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য। টৌল আদায় দিয়াৰ পাছতো যদি এটা সৰু গাঁতৰ বাবে বা পথৰ স্পষ্ট দিশ-নিৰ্দেশনা আৰু উপযুক্ত ডিভাইডাৰৰ অভাৱত জীৱন দিব ল'বলগীয়া হয়, তেন্তে সেই বিকাশৰ প্ৰকৃত সুফল ৰাইজে কেনেকৈ অনুভৱ কৰিব?

পথ সুৰক্ষা নিশ্চিত কৰিবলৈ হ'লে এক সৰ্বাংগীণ দৃষ্টিভংগীৰ প্ৰয়োজন। ইয়াৰ বাবে কেৱল এটা পক্ষক দোষ দিলে সমস্যাৰ সমাধান নহ'ব। এফালে যেনেকৈ প্ৰতিগৰাকী চালকে গতি নিয়ন্ত্ৰণ কৰা, হেলমেট আৰু ছিটবেল্ট ব্যৱহাৰ কৰা, আৰু সুৰাপানৰ পৰা বিৰত থাকি নিজৰ দায়িত্ব পালন কৰিব লাগিব, ঠিক তেনেকৈয়ে আনফালে পথ নিৰ্মাণত হোৱা দুৰ্নীতি আৰু নিম্নমানৰ কাম বন্ধ কৰিব লাগিব। বাৰিষাৰ অজুহাত দেখুৱাই দায় সৰাৰ পৰিৱৰ্তে উন্নত প্ৰযুক্তিৰে জলনিষ্কাশন ব্যৱস্থা সমৃদ্ধ পথ নিৰ্মাণত চৰকাৰে গুৰুত্ব দিয়াটো জৰুৰী। একেদৰে টৌল সংগ্ৰহকাৰী সংস্থাসমূহক ৰাস্তা সদায় উন্নত অৱস্থাত ৰাখিবলৈ বাধ্য কৰোৱাৰ লগতে আৰক্ষী প্ৰশাসনেও স্পীড লিমিট তদাৰক কৰা আৰু ট্ৰাফিক নিয়ম উলংঘাকাৰীক শাস্তি দিয়াৰ ক্ষেত্ৰত অধিক কঠোৰ হ'ব লাগিব।

দুৰ্গা পূজাৰ পূৰ্বে পথসমূহ মেৰামতি কৰাৰ যি আশ্বাস মুখ্যমন্ত্ৰীয়ে দিছে, সেয়া সাময়িক লেপ দিয়া তথা খৰতকীয়া মেৰামতি হ'ব নালাগে। ৰাইজক লাগে এক স্থায়ী সমাধান আৰু সুৰক্ষিত যাত্ৰাৰ নিশ্চয়তা। কাৰণ প্ৰতিটো দুৰ্ঘটনাত হেৰাই যোৱা প্ৰাণবোৰ কেৱল পৰিসংখ্যা নহয়, একো একোটা পৰিয়ালৰ মেৰুদণ্ড। বিকাশ আৰু আধুনিকতাৰ দৌৰত যাতে সাধাৰণ মানুহৰ জীৱনৰ মূল্য ক্ৰমান্বয়ে ম্লান হৈ নাযায়, তাৰ প্ৰতি চৰকাৰ আৰু ৰাইজ— দুয়ো পক্ষই সমান সচেতন আৰু দায়বদ্ধ হোৱাটো অত্যন্ত বাধ্যতামূলক।

# ভাৰতীয় শ্ৰেণীকোঠাত কৃত্ৰিম বুদ্ধিমত্তাৰ নৱজাগৰণ

একবিংশ শতিকাৰ তৃতীয়টো দশকত ভৰি দিয়াৰ লগে-লগে ভাৰতৰ শিক্ষা ব্যৱস্থাই এক ঐতিহাসিক আৰু যুগান্তকাৰী পৰিৱৰ্তনৰ সন্মুখীন হৈছে। বিগত কেইবাটাও দশক ধৰি ভাৰতীয় শিক্ষণ ব্যৱস্থাত প্ৰচলিত গতানুগতিক মুখস্থ বিদ্যা, পৰীক্ষানিৰ্ভৰ মূল্যায়ন আৰু প্ৰতিজন ছাত্ৰৰ প্ৰতি শিক্ষকৰ ব্যক্তিগত মনোযোগৰ অভাৱ এক দীৰ্ঘদিনীয়া প্ৰত্যাহ্বান হিচাপে বিবেচিত হৈ আহিছিল। এই সীমাবদ্ধতাৰ মাজতে দেশৰ আধুনিক পাঠদান ব্যৱস্থাত ক্ৰমান্বয়ে এক নীৰৱ অথচ গভীৰ বিপ্লৱৰ সূচনা কৰিছে আধুনিক প্ৰযুক্তিয়ে, যাৰ মূল চালিকাশক্তি হৈছে কৃত্ৰিম বুদ্ধিমত্তা বা 'আৰ্টিফিচিয়েল ইণ্টেলিজেন্স' (AI)। আজিৰ দিনত কৃত্ৰিম বুদ্ধিমত্তা কেৱল বিজ্ঞান কল্পকাহিনী বা উচ্চ পৰ্যায়ৰ গৱেষণাগাৰৰ মাজতে আৱদ্ধ হৈ থকা নাই, বৰঞ্চ ই আমাৰ দেশৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ শ্ৰেণীকোঠাৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। এই প্ৰযুক্তিগত উত্তৰণ কেৱল পাঠ্যপুথিৰ ডিজিটাইজেচন কৰাৰ এক সাধাৰণ প্ৰক্ৰিয়া নহয়, ই হৈছে শতকোটিৰো অধিক শিক্ষাৰ্থীৰ শৈক্ষিক যাত্ৰাক ব্যক্তিগত সামৰ্থ্য, সৃজনশীলতা আৰু অন্তৰ্ভুক্তিমূলক দৃষ্টিভংগীৰে নৱৰূপ দিয়াৰ এক অভিলাষী পদক্ষেপ।

> চৰকাৰী পৰিকল্পনা অনুসৰি সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত সকলো ২২টা ভাষাতে উন্নত এআই মডেল উপলব্ধ কৰাৰ কাম পূৰ্ণগতিত চলি আছে। ইয়াৰ ফলত অসমৰ গ্ৰামাঞ্চলত বাস কৰা এজন অসমীয়া মাধ্যমৰ ছাত্ৰই দেশৰ মহানগৰসমূহৰ ছাত্ৰ-ছাত্ৰীৰ সমপৰ্যায়ৰ বি শ্মানৰ শৈক্ষিক সমল নিজৰ মাতৃভাষাতে লাভ কৰিবলৈ সক্ষম হৈছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ ডিজিটেল প্লেটফৰ্ম 'দীক্ষা' (DIKSHA)ত ইতিমধ্যে জেনেৰেটিভ এআইৰ সংযোজনেৰে বিশেষ ব্যৱস্থা আৰম্ভ কৰা হৈছে, যাৰ জৰিয়তে দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চমানৰ অডিঅ' সুবিধা আৰু বুদ্ধিমান চাৰ্ট ব্যৱস্থা সুনিশ্চিত কৰা হৈছে। কেৱল ভাষিক সমতাই নহয়, বিশেষভাৱে সক্ষম বা বিশেষ শিক্ষণ প্ৰয়োজনীয়তা থকা শিশুসকলৰ বাবেও কৃত্ৰিম বুদ্ধিমত্তাই আশাৰ নতুন কিৰণ কঢ়িয়াই আনিছে। ভাৰতত দীৰ্ঘদিন ধৰি বিশেষ প্ৰশিক্ষিত শিক্ষকৰ যথেষ্ট অভাৱ অনুভৱ হৈ আহিছে। এনে পৰিপ্ৰেক্ষিতত এআই চালিত শিক্ষণ সঁজুলিয়ে ডিচলেক্সিয়া (Dyslexia) বা অটিজম (Autism) আদি বিকাৰ থকা শিশুসকলৰ মনস্তাত্বিক স্থিতি বুজি তেওঁলোকৰ নিজস্ব গতি আৰু ৰুচি অনুসৰি পাঠদান আগবঢ়োৱাত সহায় কৰিছে।

ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০, এই বৌদ্ধিক আৰু আধুনিক ৰূপান্তৰৰ ভেটি সুদৃঢ় কৰিছিল। এই নীতিত কম্পিউটেশ্যনেল চিন্তাধাৰা আৰু কৃত্ৰিম বুদ্ধিমত্তাক কেৱল উচ্চশিক্ষাৰ বিশেষ পাঠ্যক্ৰম হিচাপে গণ্য নকৰি প্ৰাথমিক পৰ্যায়ৰ পৰাই অপৰিহাৰ্য দক্ষতা হিচাপে গঢ়ি তোলাৰ স্পষ্ট নিৰ্দেশনা দিয়া হৈছিল। নীতিগত পৰ্যায়ৰ পৰা বাস্তৱিক পৰ্যায়লৈ পৰিৱৰ্তিত হোৱা এই যাত্ৰাই বৰ্তমান অতি দ্ৰুত গতি লাভ কৰিছে। দেশৰ আগশাৰীৰ শিক্ষা বোৰ্ড 'কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ' (CBSE)-য়ে শেহতীয়াকৈ এক সুদূৰপ্ৰসাৰী পৰিকল্পনা গ্ৰহণ কৰিছে। এই পৰিকল্পনা অনুসৰি ২০২৬-২০২৭ শৈক্ষিক বৰ্ষৰ পৰা তৃতীয় শ্ৰেণীৰ পৰাই কম্পিউটেশ্যনেল থিংকিং আৰু প্ৰাথমিক এআই সাক্ষৰতাৰ সূচনা কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। একেদৰে ২০২৭-২০২৮ বৰ্ষৰ পৰা নৱম আৰু দশম শ্ৰেণীৰ সকলো শিক্ষাৰ্থীৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাক এক বাধ্যতামূলক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰাৰ যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই নীতিগত পদক্ষেপে স্পষ্ট কৰি তুলিছে যে আধুনিক বিশ্বত মৌলিক সাক্ষৰতা আৰু সংখ্যাজ্ঞানৰ দৰেই এলগৰিদম, তথ্য বিশ্লেষণ আৰু প্ৰযুক্তিৰ ব্যৱহাৰিক জ্ঞান আয়ত্ত কৰাটো ভৱিষ্যতৰ নাগৰিকসকলৰ বাবে অতি প্ৰয়োজনীয় হৈ পৰিছে। ভাৰতৰ শিক্ষা ব্যৱস্থাত এআইৰ প্ৰয়োগৰ আটাইতকৈ তাৎপৰ্যপূৰ্ণ দিশটো হৈছে সামাজিক আৰু ভাষিক অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত ইয়াৰ অনবদ্য ভূমিকা। এখন বিশাল আৰু বহুভাষিক দেশত পাঠ্যক্ৰমৰ ভাষিক ভিন্নতা দীৰ্ঘদিন ধৰি এক ডাঙৰ বাধা হিচাপে পৰিগণিত হৈ আহিছিল। কিন্তু ৰাষ্ট্ৰীয় পৰ্যায়ৰ 'ইণ্ডিয়া এআই মিছন' আৰু 'ভাষিণী' (Bhashini) তথা 'ভাৰতজেন' (BharatGen) আদি বহুমুখী প্ৰকল্পৰ জৰিয়তে এই বাধা ক্ৰমাগতভাৱে অপসাৰিত হ'বলৈ ধৰিছে।



চৰকাৰী পৰিকল্পনা অনুসৰি সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত সকলো ২২টা ভাষাতে উন্নত এআই মডেল উপলব্ধ কৰাৰ কাম পূৰ্ণগতিত চলি আছে। ইয়াৰ ফলত অসমৰ গ্ৰামাঞ্চলত বাস কৰা এজন অসমীয়া মাধ্যমৰ ছাত্ৰই দেশৰ মহানগৰসমূহৰ ছাত্ৰ-ছাত্ৰীৰ সমপৰ্যায়ৰ বিশ্বমানৰ শৈক্ষিক সমল নিজৰ মাতৃভাষাতে লাভ কৰিবলৈ সক্ষম হৈছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ ডিজিটেল প্লেটফৰ্ম 'দীক্ষা' (DIKSHA)-ত ইতিমধ্যে জেনেৰেটিভ এআইৰ সংযোজনেৰে বিশেষ ব্যৱস্থা আৰম্ভ কৰা হৈছে, যাৰ জৰিয়তে দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চমানৰ অডিঅ' সুবিধা আৰু বুদ্ধিমান চাৰ্ট ব্যৱস্থা সুনিশ্চিত কৰা হৈছে। কেৱল ভাষিক সমতাই নহয়, বিশেষভাৱে সক্ষম বা বিশেষ শিক্ষণ প্ৰয়োজনীয়তা থকা শিশুসকলৰ বাবেও কৃত্ৰিম বুদ্ধিমত্তাই আশাৰ নতুন কিৰণ কঢ়িয়াই আনিছে। ভাৰতত দীৰ্ঘদিন ধৰি বিশেষ প্ৰশিক্ষিত শিক্ষকৰ যথেষ্ট অভাৱ অনুভৱ হৈ আহিছে। এনে পৰিপ্ৰেক্ষিতত এআই চালিত শিক্ষণ সঁজুলিয়ে ডিচলেক্সিয়া (Dyslexia) বা অটিজম (Autism) আদি বিকাৰ থকা শিশুসকলৰ মনস্তাত্বিক স্থিতি বুজি তেওঁলোকৰ নিজস্ব গতি আৰু ৰুচি অনুসৰি পাঠদান আগবঢ়োৱাত সহায় কৰিছে। স্মাৰ্ট এলগৰিদমে ছাত্ৰ-ছাত্ৰীসকলৰ দুৰ্বলতা আৰু শক্তি নিৰ্ধাৰণ কৰি ব্যক্তিগতকৃত শিক্ষণ পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে, যাৰ ফলত শিক্ষা ব্যৱস্থাই কোনো এজন শিশুকো পিছ পেলাই থৈ যোৱাৰ সম্ভাৱনা বহু পৰিমাণে হ্ৰাস পাইছে। অৱশ্যে প্ৰযুক্তিগত সঁজুলিৰ এনে আশাব্যঞ্জক সম্ভাৱনাৰ সমান্তৰালভাৱে আমাৰ প্ৰতিষ্ঠানিক প্ৰস্তুতি আৰু মানৱ সম্পদৰ দক্ষতাক লৈও চিন্তাশীল আলোচনাৰ প্ৰয়োজন আছে। শেহতীয়াকৈ নতুন দিল্লীত অনুষ্ঠিত হোৱা 'ইণ্ডিয়া এআই ইম্পেক্ট ছামিট'-ৰ অন্তৰ্গত 'পঢ়াই ২.০' শীৰ্ষক সন্মিলনত দেশৰ শিক্ষাবিদ, নীতিনিৰ্ধাৰক আৰু প্ৰযুক্তি বিশেষজ্ঞসকলে এই বিষয়ত আলোকপাত কৰিছে। সন্মিলনত স্পষ্টভাৱে ব্যক্ত কৰা হৈছিল যে ডিজিটেল আন্তঃগাঁথনি যিমানেই শক্তিশালী নহওক কিয়, শ্ৰেণীকোঠাৰ মূল চালিকাশক্তি হিচাপে শিক্ষকৰ ভূমিকাক কেতিয়াও প্ৰযুক্তিয়ে সম্পূৰ্ণৰূপে সলনি কৰিব নোৱাৰে। বৰ্তমান ভাৰতৰ অধিকাংশ বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকসকলৰ মাজত এআইৰ সঠিক আৰু দায়িত্বশীল প্ৰয়োগ সম্পৰ্কে পৰ্যাপ্ত প্ৰশিক্ষণৰ অভাৱ আছে। এআই চালিত প্লেজিয়াৰিজিম বা নকল প্ৰবৃত্তি, ভুল তথ্যৰ প্ৰচাৰ আৰু শিক্ষাৰ্থীসকলৰ স্বতন্ত্ৰ চিন্তাশক্তি হ্ৰাস পোৱাৰ আশংকাক আওকাণ কৰিব নোৱাৰি। এই প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ 'ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ' (NCERT)-য়ে শিক্ষকসকলৰ বাবে ধাৰাবাহিকভাৱে বিশেষ অনলাইন প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰিছে। এই কাৰ্যসূচীসমূহৰ লক্ষ্য হৈছে শিক্ষকসকলক এআই ব্যৱহাৰৰ নৈতিক আৰু পেডাগজিকেল দিশসমূহৰ সৈতে চিনাকি কৰাই দিয়া। একে সময়তে নগৰ আৰু গ্ৰামাঞ্চলৰ মাজত থকা ডিজিটেল ব্যৱধান দূৰ কৰাৰ বাবে হাইব্ৰিড মডেল আৰু বহনক্ষম ইণ্টাৰনেট আন্তঃগাঁথনিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰযুক্তিৰ অপব্যৱহাৰ ৰোধ কৰি শৈক্ষিক সততা ৰক্ষা কৰাৰ বাবে বিশেষ গাইডলাইন প্ৰস্তুত কৰাটোও এক গুৰুত্বপূৰ্ণ প্ৰয়োজনীয়তা হিচাপে চিহ্নিত হৈছে।



চন্দন কুমাৰ নাথ

ভাৰতীয় শিক্ষা ব্যৱস্থাত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰৱেশ কেৱল এক কাৰিকৰী উন্নীতকৰণ নহয়, ই হৈছে জ্ঞান বিতৰণ ব্যৱস্থাৰ এক মৌলিক সামাজিক ৰূপান্তৰ। এনে এক সন্ধিক্ষণত প্ৰযুক্তিক শিক্ষকৰ বিকল্প হিচাপে নহয়, বৰঞ্চ পাঠদান প্ৰক্ৰিয়াৰ এক শক্তিশালী সহযোগী সঁজুলি হিচাপে গ্ৰহণ কৰিব লাগিব। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০-ৰ সময়োপযোগী দৃষ্টিভংগী, বহুভাষিক ডিজিটেল প্ৰকল্পসমূহৰ সফল ৰূপায়ণ আৰু মানৱীয় প্ৰমূল্যবোধৰ সংমিশ্ৰণেৰে যদিহে আমি এই পথত আগবাঢ়িব পাৰোঁ, তেন্তে কৃত্ৰিম বুদ্ধিমত্তাই ভাৰতৰ বিপুল যুৱ প্ৰজন্মক বিশ্বৰ জ্ঞান অৰ্থনীতিত নেতৃত্ব বহন কৰিব পৰাকৈ এক সক্ষম আৰু দক্ষ শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰিব।

# আমাৰ মানসিকতা আৰু দুমুখীয়া সমাজ ঃ এটা বিবেকৰ প্ৰশ্ন

টকা-পইচাৰ প্ৰকৃত মূল্য কি? জীয়াই থাকিবলৈ আমাক অন্ন, বস্ত্ৰ, বাসস্থান আৰু ঔষধৰ প্ৰয়োজন। শিক্ষা আৰু স্বাস্থ্যৰ নামত খৰচ কৰাটো আমাৰ কৰ্তব্য। কিন্তু বৰ্তমান সময়ত আমাৰ সমাজত এক অদ্ভুত আৰু চিন্তনীয় মানসিকতাই গা কৰি উঠিছে। আমি অজানিতে এনে এক জীৱনশৈলীৰ দাস হৈ পৰিছো, য'ত মানৱতাতকৈ 'ষ্টেটাছ' বা কৃত্ৰিম আভিজাত্যই গুৰুত্ব লাভ কৰিছে। আমাৰ দৈনিক জীৱনৰ কিছুমান সৰু সৰু ঘটনাই ইয়াৰ সঁচা প্ৰমাণ ডাঙি ধৰে।

আজিকালি অনলাইন শ্বপিং এক ফেশ্বন হৈ পৰিছে। কিন্তু এই অনলাইন বজাৰৰ আঁৰত কিমান যে প্ৰৱঞ্চনা লুকাই থাকে, সেয়া আমি সকলোৱে জানো। প্ৰায়ে অনলাইনত অৰ্ডাৰ কৰা বস্তুতকৈ সম্পূৰ্ণ বেলেগ, নিম্ন মানদণ্ডৰ বাবে একেবাৰে 'ডিফেক্টিভ' আৰু নকল বস্তু আমাৰ হাতলৈ আহে। ইমান ডাঙৰ ঠগ-প্ৰৱঞ্চনাৰ বলি হোৱাৰ পিছতো কিন্তু আমি ছচিয়েল মিডিয়াত বা গ্ৰাহক সুৰক্ষা চকীত গৈ বৰ বিশেষ হুলস্থূল নকৰো; বৰঞ্চ নীৰৱে সেই লোকচান সহ্য কৰি লওঁ। কিয়নো ব্ৰেণ্ডেড কোম্পানীৰ বিৰুদ্ধে মাত মাতিবলৈ আমাৰ তথাকথিত 'আধুনিকতা'ই লাজ পায়!

ঠিক তেনেদৰে, কোনো এখন ডাঙৰ, বিলাসী ৰেষ্টুৰেণ্টত সোমাই যেতিয়া আমি খাদ্য অৰ্ডাৰ কৰো, তেতিয়া তাত কিমান উচ্চ মানদণ্ডৰ খাদ্য পোৱা যায়, সেয়া এক ডাঙৰ প্ৰশ্নবোধক চিন। বহু সময়ত দেখা যায় যে কেৱল ধুনীয়া টেবুল-চকী আৰু পোহৰৰ চমকনিৰ বাহিৰে খাদ্যৰ সোৱাদ বা মানদণ্ড একেবাৰে নিম্ন পৰ্যায়ৰ। আনকি সাধাৰণ চাহ একাপৰ নামতো তাত এশ-দুশ টকা লুটি লোৱা হয়। আচলতে সেই চাহত কোনো বিশেষত্ব নাথাকে, মাথোঁ যিখন দামী কাপ-প্লেটত চাহ কাপ পৰিৱেশন কৰা হয়, তাৰেহে আভিজাত্যৰ দাম লয়! হাজাৰ টকাৰ বিল হ'লেও আমি চকু মুদি ক্ৰেডিট কাৰ্ডখন আগবঢ়াই দিওঁ। আনকি তাত কাম কৰা ৱেইটাৰ জনক, যিয়ে তাৰ বিনিময়ত দৰমহা পায়, তাকো আমি গৌৰবেৰে 'টিপছ' দি থৈ আহো।

আমাৰ এই আত্মসমৰ্পণ কেৱল ইয়াতেই শেষ নহয়। যেতিয়া আমি কোনো ট্ৰেভেল এজেন্সী বা অনলাইন পৰ্টেলৰ পৰা বিমানৰ টিকট কিনো তেতিয়া তাত হাজাৰ হাজাৰ টকাৰ যি নিৰ্দিষ্ট মূল্য লিখা থাকে, তাক আমি মূৰ দোঁৱাই লগে লগে পেমেণ্ট কৰি দিওঁ। তাত কোনো দৰদাম বা তৰ্কৰ থল নাথাকে।



কিন্তু আমাৰ এই তথাকথিত উদাৰতা আৰু নীৰৱতা ক'লৈ যায়, যেতিয়া আমি ৰাজপথৰ এজন সাধাৰণ ই-ৰিক্সা চালক, অটো চালক বা টেক্সি ড্ৰাইভৰৰ সন্মুখত থিয় হওঁ? যিয়ে দিনটোৰ তীব্ৰ গৰম, ধূলি-বালি মূৰত পাতি আমাক সুৰক্ষিতভাৱে আমাৰ গন্তব্যস্থানত কঢ়িয়াই লৈ যায়, তেওঁলোকে ভাগৰুৱা শৰীৰেৰে মাত্ৰ ৫ বা ১০ টকা বেছি খুজিলেই আমাৰ খং চুলিৰ আগ পায়গৈ। অলপ পইচাৰ বাবে আমি ৰাজপথতে তেওঁলোকৰ লগত তীব্ৰ কাজিয়াত লিপ্ত হওঁ। একেদৰে, পদপথৰ এজন দুখীয়া পাচলি বিক্ৰেতা বা ফেৰীৱালা, যিয়ে দিনটোত মাত্ৰ ৫০-১০০ টকা লাভৰ বাবে বহি থাকে, তেওঁৰ লগত আমি পইচা পইচাকৈ হিচাপ ধৰো। অনলাইনৰ হাজাৰ টকীয়া ভুৱা বস্তুটোক ক্ষমা কৰি দিয়া আমিবোৰে ঘৰৰ ওচৰৰ চিনাকি দোকানখনৰ পৰা অনা সামগ্ৰী এটাত অলপ খুঁত ওলালে গোটেই পাৰাটো কঁপাই হুলস্থূল কৰো।

অথচ, এইটোৱেই আটাইতকৈ ডাঙৰ কৌতুক যে যেতিয়া আমাৰ ঘৰত কিবা বিপদ-আপদ হয়, বা গাঁৱৰ পূজা-সবাহৰ বাবে চান্দাৰ প্ৰয়োজন হয়, তেতিয়া কিন্তু আমি কোনো এয়াৰলাইনছ কোম্পানী, অনলাইন ব্ৰেণ্ড বা দামী ৰেষ্টুৰেণ্টৰ মালিকৰ ওচৰলৈ নাযাওঁ। লৰি যাওঁ ঘৰৰ ওচৰৰ সেই সৰু দোকানখনৰ গৰাকী বা সেই স্থানীয় খাটি-খোৱা মানুহখিনিৰ ওচৰলৈকে, যাক আমি সদায় দাম কমাবলৈ বাধ্য কৰো।

এইয়া কেৱল পইচা খৰচ কৰাৰ পাৰ্থক্য নহয়, এয়া আমাৰ মানসিকতাৰ এক গভীৰ ব্যাধি। আমবা ডাঙৰ কৰ্পোৰেট ব্ৰেণ্ড আৰু কৃত্ৰিম চমকৰ ওচৰত নিজকে সৰু কৰি ৰাখিছো, অথচ আমাৰ সমাজৰে আটাইতকৈ কষ্ট কৰা শ্ৰমিক শ্ৰেণীটোক তেওঁলোকৰ প্ৰাপ্য মূল্য, পৰিশ্ৰম আৰু সন্মান দিবলৈ কুণ্ঠাবোধ কৰিছো।

সমাজ পৰিৱৰ্তনৰ বাবে কোনো ডাঙৰ আন্দোলনৰ প্ৰয়োজন নাই। প্ৰয়োজন কেৱল আমাৰ বিবেকৰ জাগৰণৰ। যেতিয়ালৈকে আমি অন্ধ অনুকৰণ আৰু দেখুৱাব বিচৰা আভিজাত্য ত্যাগ কৰি এজন সাধাৰণ খেতিয়ক, পাচলি বিক্ৰেতা বা ই-ৰিক্সা, অটো চালকৰ পৰিশ্ৰমক মৰ্যাদা দিব নোৱাৰো, তেতিয়ালৈকে আমাৰ শিক্ষা আৰু সংস্কৃতি কেৱল এক আৱৰণ হৈয়েই ৰৈ যাব। আহক, বিমানৰ টিকটৰ ভিআইপি মানসিকতা ত্যাগ কৰি পদপথৰ আচল মানুহবোৰক সন্মান কৰিবলৈ শিকো।

*শচীন্দ্ৰ কুমাৰ দাস*
*পলাশবাৰী*

# জন্মাষ্টমীৰ প্ৰাসংগিকতা আৰু আজিৰ সমাজ

অৰূপা চৌধুৰী

পাঁজিকাৰ পাতত ভাদ মাহ। বৰ্ষাৰ শেষ, শৰতৰ আৰম্ভণি। আকাশত ডাৱৰ, মাজে মাজে বিজুলীৰ চমক। এনে এক গভীৰ নিশা, যেতিয়া সমগ্ৰ পৃথিৱী টোপনিত লালকাল, তেতিয়াই মথুৰাৰ এক অন্ধকাৰ কাৰাগাৰৰ ভিতৰত এক অলৌকিক ঘটনা ঘটিছিল। পঞ্জিকা মতে ভাদ মাহৰ কৃষ্ণ পক্ষৰ অষ্টমী তিথিত ৰোহিণী নক্ষত্ৰত ভগৱান বিষ্ণুৰ অষ্টম অৱতাৰে বন্দীনী দেৱকীৰ কোলাত জন্ম হৈছিল এক দিব্য শিশু হৈ সেই শিশোৱে কেৱল দেৱকী-বসুদেৱক মুক্ত কৰা নাছিল, সমগ্ৰ মানৱ জাতিক এক নতুন জীৱন দৰ্শন দিছিল। তেওঁ আছিল পৰমব্ৰহ্ম শ্ৰীকৃষ্ণ আৰু সেই জন্মৰ ক্ষণটোক আমি আজিও জন্মাষ্টমী হিচাপে পালন কৰোঁ। কৃষ্ণৰ জন্ম কাহিনীৰ মাজত এক গভীৰ দৰ্শন লুকাই আছে। কংসৰ কাৰাগাৰ হৈছে আমাৰ মনৰ ভিতৰৰ লোভ, মোহ আৰু অহংকাৰৰ প্ৰতীক। দেৱকী আৰু বসুদেৱ হৈছে সেই কাৰাগাৰত বন্দী হৈ থকা আমাৰ বিবেক। আৰু শ্ৰীকৃষ্ণ হৈছে সেই বন্দী বিবেকৰ মাজৰ পৰাই জন্ম হোৱা আশাৰ পোহৰ।

আপাত দৃষ্টিত জন্মাষ্টমী এটা ধৰ্মীয় উৎসৱ যেন লাগিলেও, ইয়াৰ শিপা মানুহৰ মনস্তত্ত্ব, সমাজতত্ত্ব আৰু দৰ্শনৰ বহু গভীৰত সোমাই আছে। ই কেৱল কৃষ্ণৰ ওপজা দিন নহয় ই অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ, এন্ধাৰৰ বিৰুদ্ধে পোহৰৰ চিৰন্তন যুঁজৰ প্ৰতীক।



কংসৰ কাহিনী আমি সৰুৰে পৰা শুনি আহিছো। কংস আছিল এজন ক্ষমতালোভী, অত্যাচাৰী শাসক। তেওঁ নিজৰ পিতৃ উগ্ৰসেনক বন্দী কৰি ৰাজ্য দখল কৰিছিল। তেওঁৰ ভগ্নী দেৱকীৰ বিবাহৰ সময়ত হোৱা আকাশবাণী - "দেৱকীৰ অষ্টম সন্তানে তোমাক বধ কৰিব" - ই কংসৰ মনত ভয়ৰ সৃষ্টি কৰিছিল। এই ভয়ৰ পৰাই জন্ম হৈছিল অত্যাচাৰৰ।

এই আখ্যানভাগ আজিৰ ৰাজনীতি আৰু সমাজৰ লগত কিমান মিল আছে সেয়া ভাবিবলগীয়া। যেতিয়া শাসকে নিজৰ সুৰক্ষাৰ বাবে ভয় খায়, তেতিয়া তেওঁ বিৰোধীৰ কণ্ঠ ৰোধ কৰিবলৈ চেষ্টা কৰে। কংসই দেৱকীৰ সাতটা সন্তানক হত্যা কৰাটো আছিল সেই ভয়ৰে বহিৰ্প্ৰকাশ। কিন্তু সত্যক কেতিয়াও বন্দী কৰি ৰাখিব নোৱাৰি। অষ্টম সন্তানৰ ৰূপত সত্যৰ জন্ম হ'লেই। কৃষ্ণৰ জন্মৰ নিশাৰ বৰ্ণনাটোও অতি প্ৰতীকী। কাৰাগাৰৰ দুৱাৰ নিজে নিজে খোল খাইছিল, শিকলি ছিঙিছিল, প্ৰহৰী টোপনিত গৈছিল। ইয়াৰ অৰ্থ হ'ল - যেতিয়া শুভ শক্তিৰ জন্ম হয়, তেতিয়া পৃথিৱীৰ কোনো শক্তিয়েই তাক ৰখাব নোৱাৰে। বসুদেৱে যমুনা পাৰ হোৱাৰ কাহিনীটোৱে কয়- ধৰ্মৰ পথত খোজ দিলে প্ৰকৃতিয়েও সহায় কৰে। অনন্ত নাগে ফণাৰে বৰষুণৰ পৰা ৰক্ষা কৰাটোৱে হৈছে প্ৰকৃতিৰ আশীৰ্বাদ।

শ্ৰীকৃষ্ণৰ জীৱনটোক তিনিটা ভাগত ভগাব পাৰি আৰু প্ৰতিটো ভাগতে আমাৰ বাবে শিক্ষা আছে।

ক) গকুলৰ কৃষ্ণ - আনন্দৰ প্ৰতীক, গকুল আৰু বৃন্দাবনত কৃষ্ণ আছিল আনন্দময়ী আৰু দুষ্টালিৰে পৰিপূৰ্ণ। মাখন চুৰ, গোপীৰ লগত ধেমালি, বাঁহীৰ সুৰ এই সকলোবোৰে জীৱনটো যে কেৱল কঠোৰ তপস্যা নহয়, আনন্দেৰে জীয়াই থকাৰো নাম। আজিৰ মানসিক চাপত ভোগা সমাজখনে গকুলৰ কৃষ্ণৰ পৰা আনন্দেৰে জীয়াই থকাৰ কৌশল নিশ্চয় শিকিব লাগে।

খ) মথুৰা-দ্বাৰকাৰ কৃষ্ণ - ন্যায়ৰ প্ৰতীক, ডাঙৰ হৈ কৃষ্ণই কংসৰ দৰে অত্যাচাৰীক বধ কৰিলে, শিশুপাল, কালযৱনৰ দৰে অন্যান্য বহুতো অধৰ্মীক দমন কৰিলে। তেওঁ দ্বাৰকাত এখন আদৰ্শ ৰাজ্য স্থাপন কৰিলে। তেওঁ শিকালে - অন্যায় দেখিলে মনে মনে থাকিব নালাগে, তাৰ প্ৰতিবাদ কৰিব লাগে।

গ) কুৰুক্ষেত্ৰৰ কৃষ্ণ - জ্ঞানৰ প্ৰতীক, কৃষ্ণৰ শ্ৰেষ্ঠ অৱদান হৈছে ভগৱত গীতা। মহাভাৰতৰ যুদ্ধক্ষেত্ৰত অৰ্জুন যেতিয়া বিষাদত ভাগি পৰিছিল, তেতিয়া তেওঁক কৃষ্ণই জীৱনৰ আটাইতকৈ ডাঙৰ জ্ঞান দিছিল। গীতা কোনো এখন ধৰ্মগ্ৰন্থ নহয়, ই এখন জীৱন-পুথি। পঞ্চদশ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যেতিয়া অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধিবলৈ বিচাৰিছিল, তেতিয়া তেওঁ কৃষ্ণকেই আশ্ৰয় কৰিছিল। তেওঁ কৈছিল - "কৃষ্ণ এক দেৱ দুৰ্লভ। গুৰু দুজনাৰ সৃষ্টি কৰা বৰগীত, অংকীয়া নাটৰ সকলোৱে মূল হৈছে কৃষ্ণ। সেয়ে অসমৰ নামঘৰত কৃষ্ণ কেৱল প্ৰতীক নহয়, তেওঁ আমাৰ সাংস্কৃতিক পিতৃ। জন্মাষ্টমীৰ নিশা সত্ৰ, নামঘৰ সমূহত যি নাম-কীৰ্তন হয়, যি "কেলি গোপাল" ভাওনা প্ৰদৰ্শন হয়, সেয়া কেৱল ধৰ্মীয় অনুষ্ঠান নহয়, সেয়া অসমীয়া সংস্কৃতিৰ জীয়া প্ৰদৰ্শনী।

প্ৰতি বছৰে আমি এই জন্মাষ্টমী বৰ উলহ-মালহেৰে পালন কৰোঁ লগতে সমস্ত পৃথিৱীৰ মঙ্গল কামনা কৰোঁ কিন্তু প্ৰকৃত জন্মাষ্টমী তেতিয়াহে হ'ব, যেতিয়া আমাৰ ভিতৰত এজন নতুন কৃষ্ণৰ জন্ম হ'ব। আজিৰ সমাজত আমাক কংসৰ দৰে অহংকাৰী মানুহৰ অভাৱ নাই। আমাৰ চাৰিওফালে হিংসা, নিচা, দুৰ্নীতিৰ যমুনা বৈ আছে। এই যমুনা পাৰ হ'বলৈ আমাক বসুদেৱৰ দৰে সাহস লাগিব। আৰু আমাৰ ভিতৰত থকা লোভ, ক্ৰোধ, মোহৰ কালীয় নাগক দমন কৰিবলৈ কৃষ্ণৰ দৰে বুদ্ধি আৰু চলৰো প্ৰয়োজন।

লেখকৰ ঠিকনা ঃ
*দলংঘাট, ওদালগুৰি*

সম্প্ৰীতিৰ বাৰ্তা কঢ়িয়াই ডুবাইত 'অসম ছ'চাইটি'ৰ বিশেষ অনুষ্ঠান

# ডুবাইত অসম ৰাজ্যিক জমিয়তৰ সভাপতি মৌলানা মুস্তাক আনফৰক গামোচা-জাপিৰে সম্বৰ্ধনা



**অসম বাৰ্তা, ডবকা, ২ ছেপ্টেম্বৰ** ঃ ডুবাইত অসম ৰাজ্যিক জমিয়তৰ সভাপতি তথা বিশিষ্ট সমাজসেৱী, মানৱদৰদী আৰু জনদৰদী নেতা মৌলানা মুস্তাক আনফৰ চাহাবক অসমীয়া স্বাভিমান আৰু পৰম্পৰাৰ প্ৰতীক গামোচা আৰু জাপিৰে উষ্ম সম্বৰ্ধনা জনোৱা হয়। ডুবাইস্থিত মৌলানা মুস্তাক আনফৰ চাহাবৰ কাৰ্যালয়ত যোৱা কালি অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত ডুবাইৰ 'অসম ছ'চাইটি' নামৰ সংগঠনটোৰ বিষয়ববীয়া সকলে তেওঁক গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনাই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। অসমীয়া জাতিৰ স্বকীয় পৰিচয়, সংস্কৃতি আৰু পৰম্পৰাৰ অন্যতম প্ৰতীক গামোচা আৰু জাপিৰে ডুবাইৰ দৰে বিদেশৰ মাটিত অসমৰ এগৰাকী বিশিষ্ট নেতাক সম্বৰ্ধনা জনোৱাটোৱে অনুষ্ঠানটোক এক বিশেষ তাৎপৰ্য প্ৰদান কৰে। অসমৰ পৰা বহু দূৰত থাকিও প্ৰবাসী অসমীয়া সকলে নিজৰ ভাষা, সংস্কৃতি আৰু সামাজিক সম্পৰ্কৰ সৈতে যে গভীৰভাৱে সংপৃক্ত হৈ আছে, এই অনুষ্ঠানৰ জৰিয়তে তাৰেই এক সুন্দৰ নিদৰ্শন দাঙি ধৰা হয়। সম্বৰ্ধনা অনুষ্ঠানত মৌলানা মুস্তাক আনফৰ চাহাবৰ লগতে তেওঁৰ ভাতৃ শ্বিবিৰ আনফৰ চাহাব আৰু তেওঁৰ কনিষ্ঠ পুত্ৰ উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত সকলে মৌলানা মুস্তাক আনফৰ চাহাবৰ সামাজিক, মানৱীয় আৰু জন কল্যাণমূলক কাম-কাজৰ শলাগ লোৱাৰ লগতে আগন্তুক দিনতো সমাজৰ পিছপৰা আৰু দৰিদ্ৰ লোকসকলৰ কল্যাণৰ বাবে কাম কৰি যাবলৈ শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানত অসমৰ সু-সন্তান তথা ডুবাইত কৰ্মসূত্ৰে বা বিভিন্ন কাৰণত বসবাস কৰি থকা মুজিবুৰ ৰহমান, আব্দুল আজিজ, জাকিৰ আহমেদ আৰু আব্দুল্লাহ আল কাদিৰ উপস্থিত থাকে। তেওঁলোকে অসমীয়া সমাজৰ মাজত ভাতৃত্ববোধ, একতা, সম্প্ৰীতি আৰু পৰস্পৰৰ সহযোগিতাৰ পৰিৱেশ অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখ্য যে, প্ৰবাসত থাকিও অসমৰ সামাজিক আৰু সাংস্কৃতিক পৰিচয়ক জীয়াই ৰখাৰ ক্ষেত্ৰত বিভিন্ন সংগঠনে সময়ে সময়ে গ্ৰহণ কৰি অহা এনে পদক্ষেপে বিশেষ গুৰুত্ব বহন কৰে। বিশেষকৈ গামোচা আৰু জাপিৰ দৰে অসমীয়া সংস্কৃতিৰ প্ৰতীকী সামগ্ৰীৰে সম্বৰ্ধনা জনোৱাই প্ৰবাসী অসমীয়া সকলৰ নিজৰ মাতৃ ভূমিৰ প্ৰতি থকা আৱেগ আৰু আত্মীয়তাৰ কথাই প্ৰতিফলিত কৰে। ইফালে, মৌলানা মুস্তাক আনফৰ চাহাবক আন্তৰিক ভাৱে সম্বৰ্ধনা জনোৱাৰ বাবে হোজাই জিলা জমিয়তৰ উলামাৰ তৰফৰ পৰা 'অসম ছ'চাইটি'ৰ বিষয়ববীয়া সকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰা হয়। লগতে ভৱিষ্যতেও অসমীয়া সমাজৰ মাজত একতা, সম্প্ৰীতি আৰু ভাতৃত্ববোধ অটুট ৰখাৰ ক্ষেত্ৰত এনে ইতিবাচক পদক্ষেপ অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰা হয়।

# জাগীৰোডত বৈজ্ঞানিক পদ্ধতিৰে হাঁহ-কুকুৰাৰ পোৱালি উৎপাদন কেন্দ্ৰ উদ্বোধন কৃষিমন্ত্ৰী পীয়ুষ হাজৰিকাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২ ছেপ্টেম্বৰ** ঃ কৃষক ৰাইজৰ আয় বৃদ্ধি আৰু আত্মনিৰ্ভৰশীলতা বৃদ্ধিৰ লক্ষ্যৰে অসম চৰকাৰৰ কৃষিমন্ত্ৰী পীয়ুষ হাজৰিকাই আজি মৰিগাঁও জিলা কৃষি বিভাগৰ অন্তৰ্গত জাগীৰোড কৃষি উন্নয়ন চক্ৰৰ অধীনৰ পলাচোঙত হাঁহ-কুকুৰাৰ কণীৰ পৰা বৈজ্ঞানিক পদ্ধতিৰে পোৱালি উৎপাদন কেন্দ্ৰ এটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুখ্যমন্ত্ৰী উৎকৰ্ষ যোজনাৰ অধীনত আৰ্থিক সাহায্য লাভ কৰা অগ্ৰণী জোনবিল কৃষক উৎপাদক কোম্পানী (মহিলা কৃষক উৎপাদক কোম্পানী)ৰ উদ্যোগত স্থাপন কৰা এই পোৱালি উৎপাদন কেন্দ্ৰটো উদ্বোধন কৰি কৃষিমন্ত্ৰী গৰাকীয়ে হাঁহ-কুকুৰাৰ কণী আৰু পোৱালি উৎপাদনৰ সম্ভাৱনাৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। তেওঁ কয় যে, হাঁহ-কুকুৰা পালনৰ জৰিয়তে কণী আৰু পোৱালি উৎপাদন কৰি কৃষক ৰাইজে অতিৰিক্ত আয়ৰ পথ মুকলি কৰাৰ লগতে আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল হ'ব পাৰে। বিশেষকৈ বৈজ্ঞানিক পদ্ধতিৰে



পোৱালি উৎপাদনৰ এনে কেন্দ্ৰ স্থাপনে থলুৱা কৃষকসকলক উন্নত মানৰ পোৱালি সহজলভ্য কৰাৰ লগতে পশুপালন খণ্ডৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ উল্লেখ কৰে। কৃষিমন্ত্ৰী গৰাকীয়ে লগতে কয় যে, বহিঃৰাজ্যৰ পৰা হাঁহ-কুকুৰাৰ কণী আৰু পোৱালি আমদানি কৰাৰ পৰিৱৰ্তে থলুৱা কৃষকৰ উৎপাদন বৃদ্ধি কৰি স্থানীয় বজাৰৰ চাহিদা পূৰণ কৰিব পাৰিলে অসমৰ কৃষকসকল অধিক লাভান্বিত হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। এই ক্ষেত্ৰত অসম চৰকাৰ আৰু সংশ্লিষ্ট বিভাগে কৃষক ৰাইজৰ উন্নয়নৰ স্বাৰ্থত প্ৰয়োজনীয় সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব বুলিও তেওঁ আশ্বাস প্ৰদান কৰে। ইয়াৰ লগতে মন্ত্ৰী গৰাকীয়ে মহিলা কৃষক উৎপাদক কোম্পানীটোৰ মূল নেতৃত্বত থকা উদ্যমী মহিলা কৃষক ইলা ডেকা আৰু সদস্য সকলক এই পদক্ষেপৰ বাবে উৎসাহিত কৰাৰ লগতে ইয়াৰ উৎপাদনৰ জৰিয়তে এখন উপযুক্ত বজাৰ দখল কৰি মহিলা কৃষক সকল আত্মনিৰ্ভৰশীল হ'ব পাৰিব বুলি আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত মৰিগাঁও জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰা, মহকুমা কৃষি বিষয়া মেহেদী আৰিফ হুচেইন, মুছাহীদ ফাৰুকী, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া পদুম বৰা, কৃষি উপ-পৰিদৰ্শক দিব্যজ্যোতি হাজৰিকা, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথ, জাগীৰোড কৃষি উন্নয়ন চক্ৰৰ কৃষি সম্প্ৰসাৰণ সহায়কসকলৰ লগতে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী আৰু শতাধিক কৃষক ৰাইজ উপস্থিত থাকে।

প্ৰাচীৰ পত্ৰিকা "ছিদলিং" উন্মোচন, ছাত্ৰ-ছাত্ৰীৰ আৰ্ট গেলেৰী চাবলৈ দৰ্শকৰ ভীৰ; বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ

# মাজুলীৰ অমৰ ঘোষ হলি আইলেণ্ড স্কুলৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ২ ছেপ্টেম্বৰ** ঃ মাজুলী জিলাৰ ব্যক্তিগত খণ্ডৰ অগ্ৰণী শিক্ষানুষ্ঠান গড়মূৰস্থ অমৰ ঘোষ হলি আইলেণ্ড স্কুলৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। বিদ্যালয়খনৰ উক্ত প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি গড়মূৰ কৃষ্ণনগৰ অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। উক্ত, প্ৰতিষ্ঠা দিৱসত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে অভিভাৱক সকলেও বিভিন্ন সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উক্ত প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি পুৱা পৰিৱেশ নিকাকৰণৰ পাছত বিদ্যালয়ৰ সন্মুখত নিৰ্মাণ কৰা অস্থায়ী প্ৰেক্ষাগৃহত মহাপুৰুষ মাধৱদেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী ৰেখা বৰাই। তাৰপিছত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ভৱেন কাকতিয়ে। স্মৃতি তৰ্পণ কৰে গড়মূৰ সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি পলাশ জ্যোতি নাথে। তাৰপিছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন চিত্ৰ, ভাস্কৰ্য, শিল্প কলাৰে নিৰ্মাণ কৰা এক সুদৃশ্য, আকৰ্ষণীয় "কলা বিথিকা" অৰ্থাৎ আৰ্ট গেলেৰী উদ্বোধন কৰে কলাভূমি মাজুলী আৰু গুৰুগৃহৰ অধ্যক্ষ মৃদুল বৰুৱাই। উক্ত, আৰ্ট গেলেৰীয়ে উপস্থিত সকলো ৰাইজক আকৰ্ষণ কৰে। দুপৰীয়া এঘাৰ বজাৰ পৰা বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। উক্ত বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে বিশিষ্ট শিল্পী তথা মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সংগীত নাটক অকাডেমী বঁটা প্ৰাপক ড০ কৰুণা বৰাই। বিদ্যালয়ৰ অধ্যক্ষ ভৱেন কাকতিয়ে পৰিচালনা কৰা উক্ত বঁটা বিতৰণী সভাত ২০২৫-২০২৬ বৰ্ষৰ খেল সপ্তাহৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। তাৰপিছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰকাশ কৰা হাতেলিখা আলোচনী " ছিদলিং" উন্মোচন



কৰে মাজুলী জিলাৰ অতিৰিক্ত আয়ুক্ত সুভ্ৰম আদিত্য বৰাই। দুপৰীয়া বাৰ বজাৰ পৰা বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক দ্বীপ ভূএঃই বন্তি প্ৰজ্বলন কৰা উক্ত সাংস্কৃতিক অনুষ্ঠানটো উদ্বোধন কৰে স্থানীয় অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বিশিষ্ট সমাজকৰ্মী ভূপেন দত্তই। বিদ্যালয়ৰ ছাত্ৰসকলে পৰিৱেশন কৰা "গায়ন বায়ন"ৰে শুভাৰম্ভ কৰা উক্ত সাংস্কৃতিক অনুষ্ঠানটো উপভোগ কৰিবলৈ কেইবাশতাধিক অভিভাৱক আৰু স্থানীয় ৰাইজে ভিৰ কৰা পৰিলক্ষিত হয়। উক্ত, বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানত বিদ্যালয়ৰ সকলো শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীয়ে দলীয় নৃত্য গীত, অভিনয় আদি প্ৰদৰ্শন কৰে। উক্ত, সাংস্কৃতিক অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱকসকলেও অংশগ্ৰহণ কৰি সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰে। আজি সন্ধিয়ালৈকে বিদ্যালয়খনত উক্ত সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰা হয়।

শ্ৰীকৃষ্ণ জন্ম জয়ন্তী আবিৰ্ভাৱৰ ব্যাপক প্ৰস্তুতি

# খৈৰাবাৰীৰ শ্ৰীশ্ৰীৰাধা ৰমন গৌড়ীয় মঠত সাত দিনীয়া শ্ৰীমদ্ভাগৱত সপ্তাহ পালন

**অসম বাৰ্তা, খৈৰাবাৰী, ২ ছেপ্টেম্বৰ** ঃ ওদালগুৰি জিলা খৈৰাবাৰী চহৰৰ ব্লক চাৰিআলি চ'ক সমীপৰ শ্ৰীশ্ৰীৰাধা ৰমন গৌড়ীয় মঠত শ্ৰীশ্ৰীকৃষ্ণ জন্মাষ্টমী উপলক্ষে সাত দিনীয়া শ্ৰীমদ্ভাগৱত সপ্তাহ পালন। যোৱা ২৯ আগষ্ট শনিবাৰৰ পৰা শ্ৰীমদ্ভাগৱত ভাগৱত সপ্তাহৰ ৫ চেপ্তেম্বৰ শনিবাৰে সামৰণি পৰিবলগীয়া শ্ৰীশ্ৰীগৌড়ীয় বেদান্ত সমিতিৰ লগতে মঠৰ সেৱক বৃন্দৰ উদ্যোগত অনুষ্ঠিত হয় উক্ত কাৰ্যসূচী। সাত দিনীয়া বৰ্ণাঢ্য শ্ৰীমদ্ভাগৱত সপ্তাহত ভাগৱত ব্যাখ্যাকাৰ যাযাবৰ গোস্বামী মহাৰাজে আবেলি ৪ বজাৰ পৰা নিশা ৯ বজালৈকে ভাগৱতৰ ব্যাখ্যা আগবঢ়াব। অন্যহাতে ৫ চেপ্তেম্বৰলৈ চলিবলগীয়া আবেলি ৪ বজাৰ পৰা নিশা ৯ বজালৈ শ্ৰীমদ্ভাগৱত ভাগৱত ব্যাখ্যাত শ্ৰীশ্ৰীশ্ৰীকৃষ্ণৰ বৃন্দাবন ধামৰ পৰা আহি উপস্থিত হৈ যাযাবৰ গোস্বামী মহাৰাজ আৰু তেখেতৰ সংগীবৃন্দই ভক্ত প্ৰাণ ৰাইজৰ মাজত ভাগৱতৰ ব্যাখ্যা কৰি ইতিমধ্যে সমাদৰ বুটলিবলৈ সক্ষম হৈছে। উল্লেখ্য যে শ্ৰীশ্ৰীকৃষ্ণ জন্মাষ্টমী উপলক্ষে ১৮ ভাদ ৫ চেপ্তেম্বৰ ২০২৬ শনিবাৰে নন্দোৎসৱৰ আয়োজন কৰিছে। উক্ত অনুষ্ঠানত সকলো ভক্ত প্ৰান ৰাইজৰ সহায় সহযোগিতা তথা উপস্থিতি কামনা কৰিছে শ্ৰীশ্ৰীৰাধা ৰমন গৌড়ীয় মঠ উদযাপন সমিতিৰ বিষয়ববীয়া সকলে।

# বিহালীৰ বটিয়ামাৰীত সংগিনী নৃত্যৰ এলবাম উন্মোচন

**অসম বাৰ্তা, জিনজিয়া, ২ ছেপ্টেম্বৰ** ঃ বিহালীৰ বটিয়ামাৰীৰ কলা শ্ৰী বিনোদ খনালৰ নেতৃত্বত প্ৰস্তুত কৰা সংগিনী নৃত্যৰ এলবাম কালি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। বটিয়ামাৰীৰ ভানুৰঙ্গ মঞ্চত প্ৰায় ৩ শতাধিক ৰাইজৰ উপস্থিতিত নেপালী চলচ্চিত্ৰ জগতৰ প্ৰখ্যাত প্ৰযোজক, চলচ্চিত্ৰ নিৰ্মাতা আৰু গীতিকাৰ তুলসী ঘিমিৰেই এই এলবাম উন্মোচন কৰে। ইয়াৰ পূৰ্বে বন্তিপ্ৰজ্বলন কৰে অনন্ত চৰণ ওমকাৰ শাস্ত্ৰী আৰু অম্বিকা খনালে। আমা কলা কুঞ্জৰ উদ্যোগত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তুলসী ঘিমিৰেক সম্বৰ্ধনা জনোৱা হয়। আমা কলা কুঞ্জৰ সভাপতি গজেন শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰে আৰু ফুলাম গামোচা, অসমীয়া জাপি আৰু শৰাইৰে তেওঁক সম্বৰ্ধনা জনায়। এই অনুষ্ঠানত অসম গোৰ্খা সন্মিলনৰ সম্পাদক ত্ৰয় ক্ৰমে জগদীশ খনাল, জয় কুমাৰ সুতাৰ, দিলীপ গজিৰেল, বিশ্বনাথ জিলা সমিতিৰ সভাপতি হৰি শৰ্মা, সম্পাদক হেমন্ত ভট্টৰায়, বিহালী প্ৰেছ ক্লাবৰ সভাপতি ভুবন লুইটেল, উপ-সভাপতি খগেন মটক, সহ সম্পাদক মহেন্দ্ৰ পগাপ, নিজ বিহালী জিলা পৰিষদৰ সদস্য চেতন গৌতম, সাংস্কৃতিক কৰ্মী জোন দাস আৰু নেহা বৰা, তিনিচুকীয়া ফিলোবাৰীৰ ইন্দ্ৰেণী সাংস্কৃতিক গোষ্ঠীৰ কৰ্মকৰ্তা সহ তিনি শতাধিক লোকে অংশ গ্ৰহণ কৰে। উল্লেখ্য যে, এই এলবামটো আমা কলা কুঞ্জ আৰু তিনিচুকীয়াৰ ইন্দ্ৰেণী সাংস্কৃতিক গোষ্ঠীৰ যৌথ প্ৰচেষ্টাত প্ৰস্তুত কৰা হৈছে। সম্বৰ্ধিত তুলসী ঘিমিৰেই নিজৰ ভাষণত অসমত বসবাস কৰা গোৰ্খা জনগোষ্ঠীৰ লোকে অসমীয়া ভাষা সংস্কৃতিৰ লগতে নেপালী সংস্কৃতিৰ সাধনা কৰি আহিছে আৰু তেওঁলোকে এই ক্ষেত্ৰত আগবঢ়া। কিন্তু সকলো একগোট নোহোৱাৰ বাবে কিছু অসুবিধা হোৱা বুলি উল্লেখ কৰে। তেওঁ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ভূয়শী প্ৰশংসা কৰে। শৰ্মাই অসমৰ গোৰ্খা জনগোষ্ঠীৰ উন্নয়নৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা বুলি কয়। গোটেই অনুষ্ঠান পৰিচালনা কৰে ৰাজু গৌতমে।

# কল্যাণী বাল্যভৱনৰ পৰিচালনা সমিতি গঠন

**অসম বাৰ্তা, নিমাতীঘাট, ২ ছেপ্টেম্বৰ** ঃ কল্যাণী বাল্যভৱন জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিখন ৩০ আগষ্টৰ ৰাজহুৱা সভাত গঠন কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° হেমেন শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিদ্যালয়খনৰ কাৰ্যক্ৰমণিকা আৰু আভ্যন্তৰীণ হিচাপৰ লগতে ৰূপালী জয়ন্তীৰ আয়-ব্যয়ৰ প্ৰতিবেদনো দাখিল কৰে। পৰিচালনা সমিতিৰ সম্পাদক ড° অচ্যুত দত্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাত ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক নিযুত কুমাৰ দত্তই ৰূপালী জয়ন্তীৰ প্ৰতিবেদন আৰু বিদ্যালয়ৰ কোষাধ্যক্ষ দুলাল শইকীয়াই বিগত বৰ্ষৰ আয়-ব্যয়ৰ হিচাপ দাখিল কৰে। সভাত বৈকুণ্ঠ মহন্ত, ডিম্বেশ্বৰ বৰা, অচ্যুত শইকীয়া, দ্বীজেন শইকীয়া, নৰেন্দ্ৰ নাথ দত্ত, হেমেন কুমাৰ শইকীয়া, প্ৰদীপ নেওগ, অশোক বৰা প্ৰমুখ্যে বিভিন্নজনে বক্তব্য প্ৰদান কৰে। বিদ্যালয়ৰ শৈক্ষিক অধ্যক্ষ যোগানন্দ শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ বহমুখী বিকাশত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। সভাত ৩৬ নং গাঁও পঞ্চায়তৰ সভাপতি প্ৰসন্ন কলিতাই বিদ্যালয়ৰ উন্নয়নৰ কাৰণে আৰ্থিক সাহায্য প্ৰদান আৰু জিলা পৰিষদৰ সদস্য চিদানন্দ ভূঞাই জিলা পৰিষদৰ তৰফৰ পৰা বিদ্যালয়ৰ নতুন ভূমিত এটি কোঠা নিৰ্মাণৰ কাম শীঘ্ৰে আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। সভাই ড° হেমেন শইকীয়াক পুনৰ সভাপতি, ড° অচ্যুত দত্তক উপ সভাপতি, নিযুত কুমাৰ দত্তক সম্পাদক, পৰশ বকুল শইকীয়াক সহ সম্পাদক ৰূপে লৈ বিদ্যালয় পৰিচালনা সমিতি গঠন কৰে। আগন্তুক বৰ্ষৰ পৰা বিজ্ঞান শাখাটো খোলাৰ বাবে বিদ্যালয়ৰ নতুন গৃহ নিৰ্মাণৰ কাম অতি শীঘ্ৰে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি সভাপতিয়ে ব্যক্ত কৰে।

# মাইকযোগে বেঁকীৰ নৈপৰীয়া ৰাইজলৈ জৰুৰী সতৰ্কতা জাৰি বৰপেটা-আৰু বাক্সা জিলা প্ৰশাসনৰ



**অসম বাৰ্তা, খাৰিজাবিজনী, ২ ছেপ্টেম্বৰ** ঃ ভূটানৰ কুৰিশু বান্ধে পানী এৰি দিয়াৰ পিছতেই নামনি অসমৰ লগতে বেকী নৈত বানৰ আশংকাই বিৰাজ কৰিছে। তৎপৰ হৈ পৰিছে বৰপেটা আৰু বা'ী জিলা প্ৰশাসন। আজি দিনৰ ভাগত নৈপৰীয়া ৰাইজক সজাগ কৰাৰ লক্ষ্যৰে কেটবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে জিলা প্ৰশাসনে। নদী বা নদীৰ আশে-পাশে মাছ ধৰা, সাঁতোৰা, গা ধোৱা, নাও চলোৱা, বা নৈৰ বক্ষত আন যিকোনো ধৰণৰ কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ জিলা প্ৰশাসনৰ তৰফৰ পৰা নিৰ্দেশনা জাৰি কৰিছে।

নতুন প্ৰজন্মৰ চিন্তা-চৰ্চাত সুধাকণ্ঠৰ শান্তি, প্ৰগতি আৰু মানৱতাবাদী দৰ্শনৰ প্ৰতিফলন

# মৰঙি মহাবিদ্যালয়ৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নুমলীগড়, ২ ছেপ্টেম্বৰ** ঃ মৰঙি মহাবিদ্যালয়ে সোমবাৰে উদযাপন কৰে ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস। পুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে গোলাঘাট জিলাৰ বিভিন্ন মহাবিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এক মননশীল বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। "ড° ভূপেন হাজৰিকাৰ সৃষ্টি-চেতনাত শান্তি, প্ৰগতি আৰু মানৱতাবাদ" — "Peace, Progress and Humanism in the Creative Vision of Dr. Bhupen Hazarika" শীৰ্ষক বিষয়ত অনুষ্ঠিত বক্তৃতা প্ৰতিযোগিতাখনত জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মুঠ ৩২ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মৰঙি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালীন অধ্যক্ষ তপন চন্দ্ৰ বৰদলৈয়ে। প্ৰতিযোগিতাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বিপুল চন্দ্ৰ ভূঞাই। বক্তৃতা প্ৰতিযোগিতাখনত বিচাৰকৰ আসন অলংকৃত কৰে দেইথৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° থৈবী ফুকন আৰু জে ডি এছ জি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰুবী বৰাই। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ সাৱলীল বক্তব্য আৰু বিষয়বস্তুৰ ওপৰত থকা গভীৰ অধ্যয়ন আৰু চিন্তা-চৰ্চাই উপস্থিত বিশিষ্ট ব্যক্তি তথা সুধী সমাজক আপ্লুত কৰে। বিশেষকৈ নতুন প্ৰজন্মৰ মাজত ড° ভূপেন হাজৰিকাৰ সৃষ্টি-চেতনা, দৰ্শন আৰু মানৱতাবাদী চিন্তাধাৰাক লৈ থকা আগ্ৰহে এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনে। বিচাৰকদ্বয়ে মত প্ৰকাশ কৰে যে, নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ভূপেন হাজৰিকাৰ সৃষ্টিৰাজি আৰু আদৰ্শৰ প্ৰতি কোনো অধ্যয়ন বা চিন্তা-চৰ্চা নাই বুলি থকা নেতিবাচক ধাৰণাৰ বিপৰীতে প্ৰতিযোগীসকলৰ বক্তব্যত এক গভীৰ অধ্যয়নশীল আৰু আশাবাদী মানসিকতাৰ প্ৰতিফলন ঘটিছে। ভূপেন হাজৰিকাৰ সৃষ্টি আৰু আদৰ্শৰ পৰা প্ৰেৰণা লৈ নতুন প্ৰজন্মই শান্তি, প্ৰগতি আৰু মানৱতাৰে এখন উন্নত সমাজ গঢ়াৰ সপোন দেখিছে বুলিও তেওঁলোকে মন্তব্য কৰে। উল্লেখযোগ্য যে, প্ৰতিযোগিতাখন মননশীল কথনশৈলীৰে আঁত ধৰি আগুৱাই নিয়ে মহাবিদ্যালয়ৰ অধ্যাপক মনিকংকনা বড়োৱে। শিক্ষক গোট, মৰঙি মহাবিদ্যালয়ৰ সৌজন্যত আয়োজিত এই বক্তৃতা প্ৰতিযোগিতাই প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীক এক বিশেষ মাত্ৰা প্ৰদান কৰে। নতুন প্ৰজন্মৰ মাজত ভূপেন হাজৰিকাৰ বিশ্বজনীন মানৱতাবাদী চিন্তা, শান্তি আৰু প্ৰগতিৰ দৰ্শনৰ চৰ্চা আৰু প্ৰসাৰৰ এনে প্ৰয়াসৰ বাবে মৰঙি মহাবিদ্যালয় পৰিয়াল নিশ্চয়কৈ প্ৰশংসাৰ পাত্ৰ।

আজি মাধৱ গুৰুতিথি পালন

# পৱিত্ৰ ভাদ্ৰমাহত বৈকুণ্ঠলৈ পৰিণত মণিকাঞ্চন মিলন ক্ষেত্ৰ

**অসম বাৰ্তা, উজনী মাজুলী, ২ ছেপ্টেম্বৰ** ঃ যি স্থানত ঘোৰ শাক্ত পন্থী মাধৱ এক শৰণ নাম ধৰ্মত দীক্ষিত হৈ অসমীয়া জাতিক উদ্ধাৰৰ অন্যতম সেনাপতি ৰূপে শংকৰগুৰুজনাৰ সংগী হৈছিল সেইস্থানত আজি নাম ধ্বনিৰে পুৱাৰে পৰা বৈকুণ্ঠলৈ পৰিণত হয়। সেয়ে ঐতিহাসিক মণিকাঞ্চন মিলন ক্ষেত্ৰ শ্ৰীশ্ৰী ধুঁৱাহাট বেলগুৰি থান, শিকলি চাপৰি - আঁহতগুৰি। মাধৱ গুৰুজনাৰ পৱিত্ৰ তিথিত উপলক্ষে থান পৰিচালনা আৰু উন্নয়ন সমিতিৰ সহযোগত ৰাইজে পূৰ্ব বছৰৰ দৰেই এইবাৰো গুৰুতিথি অতি ভক্তি ভাৱেৰে উদযাপন কৰে। পৰিচালনা সমিতিৰ সভাপতি তথা শ্ৰীশ্ৰী আঁহতগুৰি বৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী ৰূপচন্দ্ৰ গোস্বামীৰ নেতৃত্বত নাম- কীৰ্তন, ভাগৱত পাঠ, গায়ন-বায়ন জোৰাৰে কীৰ্তন ঘৰ মুখৰ হৈ থাকে। ইফালে থানত পহিলা ভাদৰ পৰাই নাম অব্যাহত আছে। ৰাতি ভকতসকলে ভাগৱত মহা পুৰাণ পাঠ কৰে। পুনৰুজ্জীৱিত দিনধৰি অখণ্ড বন্তিৰে জাগ্ৰত মণিকাঞ্চন মিলন ক্ষেত্ৰক চৰবাসীয়ে নাম কীৰ্তন আৰু ভাগৱত পাঠেৰে ভাদ্ৰ মাহৰ মহত্ত্বৰে সমুজ্জ্বল কৰি ৰাখিছে।

# বৰদিহিঙীয়া বৰনামঘৰত মহাপুৰুষ শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মজয়ন্তী উদ্‌যাপনৰ আয়োজন

**অসম বাৰ্তা নুমলীগড়, ২ ছেপ্টেম্বৰ** ঃ বোকাখাত সমজিলাৰ অন্তৰ্গত বৰদিহিঙীয়া বৰনামঘৰৰ সৌজন্যত আৰু বৃহত্তৰ বৰদিহিঙীয়া গাঁওবাসীৰ সহযোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মজয়ন্তী অহা ২ আৰু ৩ আহিন ইংৰাজী ২০ আৰু ২১ ছেপ্টেম্বৰ, ২০২৬, তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জন্মজয়ন্তী উপলক্ষে ধৰ্মীয়, সাংস্কৃতিক আৰু শৈক্ষিক বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আয়োজক সমিতিয়ে জনোৱা অনুসৰি, ২০ ছেপ্টেম্বৰৰ পুৱা ৯ বজাৰ পৰা প্ৰাথমিক পৰ্যায়ৰ পৰা মজলীয়া পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে পুৱা ৯.৩০ বজাৰ পৰা প্ৰাথমিক, মাধ্যমিক আৰু মুকলি শাখাত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বক্তৃতা প্ৰতিযোগিতাৰ বিষয় হিচাপে প্ৰাথমিক শাখাত 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বাল্যকাল, মাধ্যমিক শাখাত 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ' আৰু মুকলি শাখাত 'সাহিত্য-সংস্কৃতিৰ দিশত শ্ৰীমন্ত শংকৰদেৱৰ অৱদান' নিৰ্ধাৰণ কৰা হৈছে। ২১ ছেপ্টেম্বৰৰ তাৰিখে পুৱা ৫ বজাৰ পৰা প্ৰাতঃপ্ৰসঙ্গ আৰু নাম-কীৰ্তন অনুষ্ঠিত হ'ব। পুৱা ৮ বজাত ধৰ্মধ্বজা উত্তোলন, পুৱা ৯ বজাত স্মৃতি তৰ্পণ আৰু ৯.৩০ বজাত গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ লগতে সন্ধ্যা লৈ শিশু সকলৰ দ্বাৰা ৰাম বিজয় ভাওনা অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হ'ব। জন্মজয়ন্তীৰ দুয়োটা দিনৰ সকলো কাৰ্যসূচীতে বৰদিহিঙীয়া বৰনামঘৰ পৰিচালনা সমিতি আৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উদযাপন সমিতিয়ে সকলো ভক্তপ্ৰাণ ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীৰ উপস্থিতি তথা সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

## ১৭ ছেপ্টেম্বৰৰ পৰা জুবিন ক্ষেত্ৰত

যোৱা প্ৰভাৱক সন্মান জনাই এই স্মৰণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তিনিদিনীয়া কাৰ্যসূচীৰ প্ৰথম দিনা, অৰ্থাৎ ১৭ ছেপ্টেম্বৰত 'জুবিন দিৱস' হিচাপে পালন কৰা হ'ব। এই দিনটোত পুৱা প্ৰাৰ্থনা সভা অনুষ্ঠিত কৰি শিল্পীগৰাকীৰ আত্মাৰ শান্তি কামনা কৰা হ'ব। লগতে স্মৃতিচাৰণ সভা, প্ৰশংসা আৰু অসমীয়া সংগীতলৈ তেওঁৰ অৱদানৰ ওপৰত আলোচনা অনুষ্ঠিত কৰা হ'ব। দ্বিতীয় দিনা, ১৮ ছেপ্টেম্বৰত সাংস্কৃতিক অনুষ্ঠানৰ পৰিধি অধিক বিস্তৃত কৰা হ'ব। অসমৰ বিশিষ্ট সংগীতশিল্পী, শিল্পী আৰু জুবিনৰ ঘনিষ্ঠ বন্ধু-বান্ধৱসকলে অংশগ্ৰহণ কৰি তেওঁৰ গীতসমূহ পৰিৱেশন কৰিব। লগতে তেওঁৰ সংগীত যাত্ৰা আৰু অসমীয়া সমাজত তেওঁ স্থাপন কৰা সাংস্কৃতিক মাইলৰ খুঁটিসমূহ স্মৰণ কৰা হ'ব। গৰিমা শইকীয়া গাৰ্গে আশা প্ৰকাশ কৰে যে এই কাৰ্যসূচীয়ে জুবিনৰ প্ৰতি থকা ভালপোৱা আৰু শ্ৰদ্ধা নিবেদন কৰাৰ এক সুযোগ প্ৰদান কৰিব। তৃতীয় আৰু অন্তিম দিনা, ১৯ ছেপ্টেম্বৰত ভাগৱত নাম-কীৰ্তনৰ আয়োজন কৰা হৈছে। এই ধৰ্মীয় কাৰ্যসূচীৰ জৰিয়তে জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তি কামনা কৰা হ'ব। উল্লেখ্য যে, জুবিন গাৰ্গে নিজৰ সংগীত জীৱনত বিভিন্ন ধৰ্মীয় আৰু আধ্যাত্মিক গীত পৰিৱেশন কৰি শ্ৰোতাসকলক অভিভূত কৰিছিল, সেই পৰম্পৰাক স্মৰণ কৰি এই ভাগৱত কীৰ্তন অনুষ্ঠান বিশেষ গুৰুত্বপূৰ্ণ হৈ পৰিছে। জুবিন গাৰ্গৰ প্ৰতি থকা অপাৰ মৰম-শ্ৰদ্ধা আৰু অসমীয়া সংগীতলৈ তেওঁ আগবঢ়োৱা অমৰ অৱদানক সজীৱ ৰাখিবলৈ এই স্মৰণ কাৰ্যসূচী এখন প্ৰয়াস বুলি আয়োজকসকলে অভিহিত কৰিছে। অসমৰ বিভিন্ন প্ৰান্তৰ উপৰিও দেশ-বিদেশৰ বহু গুণমুগ্ধই এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। গৰিমা শইকীয়া গাৰ্গে সকলো শুভাকাংক্ষী আৰু সংগীতপ্ৰেমীক কাৰ্যসূচীত যোগদান কৰি জুবিনৰ স্মৃতিক প্ৰণাম জনাবলৈ আহ্বান জনাইছে।

## প্ৰাক্তন এয়াৰ মাৰ্শ্বেল জিতেন্দ্ৰ মিশ্ৰ

প্ৰদান কৰিব বুলি আশা কৰা হৈছে। ন্যাসৰ নতুন সদস্য হিচাপে দিল্লীৰ প্ৰখ্যাত সমাজকৰ্মী মহেশ ভাগচণ্ডকা, শিকোহাবাদৰ ডাঃ নিৰ্মলা যাদৱ আৰু অযোধ্যাৰ জ্যেষ্ঠ অধিবক্তা মদন মোহন পাণ্ডেক নিযুক্তি দিয়া হয়। এই সিদ্ধান্তৰ লগে লগে ন্যাসৰ পূৰ্বৰ অন্তৰ্ৱৰ্তীকালীন সাধাৰণ সম্পাদক কৃষ্ণ মোহনে পদত্যাগ কৰে। কৃষ্ণ মোহনে কয় যে তেওঁ ৬ জুলাইৰ পৰা এই দায়িত্ব পালন কৰি আহিছিল, আৰু এতিয়া মহাৰাজ গোবিন্দেৱ গিৰি নতুন মহাসচিব আৰু মহেশ ভাগচণ্ডকা কোষাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। নতুন সদস্য মদন মোহন পাণ্ডেয়ে নিজৰ নিযুক্তিৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰি কয়, "দুপৰীয়া প্ৰায় চ বজাত এই খবৰ পাওঁ। মোক ন্যাসৰ সেৱা আগবঢ়োৱাৰ সুযোগ দিয়া হৈছে। আমি চাম যে কেনেকৈ ৰক্ষণাবেক্ষণ আৰু পৰিচালনাৰ উন্নতি কৰিব পাৰো।" তেওঁ অযোধ্যাৰ স্থানীয় বাসিন্দা হোৱাৰ বাবে মন্দিৰ পৰিচালনাত অঞ্চলটোৰ প্ৰতি তেওঁৰ গভীৰ বুজাবুজি আছে বুলি উল্লেখ কৰে। ন্যাসৰ অধ্যক্ষ নিৰ্বাচন প্ৰক্ৰিয়া সম্পৰ্কে কৃষ্ণ মোহনে জানিবলৈ দিয়ে যে মুঠ ৫,৫৩৮জন আবেদনকাৰীৰ পৰা প্ৰাৰ্থনা সংগ্ৰহ কৰা হৈছিল। তাৰ পিছত কঠোৰ পৰীক্ষা আৰু সাক্ষাৎকাৰৰ জৰিয়তে ১৬ জনক চূড়ান্ত বাছনি কৰা হয়, আৰু শেষত সৰ্বসন্মতিক্ৰমে জিতেন্দ্ৰ মিশ্ৰক অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হয়। তেওঁ কয়, "আমি সকলো আবেদন পৰীক্ষা কৰি, প্ৰত্যেকৰে মতামত শুনি এই সিদ্ধান্তত উপনীত হওঁ।" উল্লেখযোগ্য যে, ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ন্যাসৰ মুখ্য কাৰ্যবাহী বিষয়াৰ বাবে মুঠ ৫, ৫৮৫ টি আবেদন আহিছিল, তাৰ পৰা ৰছ গৰাকী প্ৰাৰ্থীৰ সৈতে বিস্তৃত আলোচনা কৰা হয়। আজি নিৰ্বাচন সমিতিয়ে তিনিজন অতি যোগ্য প্ৰাৰ্থীৰ চূড়ান্ত পেনেল ন্যাসৰ সন্মুখত উপস্থাপন কৰে, যাৰ পৰা সৰ্বসন্মতিক্ৰমে জিতেন্দ্ৰ মিশ্ৰক বাছনি কৰা হয়। ন্যাসৰ নতুন অধ্যক্ষ হিচাপে তেওঁ আগন্তুক দিনবোৰত মন্দিৰৰ পৰিচালনা, উন্নয়ন আৰু ৰক্ষণাবেক্ষণৰ দায়িত্বভাৰ গ্ৰহণ কৰিব।

## কাজলগাঁৱত বিটিচি প্ৰধান হাগ্ৰামা

চন্দ্ৰ ৰায়কে ধৰি দুয়োটা ৰাজনৈতিক দলৰ বহু নেতা-কৰ্মী উপস্থিত থাকে। বৈঠকৰ প্ৰসংগত হাগ্ৰামা মহিলাৰীয়ে সংবাদ মাধ্যমক কয়, "আজি আমি চিৰাং জিলাৰ কাজলগাঁৱত মিত্ৰজোঁটৰ অংশীদাৰী দল হিচাপে বিজেপি-বিপিএফ দুয়োটা দলৰ নেতা-কৰ্মীসকলৰ সৈতে মিলিত হৈছো। আলোচনাৰ মূল বিষয় আছিল- বিটিচি এলেকাত দুয়োটা দলে একেলগে কেনেদৰে উন্নয়নমূলক কাম-কাজ আগুৱাই নিব পাৰে।" বৈঠকত বিটিচিৰ ৰৌতা, কাজলগাঁও আৰু দৰঙাজুলি পৰিষদীয় সমষ্টিত অনুষ্ঠিতব্য উপ-নিৰ্বাচনৰ প্ৰসংগও উত্থাপন হয়। উল্লেখযোগ্য যে দৰঙাজুলি সমষ্টিৰ বিজেপিৰ পাৰিষদ তথা বিটিচিৰ উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰীৰ অকাল মৃত্যুত সেই সমষ্টিত উপ-নিৰ্বাচনৰ প্ৰয়োজন হৈছে। কিন্তু নিৰ্বাচন কেতিয়া হ'ব সেয়া ৰাজ্যিক নিৰ্বাচন আয়োগৰ সৈতে আলোচনা কৰি আয়োগেই সিদ্ধান্ত ল'ব বুলি হাগ্ৰামা মহিলাৰীয়ে স্পষ্ট কৰে। ইপিনে, বিটিচি শাসনৰ বিৰুদ্ধে ইউপিপিএল দলে উত্থাপন কৰা অভিযোগ- যেনে হত্যা-হিংসা বৃদ্ধি, চিণ্ডিকেটৰাজ আৰু অৰুণোদয় আঁচনিৰ পৰা প্ৰকৃত হিতাধিকাৰীৰ নাম কৰ্তন কৰা- সম্পৰ্কত সাংবাদিকে প্ৰশ্ন উত্থাপন কৰে। উত্তৰত বিটিচি প্ৰধান গৰাকীয়ে ইউপিপিএলক কটাক্ষ কৰি কয়, "বিগত পাঁচ বছৰত মিছন ভিজনৰ নামত টকা উলিয়াই খালে, কিন্তু ৰাস্তা-দলং বা স্কুল-কলেজ নিৰ্মাণ কৰিছে নেকি? তাৰ হিচাপ সিহঁতে দিব পাৰিবনে?" তেওঁ লগতে কয়, "আমাৰ শাসনকালত বিটিচি এলেকাত মুৰ্গী, গাহৰি, ছাগলীৰ বিক্ৰী বিৰাট হাৰত বৃদ্ধি পাইছে। এইবোৰহে হত্যা হৈ আছে-মানুহ হত্যা হোৱা নাই। যাৰ ফলত মাছ-মঙহৰ বিক্ৰী বৃদ্ধি পাইছে আৰু অঞ্চলটোৰ মানুহ অৰ্থনৈতিকভাৱে লাভান্বিত হৈছে।" তেওঁ ইউপিপিএল দলক বিটিচি এলেকাত বিৰোধী দল হিচাপে স্বীকৃতি দিবলৈ অস্বীকাৰ কৰি কয় যে তেওঁলোক যদিও নিজকে অকলশৰীয়া বুলি কয়, কিন্তু ভিতৰি ভিতৰি বিজেপিৰ সৈতে মিলি আছে। উল্লেখযোগ্য যে, আনুষ্ঠানিক বৈঠক আৰম্ভ কৰাৰ আগতে হাগ্ৰামা মহিলাৰীয়ে কাজলগাঁওস্থিত জিলা বিজেপি কাৰ্যালয়ত উপস্থিত হৈ চাহ-জলপান গ্ৰহণ কৰি জিলা বিজেপিৰ নেতা-কৰ্মীসকলৰ সৈতে মতবিনিময় কৰে, তাৰ পিছতহে জিলা কেন্দ্ৰত অনুষ্ঠিত মূল বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকে আগন্তুক দিনবোৰত বিটিচি এলেকাৰ ৰাজনীতি আৰু উন্নয়নৰ গতিপথ নিৰ্ধাৰণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি ৰাজনৈতিক মহলে আশা কৰিছে।

## মণিপুৰত লোকপিয়ল স্থগিত ৰখাৰ

জনাই লোৱা হৈছে। বুধবাৰে মণিপুৰ বিধানসভাৰ অষ্টম অধিৱেশনৰ প্ৰথম দিনা সদনত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য প্ৰকাশ কৰে। তেওঁ লগতে কয় যে ৰাজ্যৰ কুকি-জো কাউন্সিলে এই সিদ্ধান্তৰ বিৰোধিতা কৰিছে যদিও চৰকাৰে সামগ্ৰিক পৰিস্থিতিৰ মূল্যায়ন কৰিয়েই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। বিধানসভাৰ মজিয়াত উত্তোলন কৰা তথ্য প্ৰসংগত মুখ্যমন্ত্ৰী সিঙে জনায় যে ২০২২ চনৰ আগষ্ট মাহত তদানীন্তন মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে মণিপুৰত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এনআৰচি) কাৰ্যকৰী কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিছিল। সেই প্ৰস্তাৱৰ ভিত্তিতে ২০২৩ চনত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়লৈ এখন পত্ৰ প্ৰেৰণ কৰা হৈছিল, য'ত এনআৰচি প্ৰস্তুত কৰাৰ পিছতহে লোকপিয়ল অনুষ্ঠিত কৰা উচিত বুলি উল্লেখ কৰা হৈছিল। ২০২৪ চনৰ বিধানসভা অধিৱেশনত এই প্ৰস্তাৱ পুনৰ নিশ্চিত কৰা হয় আৰু পুনৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰা হয় বুলিও তেওঁ সদনক অৱগত কৰে। মণিপুৰত ৰাষ্ট্ৰপতি শাসন আৰু নতুন চৰকাৰ গঠনৰ পিছত চলিত আগষ্ট মাহত ৰাজ্যিক গৃহ বিভাগৰ উদ্যোগত দুদিনীয়া এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। সেই আলোচনাতে পুনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় যে লোকপিয়লৰ পূৰ্বে এনআৰচি সম্পূৰ্ণ কৰাটো আৱশ্যক। মুখ্যমন্ত্ৰী সিঙে কয়, "এই সকলোবোৰ পটভূমি আৰু জনসাধাৰণৰ অভিযোগ-দুৰ্দশা বিবেচনা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অন্যান্য শীৰ্ষ নেতাই লোকপিয়ল স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ই ৰাজ্যবাসীৰ মনোভাবক গুৰুত্ব দিয়াৰ এক উজ্জ্বল নিদৰ্শন।" মুখ্যমন্ত্ৰী সিঙে সদনত স্পষ্টীকৰণ দিয়ে যে এই সিদ্ধান্ত কোনো লিখিত চৰকাৰী নিৰ্দেশ নহয়, বৰঞ্চ নতুন দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত এক উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰী আৰু ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ উপস্থিতিতে লোৱা হৈছিল। তেওঁ কয়, "উক্ত বৈঠকতে সৰ্বসন্মতিক্ৰমে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।" উল্লেখ্য যে, যোৱা ৩১ আগষ্টত মুখ্যমন্ত্ৰীৰ সচিবালয়ে ইতিমধ্যে এই স্থগিতাদেশৰ বিষয়ে আনুষ্ঠানিকভাৱে অৱগত কৰিছিল। লোকপিয়লৰ পূৰ্বে এনআৰচি উন্নীতকৰণৰ দাবী লৈ ৰাজ্যখনত চলা প্ৰতিবাদ আন্দোলনৰ মাজতে এই সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি মুখ্যমন্ত্ৰীয়ে সদনত উল্লেখ কৰে। কুকি-জো কাউন্সিলে অৱশ্যে এই সিদ্ধান্তৰ প্ৰত্যাখ্যান কৰি ৰাজ্যখনত পুনৰ ৰাষ্ট্ৰপতি শাসনৰ দাবী তুলিছে, যাৰ ফলত ৰাজনৈতিক মহলত নতুন উত্তেজনাৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী সিঙে বিধানসভাত ভাষণ দি কয়, "কেন্দ্ৰীয় চৰকাৰ সদায় উত্তৰ-পূবৰ জনগোষ্ঠীৰ স্বাৰ্থৰ প্ৰতি সংবেদনশীল। এই সিদ্ধান্তই প্ৰমাণ কৰে যে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে মণিপুৰৰ প্ৰতিটো সমস্যাক গভীৰতাৰে অনুধাৱন কৰি পদক্ষেপ লয়।" তেওঁ আশা প্ৰকাশ কৰে যে এই স্থগিতাদেশে ৰাজ্যৰ শান্তি-শৃংখলা বজাই ৰখাত সহায় কৰিব, আৰু এনআৰচিৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত স্বচ্ছ আৰু নিৰপেক্ষ লোকপিয়ল সম্ভৱ হ'ব।

## ৩০ ছেপ্টেম্বৰত বৰ্ষাপাৰা ষ্টেডিয়ামত

ক্ৰয় কৰিব পাৰিব। বিশেষভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সংৰক্ষিত এক বিশেষ সুবিধা ৰখা হৈছে; তেওঁলোকে মাত্ৰ ৫০০ টকা মূল্যত ষ্টেডিয়ামত প্ৰৱেশৰ সুযোগ পাব। আনহাতে, অন্যান্য সকলো ষ্টেণ্ডৰ বাবে টিকটৰ মূল্য ১৫০০ টকাৰ পৰা আৰম্ভ হ'ব, যাৰ মাজত বিভিন্ন শ্ৰেণীৰ আসন অন্তৰ্ভুক্ত থাকিব। টিকট বুকিঙৰ পিছত দৰ্শকসকলে এম-টিকট (M-Ticket) লাভ কৰিব, যাৰ জৰিয়তে তেওঁলোকে মেচৰ দিনা পোনপটীয়াভাৱে ষ্টেডিয়ামৰ প্ৰৱেশদ্বাৰত স্কেন কৰি সোমাব পাৰিব। এই ডিজিটেল টিকট ব্যৱস্থাই দৰ্শকসকলৰ বাবে সময় সঞ্চয় কৰাৰ লগতে সুবিধাজনক প্ৰৱেশ পদ্ধতি নিশ্চিত কৰিব বুলি আশা কৰা হৈছে।

## ভূটানে এৰিলে কুৰিশ্বু জলবিদ্যুৎ

সন্মুখীন হ'ব পাৰে। সেয়ে কোনো ধৰণৰ অঘটন সংঘটিত নহ'বলৈ প্ৰশাসনে আগতীয়াকৈ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। ৰ আগষ্টত নৈপৰীয়া অঞ্চলসমূহত মাইকযোগে এই সতৰ্কবাণী প্ৰচাৰ কৰা পৰিলক্ষিত হয়। প্ৰশাসনে পৰিস্থিতিৰ ওপৰত নজৰ ৰাখিছে আৰু নৈপৰীয়া ৰাইজক প্ৰশাসনৰ নিৰ্দেশনা মানি চলি অত্যাৱশ্যকীয় সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে।

## অসমৰ বিজ্ঞান-প্ৰযুক্তি প্ৰসাৰত কেন্দ্ৰীয়

ক্ৰমাৎ বৃদ্ধি পাই থকা গুৰুত্ব সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। ড° জীতেন্দ্ৰ সিঙে অসমত সাম্প্ৰতিক সময়ত দ্ৰুতগতিত আগবাঢ়ি থকা উন্নয়নমূলক কাম-কাজবোৰৰ প্ৰশংসা কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ব্যক্তিগত ইচ্ছা আৰু দূৰদৰ্শী নেতৃত্বৰ ফলতেই ৰাজ্যখনৰ বিভিন্ন প্ৰকল্পই বাস্তৱ ৰূপ পাবলৈ সক্ষম হৈছে। বিগত এটা দশকত অসমত হোৱা আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য আৰু সংযোগ ক্ষেত্ৰৰ উন্নয়নক তেওঁ বিশেষভাৱে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে অধ্যক্ষ দাসক অৱগত কৰে যে উত্তৰ-পূবাঞ্চলত উদ্ভাৱন, বৈজ্ঞানিক গৱেষণা আৰু প্ৰযুক্তি-নিৰ্ভৰ উন্নয়নক আগুৱাই নিয়াটো কেন্দ্ৰীয় চৰকাৰৰ অন্যতম মুখ্য অগ্ৰাধিকাৰ। তেওঁ কয় যে অসমকে ধৰি সমগ্ৰ অঞ্চলটোত বিজ্ঞান আৰু প্ৰযুক্তিৰ আন্তঃগাঁথনি সম্প্ৰসাৰণৰ বাবে চৰকাৰে বিভিন্ন পৰিকল্পনা হাতত লৈছে, যাৰ ফলত স্থানীয় প্ৰতিভাই বিশ্বমঞ্চত নিজৰ যোগ্যতা প্ৰদৰ্শন কৰিব পাৰিব। সাক্ষাৎকালত অসমৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ আন্তঃগাঁথনি আৰু অধিক সম্প্ৰসাৰণৰ সম্ভাৱনা সম্পৰ্কেও গভীৰভাৱে আলোচনা হয়। বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগ আৰু জৈৱ প্ৰযুক্তি বিভাগৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে অসমৰ যুৱ সমাজক বিজ্ঞান-গৱেষণাৰ প্ৰতি আকৃষ্ট কৰিবলৈ ৰাজ্য চৰকাৰে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়েও মন্ত্ৰীগৰাকীক অৱগত কৰে। এই সাক্ষাৎক অসমৰ বিজ্ঞান আৰু প্ৰযুক্তি ক্ষেত্ৰৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰা হৈছে, কাৰণ ই ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত সমন্বয় বৃদ্ধিৰ লগতে অসমৰ উন্নয়নক নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। অধ্যক্ষ দাসে মন্ত্ৰী সিঙক অসমলৈ আহি ৰাজ্যৰ বৈজ্ঞানিক প্ৰতিষ্ঠানসমূহ পৰিদৰ্শন কৰিবলৈ আহ্বান জনায়, যাৰ প্ৰতি মন্ত্ৰীগৰাকীয়ে ইতিবাচক সঁহাৰি প্ৰদান কৰে।

## ৰে'লৰ অপেক্ষাৰ মাজতে মাতৃৰ

মহিলাগৰাকীয়ে নিউ তিনিচুকীয়া ৰে'ল ষ্টেচনৰ ৰ নম্বৰ প্লেটফৰ্মতে এটি পুত্ৰ সন্তান জন্ম দিয়ে। নামৰূপৰ পদুমণি বস্তিৰ ৰাখান মুৰ্মুৰ পত্নী দীপালি মুৰ্মু (৩৫) নামৰ মহিলাগৰাকী স্বামীৰ সৈতে নামৰূপলৈ যোৱাৰ বাবে UTS টিকট লৈ নিউ তিনিচুকীয়া ষ্টেচনত উপস্থিত হৈছিল। সন্ধিয়া প্ৰায় ৭.৩০ বজাত প্লেটফৰ্মত বহি থকা অৱস্থাতে হঠাৎ তেওঁৰ প্ৰসৱ বেদনা আৰম্ভ হয়। মুহূৰ্ততে আনন্দৰ যাত্ৰা পৰিণত হয় উদ্বেগ আৰু ব্যস্ততাৰে ভৰা এক জৰুৰী পৰিস্থিতিত। খবৰ লাভ কৰাৰ লগে লগে ৰে'লৱেৰ চিকিৎসক ডাঃ কে. ডাঙৰীয়াই চিকিৎসা দলসহ ঘটনাস্থলীত উপস্থিত হয়। চিকিৎসা কৰ্মীৰ লগতে বাণিজ্যিক শাখাৰ কৰ্মচাৰী, ৰে'লৱে সুৰক্ষা বাহিনী (RPF) আৰু চৰকাৰী ৰে'ল আৰক্ষীৰ (GRP) জোৱানসকলেও তৎপৰতাৰে সহায়ৰ হাত আগবঢ়ায়। ৰে'ল ষ্টেচনৰ ব্যস্ত পৰিৱেশৰ মাজতে চিকিৎসা দলৰ তৎপৰতাত অৱশেষত স্বাভাৱিকভাৱে এটি পুত্ৰ সন্তানৰ জন্ম দিয়ে দীপালিয়ে। কিছুসময় আগলৈকে যি প্লেটফৰ্মত ৰে'ল অহা-যোৱাৰ ঘোষণা শুনা গৈছিল, সেই প্লেটফৰ্মতেই প্ৰতিধ্বনিত হ'ল নৱজাতকৰ প্ৰথম কান্দোন। প্ৰসৱৰ পিছত মাতৃ আৰু নৱজাতকক প্ৰয়োজনীয় চিকিৎসাৰ বাবে এম্বুলেঞ্চযোগে তিনিচুকীয়াৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। দুয়োৰে অৱস্থা পৰ্যবেক্ষণ কৰি চিকিৎসা সেৱা আগবঢ়োৱা হয়। ৰে'লৱেৰ চিকিৎসা দলৰ সময়োচিত পদক্ষেপ আৰু RPF, GRP তথা ষ্টেচনৰ কৰ্মচাৰীসকলৰ সহযোগিতাই এটা জৰুৰী মুহূৰ্তক সুৰক্ষিত পৰিণতি দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰে'লৰ বাবে অপেক্ষা কৰি থকা এটা পৰিয়ালৰ বাবে সেই সন্ধিয়া অৱশেষত পৰিণত হ'ল জীৱনৰ আটাইতকৈ মধুৰ যাত্ৰাৰ আৰম্ভণিলৈ।

## এইটো কেৱল ৰসুৱা, নুৱাকোট আৰু

নিয়োজিত কৰিবলৈ সক্ষম হয় বুলি তেওঁ কয়। ইয়াৰ উপৰিও, প্ৰভাৱিত অঞ্চলসমূহত সেনাৰ হেলিকপ্টাৰ মোতায়ন কৰি উদ্ধাৰ অভিযান তত্ত্বৰান্বিত কৰা হয় আৰু দুপৰীয়া ১ বজাৰ ভিতৰতে স্থানীয় সাংসদ আৰু বিধায়কসকলৰ সৈতে যোগাযোগ স্থাপন কৰা হয় বুলি তেওঁ লগতে জনায়। বানপানীৰ প্ৰথমটো দিনৰ সন্ধিয়া ৭ ৰজাৰ পৰা প্ৰধানমন্ত্ৰী সাহায্য পুঁজিলৈ বৰঙনি আহ্বান কৰা হয়। ৰসুৱা আৰু নুৱাকোটৰ বাবে চৰকাৰে পৃথকভাৱে ৰ কোটি টকাকৈ আবণ্টন কৰে। উদ্ধাৰ কাৰ্যত মহিলা, শিশু আৰু বৃদ্ধসকলক অগ্ৰাধিকাৰ দিয়ে। লগতে, বিদেশী নাগৰিকসকলৰ সন্ধান আৰু উদ্ধাৰৰ বাবে এটা বিশেষ দল গঠন কৰা হয়। সাহায্য সামগ্ৰীৰে ভৰা ১০ ট্ৰাক প্ৰভাৱিত অঞ্চললৈ প্ৰেৰণ কৰা হয়। আনহাতে, সকলো কেন্দ্ৰীয় মন্ত্ৰীয়ে তেওঁলোকৰ এক মাহৰ দৰমহা সাহায্য পুঁজিলৈ বৰঙণি হিচাপে আগবঢ়োৱাৰ সিদ্ধান্ত লয়। প্ৰধানমন্ত্ৰী শ্বাহে জনোৱা অনুসৰি, এতিয়ালৈকে মুঠ ১১, ৯৯জন লোকক সুৰক্ষিতভাৱে উদ্ধাৰ কৰা সম্ভৱ হৈছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে ৩, ৯১৬জন লোক এতিয়াও নিখোজ হৈ আছে, যাৰ সন্ধান অব্যাহত আছে। নেপাল আৰক্ষীৰ প্ৰদত্ত তথ্য অনুসৰি, বুধবাৰৰ শেষলৈকে এই বানপানীত মৃত্যু হোৱা লোকৰ সংখ্যা ১, ১২৭ জনলৈ বৃদ্ধি পায়। এই মৃত্যুৰ ভিতৰত বহু পৰ্যটক আৰু বিদেশী নাগৰিকো অন্তৰ্ভুক্ত বুলি জানিব পৰা গৈছে। প্ৰধানমন্ত্ৰী শ্বাহে গভীৰ শোক প্ৰকাশ কৰি কয়, "এইটো কেৱল ৰসুৱা, নুৱাকোট আৰু ধাডিঙৰ দুখ নহয়, ই সমগ্ৰ নেপালী জাতিৰ হৃদয়ত পৰা উমৈহতীয়া আঘাত।' তেওঁ লগতে উল্লেখ কৰে যে এনে সংকটৰ সময়ত ৰাষ্ট্ৰীয় নেতাসকলে হতাশাত ভাগি নপৰি দৃঢ়তা আৰু সাহসেৰে যুঁজ দিব লাগে, আৰু চৰকাৰে সেই দিশতে কাম কৰি আছে। "আমাৰ ওচৰত দৃঢ়তা আৰু সাহসেৰে যুঁজ দিয়াৰ বাহিৰে আন কোনো বিকল্প নাই, আৰু আমি যুঁজি আছোঁ"- এই মন্তব্যেৰে তেওঁ জাতীয় ঐক্যৰ আহ্বান জনায়। নেপাল চৰকাৰে উদ্ধাৰ আৰু সাহায্য কাৰ্য জাৰি ৰাখিছে, আনহাতে অন্যান্য ৰাজ্য আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানবোৰেও সহায়ৰ হাত আগবঢ়াইছে। বানপানীৰ এই প্ৰাকৃতিক দুৰ্যোগে নেপালক এক কঠিন পৰীক্ষাৰ সন্মুখীন কৰিছে যদিও প্ৰধানমন্ত্ৰী শ্বাহৰ নেতৃত্বত চৰকাৰ আৰু জনতা একত্ৰিত হৈ বিপৰ্যয় মোকাবিলাত অগ্ৰসৰ হৈ থকা বুলি প্ৰতীয়মান হৈছে।

## বাক্সাৰ ভাৰত-ভূটান সীমান্ত

প্ৰথম সীমান্ত পৰিদৰ্শন। পাগলাদিয়া নৈৰ বান্ধ নিৰ্মাণস্থলী পৰ্যৱেক্ষণ কৰি মন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ কৃষকৰ দীৰ্ঘদিনীয়া জলসিঞ্চনৰ সমস্যা সমাধানৰ বাবে দুবছৰৰ ভিতৰত এখন স্থায়ী বান্ধ নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। উল্লেখ্য যে, চৌকী অঞ্চলৰ কৃষকসকলে দীৰ্ঘদিন ধৰি পানীৰ অভাৱত দুখ পাই আহিছে। ইতিপূৰ্বেও পাগলাদিয়া নৈত কোটি টকা ব্যয় কৰি বান্ধ নিৰ্মাণ কৰা হৈছিল যদিও সেই বান্ধে কৃষকৰ সমস্যা সম্পূৰ্ণৰূপে দূৰ কৰিব পৰা নাছিল। বিগত নিৰ্বাচনৰ সময়ত মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই অঞ্চলটোৰ কৃষকৰ সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰি আজি এই পৰিদৰ্শন আয়োজন কৰা হৈছে বুলি মন্ত্ৰী হাজৰিকাই সাংবাদিকক অৱগত কৰে। পৰিদৰ্শনকালত মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে আগন্তুক দুবছৰৰ ভিতৰত পাগলাদিয়া নৈত নতুন বান্ধ নিৰ্মাণ কৰি চৌকী অঞ্চলৰ প্ৰায় ১০ হাজাৰ হেক্টৰ কৃষিভূমিত নিৰৱচ্ছিন্নভাৱে পানী যোগান ধৰা সম্ভৱ হ'ব। তেওঁ কৃষকসকলক আহ্বান জনায় যে পানীৰ সুবিধা পোৱাৰ পিছত তেওঁলোকে বছৰি তিনিটা শস্য উৎপাদন কৰি আৰ্থিকভাৱে সবল হৈ উঠক। তেওঁ লগতে উল্লেখ কৰে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয় কাৰ্যকালত ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিতে ৩০৪ হেক্টৰ কৃষিভূমি উন্নয়নৰ কাম সম্পন্ন কৰা হ'ব। চৌকীৰ বান্ধ নিৰ্মাণস্থলী পৰিদৰ্শনৰ সময়ত মন্ত্ৰী হাজৰিকাক সংগ দিয়ে তামুলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল (বিটিচি)ৰ কাৰ্যবাহী সদস্য গণেশ কছাৰী, বাক্সা জিলা জলসিঞ্চন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু স্থানীয় গণ্যমান্য ব্যক্তিসকল। বিশ্বজিৎ দৈমাৰীয়ে কয় যে এই বান্ধ নিৰ্মাণৰ কাম স্বচ্ছতা আৰু গুণগত মান বজাই সম্পন্ন কৰিবলৈ বিভাগীয় বিষয়াসকলক কঠোৰ নিৰ্দেশ দিয়া হৈছে। পাগলাদিয়া নৈৰ বান্ধ সম্পূৰ্ণ হ'লে চৌকীকে ধৰি তামুলপুৰ অঞ্চলৰ হাজাৰ হেক্টৰ কৃষিভূমি লাভৱান হ'ব, যাৰ ফলত অঞ্চলটোৰ কৃষি উৎপাদন বহুগুণে বৃদ্ধি পাব বুলি আশা কৰা হৈছে। মন্ত্ৰীসকলৰ এই পৰিদৰ্শন আৰু প্ৰতিশ্ৰুতিৰ পাছত স্থানীয় কৃষকসকলৰ মাজত ব্যাপক সন্তুষ্টি বিৰাজ কৰিছে।

## সোণোৱাল কছাৰী স্বায়ত্বশাসিত

ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে মুঠ ভোটাৰ হৈছে ৬৮৩৫। ইয়াৰে পুৰুষ ভোটাৰ ৩২০৭, মহিলা ভোটাৰ ৩৬২৬ আৰু তৃতীয় লিংগৰ ভোটাৰ চগৰাকী। ডাঙৰী সমষ্টিৰ ১০টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে মুঠ ভোটাৰ হৈছে ৬৭১৯। ইয়াৰে পুৰুষ ভোটাৰ ৩১৪৭ আৰু মহিলা ভোটাৰ ৩৫৭২ গৰাকী। ডিৰাক-চুমনি সমষ্টিৰ ৰৰটা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে মুঠ ভোটাৰ হৈছে ৫০৪২। ইয়াৰে পুৰুষ ভোটাৰ ২৩৯৭ আৰু মহিলা ভোটাৰ ২৬৪৫ গৰাকী। তিনিচুকীয়া সমষ্টিৰ ১৩টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে মুঠ ভোটাৰ হৈছে ৭৩৬৫। ইয়াৰে পুৰুষ ভোটাৰ ৩৫৩১ আৰু মহিলা ভোটাৰ ৩৮৩৪ গৰাকী। বুঢ়ীদিহিং সমষ্টিৰ ১০টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে মুঠ ভোটাৰ হৈছে ৫৩৪১। ইয়াৰে পুৰুষ ভোটাৰ ২৬১৪ আৰু মহিলা ভোটাৰ ২৭২৭ গৰাকী। তিনিচুকীয়াৰ জিলা তথ্য আৰু জনসংযোগ বিষয়া মামুন বৰকটকীয়ে এক প্ৰেছ বিজ্ঞপ্তি যোগে এই তথ্য সদৰি কৰিছে।

## নগাঁও সমষ্টি কঠিন, তথাপি আশা

মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে এই সমষ্টি জনগাঁথনিৰ ফালৰ পৰা তেওঁলোকৰ দলৰ পক্ষত সহায়ক নহয়। তথাপি তেওঁ আশাবাদী যে দলটোৱে এই নিৰ্বাচনত ভাল ফলাফল অৰ্জন কৰিব সক্ষম হ'ব। তেওঁ স্পষ্টকৈ উল্লেখ কৰে যে অৰুণোদয় আঁচনি কোনো ৰাজনৈতিক আহিলা নহয়, আৰু ইয়াক ৰাজনৈতিক প্ৰচাৰৰ অংশ কৰা অনুচিত। তেওঁ কয় যে জয় লাভ নকৰা সমষ্টিতো প্ৰায় ২৫-৩০ হাজাৰ লোকে অৰুণোদয়ৰ সুবিধা লাভ কৰিছে, আৰু একাংশ চৰকাৰী চাকৰিয়ালেও এই আঁচনিৰ অধীনত পুঁজি লাভ কৰিছিল। বৰ্তমান যোগ্যতা নথকা লোকসকলৰ নাম তালিকাৰ পৰা কৰ্তন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জনায়। আনহাতে, USTMৰ পাহাৰ খনন কৰা অঞ্চলটোক লৈ মন্ত্ৰী গৰাকীয়ে গুৰুতৰ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয় যে USTMৰ মাটি কটাৰ বাবেই এখন ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে, য'ৰ পৰা নামি অহা পানীৰ প্ৰচণ্ড সোঁতে যোৰাবাট অঞ্চলত সাগৰসদৃশ পৰিৱেশৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমত USTMৰ পৰা নামি অহা পানীৰ দৃশ্য ভাইৰেল হৈ পৰাৰ পিছত মন্ত্ৰীগৰাকীয়ে এই মন্তব্য প্ৰকাশ কৰে আৰু কয় যে এই দৃশ্যসমূহে মুখ্যমন্ত্ৰীয়ে ইতিপূৰ্বে উল্লেখ কৰা ভয়ংকৰ পৰিস্থিতিৰ কথা সম্পূৰ্ণৰূপে প্ৰমাণ কৰিছে। তেওঁ এই অঞ্চলটোত তৎক্ষণাত ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইফালে, ৰাজ্যত 'অৰুণোদয় সাৰথি' কাৰ্যসূচীৰ অধীনত ৰচ্ছ গৰাকী লোকক নিযুক্তি দিয়া হৈছে, যাৰ মাধ্যমেৰে প্ৰতিটো বিধানসভা সমষ্টিতে এগৰাকী সাৰথিয়ে কাম কৰিব। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অৰুণোদয় সাৰথিসকলৰ বাবে এখন প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই প্ৰশিক্ষণৰ জৰিয়তে তৃণমূল পৰ্যায়ত অৰুণোদয় আঁচনি ৰূপায়ণত থকা অসুবিধাসমূহ দূৰ কৰি তোলা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে মুখ্যমন্ত্ৰীৰ সপোনৰ আঁচনি অৰুণোদয়ক সফল কৰি তুলিবলৈ এই সাৰথিসকল এক গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে কাম কৰিব, যাৰ ফলত আঁচনিৰ সুবিধাসমূহ সঠিকভাৱে যোগ্য লোকলৈ প্ৰেৰণ কৰিব। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ এইবোৰ মন্তব্য অহা দিনবোৰত ৰাজ্যৰ ৰাজনৈতি আৰু পৰিৱেশ সম্পৰ্কীয় আলোচনাত নতুন মাত্ৰা সংযোজন কৰিব বুলি অনুমান কৰা হৈছে। বিশেষকৈ নগাঁও উপ-নিৰ্বাচন আগতীয়াকৈ ঘোষণা হ'ব পাৰে বুলি জল্পনা চলি থকা পৰিস্থিতিত তেওঁৰ এই মন্তব্য আৰু গুৰুত্বপূৰ্ণ হৈ পৰিছে।

## ডিব্ৰুগড় আদালতৰ ঐতিহাসিক ৰায়

এটা গোচৰত অভিযুক্তজনক চাৰি বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ১,০০০ টকা জৰিমনা প্ৰদান কৰা হয়। আদালতৰ এই বহুল আলোচিত ৰায়ে আইনৰ প্ৰতি থকা জনমানসৰ আস্থাক পুনৰ প্ৰবল কৰি তুলিলে। দণ্ডপ্ৰাপ্তসকলৰ ভিতৰত উল্লেখযোগ্য হৈছে ডিব্ৰুগড় সদৰ থানাৰ কনষ্টেবল বিকি চেতিয়া, যিয়ে ২০২২ চনৰ ৰ মাৰ্চত নিজ সেৱা পিষ্টলৰে অন্তঃসত্বা পত্নী জয়শ্ৰীক গুলীয়াই হত্যা কৰিছিল। বুকু আৰু ডিঙিত গুলী লাগি ঘটনাস্থলীতেই তেওঁৰ মৃত্যু হয়। আৰক্ষীয়ে তেতিয়া ১৬১/২০২২ নং গোচৰ ৰুজু কৰি বিকিক গ্ৰেপ্তাৰ কৰে। আজি আদালতে তেওঁক ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰা আৰু অস্ত্ৰ আইনৰ ২৭(১) ধাৰাত দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ড বিহে। একে ধৰণে, ২০২১ চনৰ ৩০ নৱেম্বৰত বৈৰাগীমঠৰ মলখুবচাত সংঘটিত এক নৃশংস হত্যাকাণ্ডৰ বিচাৰও আজি চূড়ান্ত হয়। ভাড়াঘৰৰ মালিক সুধীৰ গগৈ আৰু পত্নী কাজল চুংক্ৰাং ভূমিজক হত্যা কৰি অভিযুক্ত ৰাজীৱ চুংক্ৰাং কণমানি কন্যাক লৈ শদিয়ালৈ পলাই গৈছিল যদিও আৰক্ষীৰ তৎপৰ অনুসন্ধানত গ্ৰেপ্তাৰ হয়। আদালতে তেওঁকো ৩০২ ধাৰাত দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ড আৰু ১০, ০০০ টকা জৰিমনা বিহে। ইয়াৰ উপৰিও, হত্যাৰ অভিযোগত চুকৰাম মুড়া, ৰাজু চেতিয়া আৰু দীপু মেছ নামৰ তিনিজন অভিযুক্তক আদালতে একেই শাস্তি প্ৰদান কৰে। প্ৰত্যেককে ১০, ০০০ টকাকৈ জৰিমনা আৰু জৰিমনা অনাদায় হ'লে অতিৰিক্ত তিনি মাহ কাৰাদণ্ড ভোগ কৰিবলগীয়া হ'ব। আনহাতে, হত্যাৰ প্ৰচেষ্টাৰ গোচৰত পুতুল গড় নামৰ অভিযুক্তজনক চাৰি বছৰ কাৰাদণ্ড আৰু ১,০০০ টকা জৰিমনা বিহে; জৰিমনা নিদিলে তেওঁ সাত দিন অধিক কাৰাগাৰত থাকিব লাগিব। চৰকাৰী পক্ষৰ হৈ ডিব্ৰুগড়ৰ অতিৰিক্ত চৰকাৰী অধিবক্তা চিন্ময়ী দত্ত আৰু নিলোৎপল ফুকনে আদালতত সফলভাৱে যুক্তি দাঙি ধৰে। ৰায় প্ৰদানৰ পিছত চিন্ময়ী দত্তই সাংবাদিকক কয়, "ডিব্ৰুগড়ৰ ন্যায়িক ইতিহাসত আজি এক সোণালী দিন। একেটা দিনতে একেখন আদালতে ছটা গোচৰৰ ৰায়দান কৰা ঘটনা অত্যন্ত দুৰ্লভ। পাঁচ জনক যাৱজ্জীৱন কাৰাদণ্ড আৰু জৰিমনা বিহা হৈছে, যি নিৰ্দয় অপৰাধীসকলক নিৰুৎসাহিত কৰিব।" ৰায় প্ৰকাশ পোৱাৰ পিছত স্থানীয় লোকসকলৰ মাজত সন্তুষ্টি বিৰাজ কৰিছে। বহুতে কৈছে, "আইন সদায় দীঘলীয়া হ'ব পাৰে, কিন্তু শেষত ন্যায় পোৱা যায়" — এই সত্য আজি ডিব্ৰুগড় আদালতে পুনৰ প্ৰমাণ কৰিলে। আৰক্ষী আৰু ন্যায়পালিকা বিভাগৰ এই সফলতাই আগন্তুক সময়ত অপৰাধীক সংযত ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা লাভ কৰিব বুলি আশা কৰা হৈছে।

## অতিপাত নিচাসক্ত অৱস্থাত কংগ্ৰেছ

প্ৰতি থকা "অন্ধ ঘৃণা"ৰ বাবেই তেওঁলোকে দেশৰ প্ৰকৃত অৰ্থনৈতিক বাস্তৱতা অনুধাৱন কৰিব পৰা নাই। ৰিজিজুৰ এই আক্ৰমণৰ কাৰণ হৈছে কেৰালা কংগ্ৰেছে এক্সত শ্বেয়াৰ কৰা এখন ছবি আৰু মন্তব্য। ছবিখনত ভাৰতীয় অৰ্থনীতিক এক গ্লাছ বীয়েৰ হিচাপে আৰু চৰকাৰী জিডিপি পৰিসংখ্যাক তাৰ ওপৰৰ 'ফেন' হিচাপে চিত্ৰিত কৰা হৈছিল, যাৰ দ্বাৰা চৰকাৰী তথ্য আপাত আৰু অস্থায়ী বুলি বুজাব বিচৰা হৈছিল। কংগ্ৰেছে পোষ্টটোত লিখিছিল, "এতিয়া কোনেও ভুৱা কাহিনীত বিশ্বাস নকৰে, বিশ্বই এই ভুৱা কাহিনী বুজি পায়।" ৰিজিজুৱে এই পোষ্টৰ উত্তৰত কয়, "অত্যধিক বীয়েৰ খোৱাৰ বাবে কংগ্ৰেছৰ গভীৰ নিচাসক্ত অৱস্থা হৈছে নে ভাৰতৰ বিকাশৰ প্ৰতি অন্ধ ঘৃণাত কংগ্ৰেছীসকল ইমানেই নিমজ্জিত হৈছে যে তেওঁলোকে ভূমিৰ বাস্তৱতাৰ সৈতে যোগাযোগ হেৰুৱাই পেলাইছে?" তেওঁ লগতে কয় যে বিৰোধী দলটোৱে প্ৰকৃত পৰিসংখ্যা আৰু অৰ্থনৈতিক অগ্ৰগতিৰ সৈতে খাপ খুৱাব নোৱাৰি আপত্তিজনক ভাষা ব্যৱহাৰ কৰি চলিছে। উল্লেখযোগ্য যে, চলিত বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত (এপ্ৰিল-জুন) ভাৰতৰ জিডিপি বিকাশৰ হাৰ ৭.৮ শতাংশ হৈছে। এই পৰিসংখ্যা আশা কৰাতকৈ অধিক বুলি গণ্য কৰা হৈছে, কাৰণ পশ্চিম এছিয়াত সংঘাত আৰু শক্তি বজাৰৰ অনিশ্চয়তাৰ মাজতো ভাৰতীয় অৰ্থনীতি স্থিতিস্থাপকতা প্ৰদৰ্শন কৰিছে। যদিও পূৰ্ববৰ্তী ত্ৰৈমাসিকত এই হাৰ আছিল ৮.৬ শতাংশ, তথাপি বৰ্তমানৰ বিকাশক সন্তোষজনক বুলি বিবেচনা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই জিডিপি বিকাশক "অসাধাৰণ উপলব্ধি" হিচাপে অভিহিত কৰি জনসাধাৰণৰ প্ৰচেষ্টাক প্ৰশংসা কৰে। ৰিজিজুৰ এই মন্তব্যকে ধৰি বিজেপি-কংগ্ৰেছৰ মাজত জিডিপিৰ পৰিসংখ্যা লৈ চলা বাক-বিতণ্ডাই সাম্প্ৰতিক সময়ত ৰাজনৈতিক মহলত তীব্ৰতা লাভ কৰিছে। অৰ্থনৈতিক বিশেষজ্ঞসকলে বিভিন্নমত প্ৰকাশ কৰা পৰিপ্ৰেক্ষিতত আগন্তুক দিনবোৰত এই বিতৰ্ক অধিকগতিত অব্যাহত থাকিব বুলি অনুমান কৰা হৈছে।

## জোনাইত শিক্ষকৰ নৃশংস কাণ্ড

আলী। তেওঁ গামচুক প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে কৰ্মৰত আছিল। আজি পুৱা এই ভয়ংকৰ কাণ্ডটো পোহৰলৈ অহাৰ লগে লগে তেলাম অঞ্চলত তীব্ৰ শোক আৰু উত্তেজনাৰ পৰিৱেশে বিৰাজ কৰে। স্থানীয় ৰাইজে এজন শিক্ষিত লোকৰ এনে বৰ্বৰ ৰূপ দেখি হতবাক হৈ পৰে, কাৰণ ছাত্ৰ-ছাত্ৰীক জ্ঞান আৰু নৈতিকতাৰ পাঠ দিয়া ব্যক্তিজনেই যে কুঠাৰ লৈ নিজৰ পৰিয়ালক শেষ কৰিব— এই ভাবনাই সমাজৰ বিবেকক ক্ষতবিক্ষত কৰিছে। খবৰ পোৱা মাত্ৰে ঘটনাস্থলীত উপস্থিত হয় আৰক্ষীৰ দলটো। আৰক্ষীয়ে অভিযুক্ত ফিৰোজ আলীক তৎক্ষণাৎ গ্ৰেপ্তাৰ কৰি জিম্মালৈ লৈ যায়। কিন্তু এতিয়ালৈকে এই নৃশংস কাণ্ডৰ আঁৰৰ কাৰণ পোহৰলৈ অহা নাই। কি পৰিস্থিতিত বা কিহৰ তাড়নাত এগৰাকী শিক্ষকে নিজেই পত্নী আৰু দুগৰাকী কন্যা আৰু এজন পুত্ৰক কুঠাৰেৰে নিচিহ্ন কৰিলে— সেই প্ৰশ্নই ৰহস্য হৈয়ে আছে। ইতিমধ্যে আৰক্ষীয়ে গোচৰটোৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষী সূত্ৰে জনোৱা মতে, ঘৰুৱা বিবাদ, মানসিক অস্থিৰতা বা আৰ্থিক সমস্যা আদি কিবা কাৰণ থাকিব পাৰে; কিন্তু সম্পূৰ্ণ সত্য তদন্তৰ অন্ততহে ওলাব। আৰক্ষীয়ে জনোৱা মতে, অভিযুক্তৰ জবানবন্দী আৰু ঘটনাস্থলীৰ পৰা সংগ্ৰহ কৰা প্ৰমাণৰ ভিত্তিতে গোচৰটো আগুৱাই নিয়া হ'ব। ধেমাজি জিলা আৰক্ষীয়ে এই হত্যাকাণ্ডৰ কাৰণ আৰু পৰিস্থিতি সম্পৰ্কে বিস্তাৰিতভাৱে অনুসন্ধান চলাই আছে। ঘটনাটোৰ পূৰ্ণ বিৱৰণ অহা কেইদিনমানৰ ভিতৰতে জনসাধাৰণৰ সন্মুখত দাঙি ধৰা হ'ব বুলি প্ৰত্যাশা কৰা হৈছে।

## পুৰণিগুদাম কঢ়ালী গাঁৱত মাধৱদেৱ বিৰচিত ঝুমুৰা "চোৰ ধৰা আৰু ভোজন বেহাৰ" মঞ্চস্থ

**অসম বাৰ্তা, পুৰণিগুদাম, ২ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ অপেছাদাৰী নাট্যানুষ্ঠান "ভাস থিয়েটাৰ"ৰ উদ্যোগত আৰু কঢ়ালী গাঁৱৰ ৰাইজৰ সহযোগত যোৱা ৩০ আগষ্টত কঢ়ালী গাঁৱৰ ৰাজহুৱা সভাগৃহত মঞ্চস্থ হয় মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ বিৰচিত ঝুমুৰা "চোৰ ধৰা" আৰু "ভোজন বেহাৰ"। অভিনেতা, নাট্যকাৰ তথা পৰিচালক অঞ্জল বৰাৰ পৰিকল্পনা আৰু ভাস্কৰ্য পূৰ্ণ গায়নৰ পৰিচালনাত শিশুশিল্পীসকলে সুন্দৰ অভিনয়েৰে উপস্থিত দৰ্শকক মুগ্ধ কৰে। "চোৰ ধৰা" আৰু "ভোজন বেহাৰ" ঝুমুৰাত অংশগ্ৰহণ কৰা শিশুশিল্পীসকল হ'ল নুপু ৰঞ্জন বৰা, ইপ্সিতা বৰা, ৰিয়াক্ষী বৰা, হিমাশ্ৰী শইকীয়া, ধ্যানজিৎ শইকীয়া, মাধুৰ্য্য শইকীয়া, চিন্ময় ৰাজ শইকীয়া, চন্দ্ৰাৱলী বৰা, দেৱৰাজ শইকীয়া, ধৃতি বৰা, উমান হাজৰিকা, লক্ষ্মীপ্ৰিয়া বৰা, কৃপাশ্ৰী শইকীয়া, কিংকিনী হাজৰিকা আৰু ইছিকা ভূঞা। উক্ত নাট্যানুষ্ঠানত নাট্যকাৰ-পৰিচালক দীপক বৰা, অভিনেতা-পৰিচালক ৰাজেন ফুকন, অমৃত মহন্ত প্ৰমুখ্য কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

দুৰ্গা প্ৰসাদ বজগাঁই সভাপতি, অপূৰ্বজ্যোতি বৈশ্য সম্পাদক নিৰ্বাচিত

# বগামাটিত অসম সাহিত্য সভাৰ শাখা সমিতি গঠনঃ সাহিত্যপ্ৰেমীৰ মাজত আনন্দ

**অসম বাৰ্তা, গোৰেশ্বৰ, ২ ছেপ্টেম্বৰ ঃ** অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বিকাশ তথা প্ৰসাৰৰ লক্ষ্যৰে ১৯১৭ চনত গঠিত ঐতিহ্যমণ্ডিত জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ এটি নতুন শাখা অলপতে তামোলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী বগামাটি অঞ্চলত গঠন কৰা হয়। জিলাখনৰ ঔবাৰী গাঁৱৰ উত্তৰে অৱস্থিত বাঙালীপাৰা, উপৰখুঁটি, দেউচুঙা, ২নং আৰু ৩নং ডোঙাৰগাঁওকে ধৰি বিস্তৃত অঞ্চল সামৰি বগামাটি শাখা সাহিত্য সভা নামেৰে এই নতুন শাখাটো গঠন কৰা হয়। জানিব পৰা মতে, যোৱা ২৯ আগষ্টত উপৰখুঁটিস্থিত শ্ৰী শ্ৰী পশুপতিনাথ শিৱ ধামৰ সভাকক্ষত ভোলাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, উপৰখুঁটিৰ অধ্যক্ষ দুৰ্গা প্ৰসাদ বজগাঁইৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত বগামাটি শাখা সাহিত্য সভাখন আনুষ্ঠানিকভাৱে গঠন কৰা হয়। এই সভাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সম্পাদক নয়নমণি চৌধুৰী, কাৰ্যনিৰ্বাহক সদস্য মনোজ বেজবৰুৱা, উত্তৰ কামৰূপ শাখা সাহিত্য সভাৰ সভাপতি পাশুধৰ নাথ আৰু সম্পাদক হৰেশ্বৰ নাৰায়ণ কোঁৱৰ পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। সভাত সৰ্বসন্মতিক্ৰমে দুৰ্গা প্ৰসাদ বজগাঁইক সভাপতি, লক্ষ্মী পাটোৱাৰী আৰু হোমলাল শৰ্মাক উপ-সভাপতি, অপূৰ্বজ্যোতি বৈশ্যক সম্পাদক, ৰঞ্জিত নাথ আৰু বিপ্‌-ৰ চিমৰীয়াক সহঃ সম্পাদক, বাপন দাসক সাংগঠনিক সম্পাদক আৰু তিলক ওলীক পত্ৰিকা সম্পাদক হিচাপে মনোনীত কৰা হয়। আনহাতে, মঃ ইছলাম চৌধুৰী আৰু কমল কলিতাক প্ৰকাশন সচিব তথা মেদিনী সুবেদীক কোষাধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰা হয়। ইয়াৰ লগতে ২৩ গৰাকী সাধাৰণ সদস্য আৰু কেইবাগৰাকীও উপদেষ্টাক সামৰি মুঠ ৩৫ গৰাকী আজীৱন সদস্যৰে শাখাটোৰ এখন পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। বৃহত্তৰ অঞ্চলটোৰ বহু কবি, সাহিত্যিক তথা সাহিত্যানুৰাগী লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত বক্তাসকলে অসম সাহিত্য সভাৰ দৰে গৌৰৱোজ্জ্বল ইতিহাস আৰু সমৃদ্ধ ঐতিহ্যৰে সমুজ্জ্বল জাতীয় অনুষ্ঠানৰ এটি শাখা বগামাটি অঞ্চলত গঠন হোৱাটো অঞ্চলটোৰ বৌদ্ধিক, সাহিত্যিক আৰু সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত এক তাৎপৰ্যপূৰ্ণ পদক্ষেপ বুলি মত প্ৰকাশ কৰে। বিশেষকৈ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ ক্ষেত্ৰ হিচাপে পৰিচিত বগামাটি অঞ্চলত নৱগঠিত শাখাটোৱে জাতি, ধৰ্ম, বৰ্ণ আৰু ভাষাৰ ঊৰ্ধ্বত থাকি অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ, বিকাশ আৰু প্ৰসাৰৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰি যাব বুলি আশা প্ৰকাশ কৰা হৈছে। ইপিনে, দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্ত পেলাই অসম সাহিত্য সভাৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে বগামাটি অঞ্চলত এটি শাখা সাহিত্য সভাই আত্মপ্ৰকাশ কৰাত অঞ্চলটোৰ সাহিত্যপ্ৰেমী, সংস্কৃতিপ্ৰেমী আৰু সচেতন মহলৰ মাজত আনন্দৰ জোৱাৰ উঠিছে। লগতে নৱগঠিত শাখাটোৱে আগন্তুক দিনত অঞ্চলটোৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত নতুন উদ্যমৰ সৃষ্টি কৰাৰ লগতে নৱপ্ৰজন্মক অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি অধিক আকৃষ্ট কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

# নলবাৰীৰ গৌৰৱ কণ্ঠশিল্পী গোবিন্দ কলিতালৈ সুধাকণ্ঠ সংগীতৰত্ন বঁটা প্ৰদান




**অসম বাৰ্তা, নলবাৰী, ২ ছেপ্টেম্বৰ ঃ** নলবাৰীৰ সাংস্কৃতিক জগতলৈ সুখবৰ কঢ়িয়াই আনিছে জিলাখনৰ এগৰাকী প্ৰতিষ্ঠিত কণ্ঠশিল্পী গোবিন্দ কলিতাই। সংগীতৰ সাধনা আৰু সাংস্কৃতিক ক্ষেত্ৰলৈ আগবঢ়োৱা নীৰৱচ্ছিন্ন অৱদানৰ স্বীকৃতি হিচাপে শিল্পীগৰাকীক সন্মানীয় 'সুধাকণ্ঠ সংগীতৰত্ন বঁটা' প্ৰদান কৰা হয়। গুৱাহাটীৰ ঐতিহ্যমণ্ডিত জ্যোতি চিত্ৰবনত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত এই সন্মান আগবঢ়োৱা হয় শিল্পীগৰাকীক। অনুষ্ঠানত সাংস্কৃতিক সাংবাদিক অপূৰ্ব কুমাৰ তালুকদাৰে গোবিন্দ কলিতাক সন্মানপত্ৰ প্ৰদান কৰে। ইয়াৰ পিছতে শিল্পীগৰাকীয়ে সুধাকণ্ঠৰ এটি কালজয়ী গীত "মোৰ গান হওক বহু আস্থাহীনতাৰ বিপৰীতে এক গভীৰ আস্থাৰ গান" শীৰ্ষক গীতটি পৰিৱেশন কৰি শ্ৰোতা দৰ্শকক আমোদ দিয়ে। শিল্পী গৰাকীৰ গীত পৰিৱেশত বাদ্য যন্ত্ৰত সহযোগ কৰে বিশিষ্ট কণ্ঠশিল্পী তথা বাদ্যযন্ত্ৰী ৰঞ্জিত কুমাৰ শৰ্মা আৰু বিশিষ্ট তবলা বাদক নিৰঞ্জন দাসে। সংগীতৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি নিষ্ঠা, একাগ্ৰতা আৰু সাধনাৰে আগবাঢ়ি অহা শিল্পীগৰাকীৰ অৱদানৰ প্ৰতি সন্মান জনাই এই বঁটা আগবঢ়োৱা হৈছে। উল্লেখ্য যে, গোবিন্দ কলিতা নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঘোঁহকুছি গাঁৱৰ নাৰায়ণ চন্দ্ৰ কলিতা আৰু কৰুণাপ্ৰিয়া কলিতাৰ দ্বিতীয় সন্তান। শৈশৱৰে পৰা সংগীতৰ প্ৰতি বিশেষ অনুৰাগী গোবিন্দ কলিতাই পৰৱৰ্তী সময়ত সংগীতকেই জীৱনৰ অন্যতম সাধনাৰ ক্ষেত্ৰ হিচাপে গ্ৰহণ কৰে। নিজৰ স্বকীয় কণ্ঠ আৰু সুৰৰ মাধুৰ্য্যৰে তেওঁ ক্ৰমে নলবাৰীৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ সংগীতপ্ৰেমী ৰাইজৰ মাজত এক সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে। বিশেষকৈ লোকসংগীত, ভূপেন্দ্ৰ সংগীত, গোৱালপৰীয়া লোকগীত, জ্যোতি সংগীত, ৰাভা সংগীত আদিৰ লগতে অসমৰ স্বনামধন্য গীতিকাৰ-সুৰকাৰ পাৰ্বতীপ্ৰসাদ বৰুৱাৰ গীত পৰিৱেশন কৰি গোবিন্দ কলিতাই শ্ৰোতাৰ হৃদয় জয় কৰি আহিছে। বিভিন্ন মঞ্চ আৰু সাংস্কৃতিক অনুষ্ঠানত তেওঁৰ কণ্ঠত অসমৰ মাটিৰ গোন্ধ থকা লোকগীতৰ লগতে কালজয়ী গীতসমূহে বিশেষ সমাদৰ লাভ কৰি আহিছে। সংগীতৰ সাধনাৰ মাজতে শিল্পীগৰাকীয়ে সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো নিজৰ দায়িত্ব পালন কৰি আহিছে। তেওঁৰ সাংস্কৃতিক প্ৰতিভা আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ স্বীকৃতি হিচাপে ইতিমধ্যে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা তেওঁ আবৃত্তি শিল্পী বঁটা, সুন্দৰ সাধনা বঁটা, মানৱ সেৱা বঁটা, লোক-সংগীত সাধনা বঁটা, সুন্দৰ সাধনা বঁটা, ৰামধেনু বঁটা আদি একাধিক সন্মান লাভ কৰিছে। কেৱল সংগীতৰ ক্ষেত্ৰতেই নহয়, শিক্ষকতাৰ জৰিয়তেও সমাজ গঢ়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে গোবিন্দ কলিতাই। বৰ্তমান তেওঁ নলবাৰীৰ বনভাগ ঘোঁহকুছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ লগতে উত্তৰ পূব নলবাৰী পৰীক্ষা পৰিষদৰ সম্পাদকৰ দায়িত্ব ও পালন কৰি আহিছে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ মাজতো তেওঁ এগৰাকী জনপ্ৰিয় আৰু দায়িত্বশীল শিক্ষক হিচাপে পৰিচিত। এফালে শিক্ষকতা, আনফালে সংগীত সাধনা—দুয়োটা ক্ষেত্ৰতে সমানে সক্ৰিয় হৈ গোবিন্দ কলিতাই নিজৰ কৰ্মৰাজিৰে নলবাৰীৰ সমাজ জীৱনত এক ইতিবাচক পৰিচয় গঢ়ি তুলিছে। সংগীতৰ প্ৰতি থকা গভীৰ অনুৰাগ আৰু নতুন প্ৰজন্মৰ মাজত অসমৰ চহকী সংগীত-সংস্কৃতি জীয়াই ৰখাৰ প্ৰচেষ্টাই তেওঁক সাংস্কৃতিক ক্ষেত্ৰত বিশেষ স্থান প্ৰদান কৰিছে। 'সুধাকণ্ঠ সংগীতৰত্ন' বঁটা লাভ কৰাত স্বাভাৱিকতে উৎফুল্ল হৈ পৰিছে শিল্পীগৰাকীৰ পৰিয়াল, আত্মীয়-স্বজন, শুভাকাংক্ষী আৰু গুণমুগ্ধসকল। ঘোঁহকুছি গাঁৱৰ লগতে নলবাৰী জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানেও এই সন্মানৰ বাবে গোবিন্দ কলিতাক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। শিল্পীগৰাকীৰ এই সাফল্যই নলবাৰীৰ সাংস্কৃতিক ক্ষেত্ৰলৈও এক নতুন গৌৰৱ কঢ়িয়াই আনিছে। সংগীত সাধনাৰ এই যাত্ৰাত লাভ কৰা 'সুধাকণ্ঠ সংগীতৰত্ন' বঁটাই গোবিন্দ কলিতাক আগন্তুক দিনত অধিক উৎসাহিত কৰাৰ লগতে অসমৰ লোকসংগীত আৰু চহকী সাংস্কৃতিক পৰম্পৰাক আগুৱাই নিয়াত নতুন প্ৰেৰণা যোগাব বুলি আশা প্ৰকাশ কৰিছে তেওঁৰ গুণমুগ্ধসকলে।

# মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন




**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২ ছেপ্টেম্বৰ ঃ** মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। আজি পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলে মহাবিদ্যালয় খনৰ অধ্যক্ষ ডঃ অতনু কাকতিয়ে। স্মৃতি তৰ্পণ মুকলি কৰে মহাবিদ্যালয় খনৰ উপাধ্যক্ষ ড° গৌতম পুৰকায়স্থই। গছ পুলি ৰোপণ কাৰ্যসূচী মহাবিদ্যালয় খনৰ শৈক্ষিক সমন্বয়ক যোগেন বৰাইমুকলি কৰে। দুপৰীয়া ভাগত অনুষ্ঠিত হয় মুকলি সভা আৰু বাৰ্ষিক বক্তৃতা অনুষ্ঠান। মুকলি সভাৰ আৰম্ভণিতে মহাবিদ্যালয়খনৰ ছাত্ৰী সকলে মহাবিদ্যালয়ৰ সমবেত গীত পৰিৱেশন কৰে। বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে মুখ্য অতিথি অসম চৰকাৰৰ শ্ৰম মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে ভাষণত মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অভাৱ সমূহ সমাধানৰ বাবে অসম চৰকাৰৰ পৰা যথা সম্ভৱ সহযোগিতা আগবঢ়োৱা হ'ব বুলি উল্লেখ কৰাৰ লগতে মহাবিদ্যালয় খনৰ অপ্ৰাদেশীকৃত বিজ্ঞান শাখাতো প্ৰাদেশিকীকৰণ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব উল্লেখ কৰে। মন্ত্ৰী গৰাকীয়ে মাৰ্ঘেৰিটা বিধানসভা সমষ্টিত গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ সন্দৰ্ভত উল্লেখ কৰে। ছাত্ৰ-ছাত্ৰী সকলক অধিক মনোযোগেৰে অধ্যয়নত ব্ৰতী হ'বলৈ আহ্বান জনায়। অধ্যক্ষ ড° অতনু কাকতিয়ে আদৰণি ভাষণ দিয়া মুকলি সভাত আত ধৰে অধ্যাপক কৌস্তুভ মণি নাথে। পৰিবৰ্তিত শিক্ষা ব্যৱস্থাৰ প্ৰত্যাহ্বান আৰু সমাধান শীৰ্ষক বাৰ্ষিক বক্তৃতা অনুষ্ঠানতে বক্তা হিচাপে অংশগ্ৰহণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাধ্যাপক ড° সুৰজিত বৰকটকীয়ে। নতুন শিক্ষানীতিৰ আধাৰত আৰম্ভ কৰা পৰিবৰ্তিত শিক্ষা ব্যৱস্থাৰ ওপৰত বিষদভাৱে আলোচনা আগবঢ়ায়। ।ছাত্ৰ ছাত্ৰী সকলে ব্যৱহাৰিক জ্ঞান আহৰণ কৰাৰ সুযোগ নতুন শিক্ষা নীতিয়ে দিছে বুলিও মন্তব্য কৰে। কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগে কৰ্মসংস্থাপন আৰু সামাজিক ক্ষেত্ৰ খনত বহু পৰিবৰ্তন আনিছে। অৱশ্যে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগে নতুন কৰ্মসংস্থাপনৰ চিন্তা মুকলি কৰা বুলি উল্লেখ কৰে। আমি প্ৰত্যেকেই নিজক পৰিবৰ্তিত সময়ৰ লগত খাপ খুৱাই আগুৱাই নিব লাগিব বুলি প্ৰাধ্যাপক ডঃ সুৰজিত বৰকটকীয়েমত প্ৰকাশ কৰে। অনুষ্ঠানত প্ৰাক্তন অধ্যক্ষ হিতেন্দ্ৰ নাথ শৰ্মা, মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ড° প্ৰভাত শৰ্মা, বিধায়ক ভাস্কৰ শৰ্মাৰ প্ৰতিনিধি দিচেন তিপমীয়া অসম গৌৰৱ বঁটা প্ৰাপক মান জেলা চিংফৌ, মাৰ্ঘেৰিটা জেষ্ঠ নাগৰিক সন্থাৰ সম্পাদক শশীধৰ শ্যাম, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰমেন হাজৰিকা, চিত্ৰা বৰগোহাঞিও, প্ৰাক্তন উপাধ্যক্ষ টুনু গগৈ, সমাজ সেৱক সীমান্ত মাধৱ কটকী আদি কেইবা গৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

এজন জীৱন্তে উদ্ধাৰ হোৱাৰ বিপৰীতে আন এজনৰ মৃতদেহ উদ্ধাৰ এছ ডি আৰ এফৰ

# সংকোষ নদীত সাঁতুৰি পাৰ হওঁতেই সন্ধানহীন দুই যুৱক

**অসম বাৰ্তা, গোসাঁইগাঁও, ২ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ সীমান্ত স্থিত সংকোষ নদীত আজি সংঘটিত এক শোঁকাৱহ দুৰ্ঘটনাত দুজনকৈ যুৱক নদীৰ প্ৰৱাল সোঁতত উটি যায় যদিও এজন জীৱন্তে উদ্ধাৰ হয়। জানিব পৰা মতে জিলা খনৰ মাজেডাব্ৰী গাঁৱৰ কাষেৰে বৈ যোৱা সংকোষ নদী সাতুৰি পাৰ হবলৈ গৈ দুজন যুৱক প্ৰৱাল সোঁতত উটি যায়। উক্ত সময়ত বাবলু মুৰ্মু নামৰ যুৱকজন কোনোমতে সাঁতুৰি পাৰলৈ উঠি আহিবলৈ সক্ষম হয় যদিও ফিলিপ হাচদা নামৰ আনজন যুৱক নদীত সন্ধানহীন হৈ পৰে। ঘটনাৰ খবৰ পাই ঘটনাস্থলীত SDRFৰ উদ্ধাৰকাৰী দল উপস্থিত হৈ উদ্ধাৰ অভিযান চলাই সন্ধানহীন ফিলিপ হাচদাৰ মৃতদেহ উদ্ধাৰ কৰে। নিহত ফিলিপ হাচদাৰ ঘৰ গোসাঁইগাঁও আৰক্ষী থানাৰ অন্তৰ্গত নৈচাপুৰ গাঁৱত বুলি জানিব পৰা গৈছে। আনহাতে যুৱক দ্বয়ে সংকোষ নদীৰে গৰু পাৰ কৰিবলৈ গৈ উক্ত মৰ্মান্তিক ঘটনাটো সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে।

# মুছাৰ সাধাৰণ সম্পাদক হিচাপে ছাহিদুল ইছলামক কেন্দ্ৰীয় সমিতিৰ কোনো অনুমোদন নাই ঃ আশ্বিক ৰাব্বাণী

## মুছাৰ নাম ব্যৱহাৰ কৰি বিভ্ৰান্তি সৃষ্টি কৰাৰ অভিযোগ

**অসম বাৰ্তা, মৈৰাবাৰী, ২ ছেপ্টেম্বৰ ঃ** যোৱা ইং ২৮/০৮/২০২৬ তাৰিখৰ পৰা মুছলিম ছাত্ৰ সন্থা, অসম (মুছা)ৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক পদৰ লগতে প্ৰাথমিক সদস্য পদৰ পৰাও ছাহিদুল ইছলামে সম্পূৰ্ণৰূপে পদত্যাগ কৰিছে বুলি মুছাৰ কেন্দ্ৰীয় সভাপতি আশ্বিক ৰাব্বাণীয়ে জানিবলৈ দিয়ে। মুছাৰ সভাপতি আশ্বিক ৰাব্বাণীয়ে অভিযোগ কৰে যে, ছাহিদুল ইছলামে সংগঠনটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদকৰ পদবী বিচাৰি দাবী উত্থাপন কৰিছিল। উক্ত দাবী পূৰণ নোহোৱাৰ পাছত তেওঁ সংগঠনটোৰ মাজত বিভ্ৰান্তি আৰু বিভাজন সৃষ্টি কৰাৰ ষড়যন্ত্ৰ চলাই নিজকে স্বয়ম্ভূভাৱে মুছাৰ সাধাৰণ সম্পাদক হিচাপে দাবী কৰি সামাজিক মাধ্যমত প্ৰচাৰ চলাই আছে বুলি সভাপতি ৰাব্বাণীয়ে অভিযোগ কৰে। আশ্বিক ৰাব্বাণীয়ে কয় যে, ব্যক্তিগত স্বাৰ্থৰ বাবে মুছাৰ নাম আৰু ভাবমূৰ্তি ক্ষুণ্ণ কৰিব পৰা যিকোনো ধৰণৰ অপপ্ৰচাৰ বা বিভ্ৰান্তিৰ পৰা সংগঠনৰ সদস্য, শুভাকাংক্ষী আৰু সৰ্বসাধাৰণ ৰাইজ সজাগ থাকিব লাগে। তেওঁ স্পষ্টভাৱে জনায় যে, ছাহিদুল ইছলামে বৰ্তমান মুছলিম ছাত্ৰ সন্থা, অসম (মুছা)ৰ কোনো পদবীত নাই আৰু তেওঁ সংগঠনটোৰ কোনো সদস্যও নহয়। সেয়েহে মুছাৰ নাম ব্যৱহাৰ কৰি তেওঁৰ দ্বাৰা কৰা কোনো বক্তব্য, প্ৰচাৰ, সংগঠনিক সিদ্ধান্ত বা দাবীৰ সৈতে মুছাৰ কেন্দ্ৰীয় সমিতিৰ কোনো সম্পৰ্ক নাই। মুছাৰ কেন্দ্ৰীয় সভাপতি আশ্বিক ৰাব্বাণীয়ে সংগঠনৰ সদস্য, শুভাকাংক্ষী তথা সৰ্বসাধাৰণ ৰাইজক ছাহিদুল ইছলামে মুছাৰ নাম ব্যৱহাৰ কৰি কৰা কোনো ধৰণৰ যোগাযোগ বা দাবীৰ ক্ষেত্ৰত সতৰ্ক আৰু সচেতন থাকিবলৈ আহ্বান জনায় মুছলিম ছাত্ৰ সন্থা, অসম (মুছা)ৰ সভাপতি আশ্বিক ৰাব্বাণীয়ে।

# গোলকগঞ্জত দেশসেৱাৰ সপোন লৈ 'আৰোহন'ত যুৱক-যুৱতীৰ প্ৰশিক্ষণ



**অসম বাৰ্তা, গোলকগঞ্জ, ২ ছেপ্টেম্বৰ ঃ** প্ৰতিৰক্ষা বাহিনীত যোগদানৰ ইচ্ছুক যুৱক-যুৱতীসকলৰ বাবে গোলকগঞ্জৰ হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আৰম্ভ হৈছে বিনামূলীয়া প্ৰশিক্ষণ শিবিৰ 'আৰোহন'। পৰমানন্দ-ইন্দুমতী সিংহল ফাউণ্ডেচনৰ উদ্যোগত আয়োজিত শিবিৰটো আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। উদ্বোধনী অনুষ্ঠানত ৰাজ্যসভাৰ কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ উপস্থিত থাকে। তেওঁ প্ৰশিক্ষণ গ্ৰহণ কৰি থকা যুৱক-যুৱতীসকলৰ সৈতে মত-বিনিময় কৰি দেশসেৱাৰ লক্ষ্যৰে কঠোৰ পৰিশ্ৰম আৰু আত্মবিশ্বাসেৰে আগবাঢ়ি যাবলৈ উৎসাহিত কৰে। অনুষ্ঠানত 'আৰোহন'ৰ সমন্বয়ক ইন্দ্ৰভূষণ নাথ, অসম অলিম্পিক সন্থাৰ উপ-সভাপতি অমল পাটোৱাৰী, সহঃ সম্পাদক দাদুমনি বৰা, প্ৰশিক্ষক ধৰণজিৎ বসুমতাৰী আৰু হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃ প্ৰধান শিক্ষকসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰতিৰক্ষা বাহিনীত যোগদানৰ বাবে যুৱক-যুৱতীসকলক শাৰীৰিক আৰু মানসিকভাৱে প্ৰস্তুত কৰি তোলাই এই বিনামূলীয়া প্ৰশিক্ষণ শিবিৰৰ মূল উদ্দেশ্য। দেশসেৱাৰ সপোন দেখা প্ৰতিগৰাকী প্ৰশিক্ষণাৰ্থীৰ সফলতা কামনা কৰে অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তিসকলে।

# Republic NEৰ দ্বিতীয় বৰ্ষপূৰ্তিত ৰহাৰ দুই ব্যক্তিলৈ ৰাজ্যিক সন্মান



**অসম বাৰ্তা, ৰহা, ২ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ জনপ্ৰিয় আৰু নিৰ্ভৰযোগ্য ডিজিটেল সংবাদ মাধ্যম Republic NEৰ গৌৰৱোজ্জ্বল দ্বিতীয় বৰ্ষপূৰ্তি উপলক্ষে আজি এক বৰ্ণাঢ্য বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। গুৱাহাটীৰ যোৰাবাটৰ ৯ মাইলস্থিত মেঘালয়ৰ USTM বিশ্ববিদ্যালয়ৰ NKC প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে এই অনুষ্ঠান অতি গাম্ভীৰ্যপূৰ্ণ আৰু উলহ-মালহেৰে অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে Republic NE ৰ মুখ্য পৰিচালক সঞ্চালিকা মৌচুমী ঘোঁৰাচোৱাই আদৰণি ভাষণ প্ৰদান কৰি চেনেলটোৰ দুবছৰীয়া যাত্ৰা আৰু ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে বিতংভাৱে আলোকপাত কৰে। এই বিশেষ অনুষ্ঠানত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তৰ পৰা সমাজৰ বিভিন্ন ক্ষেত্ৰত বিশেষ সেৱা আগবঢ়োৱা ২০ গৰাকী প্ৰতিভাৱান ব্যক্তিক বিভিন্ন শিতানত বঁটা প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মেঘালয়ৰ লংপিৰ সমষ্টিৰ বিধায়ক মেলব্ৰোন শ্যাম, SSB ৰ Deputy Commandant ইবু সিং, USTM ৰ উপাচাৰ্য জি ডি শৰ্মা, অসমৰ জ্যেষ্ঠ সাংবাদিক তথা বিশিষ্ট সমালোচক, পৰ্যালোচক অদীপ কুমাৰ ফুকন, মেঘালয়ৰ জ্যেষ্ঠ সাংবাদিক পদ্মশ্ৰী বঁটা প্ৰাপক পেট্ৰিচিয়াম মুখী আৰু Republic NE ৰ কাৰ্যবাহী সম্পাদক কমল কৃষ্ণ ডেকা। এই অনুষ্ঠানত ৰহাৰ বাবে গৌৰৱৰ ক্ষণ ৰাজ্যিক পৰ্যায়ৰ মঞ্চত নগাঁও জিলাৰ ৰহাৰ বাবে গৌৰৱ কঢ়িয়াই আনিছে দুগৰাকী বিশিষ্ট ব্যক্তিয়ে। ৰহাৰ সৰাগাঁও নিবাসী কৃতী শিক্ষক, কবি, সুলেখক, সমাজ সংগঠক তথা সমাজকৰ্মী লক্ষ্মী প্ৰসাদ ডেকাক তেওঁৰ সাহিত্য আৰু সমাজ সেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে "সাহিত্য সৌৰভ বঁটা" প্ৰদান কৰা হয়। একেদৰে ৰহা চাপৰমুখ নিবাসী বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী বিকাশ আগৰৱালাক তেওঁৰ মানৱ সেৱা আৰু সমাজ কল্যাণমূলক কামৰ বাবে "মানৱ দৰদী বঁটা" প্ৰদান কৰা হয়। ইয়াৰ উপৰিও অনুষ্ঠানত ৰহাৰে জ্যেষ্ঠ সাংবাদিক চয়েল খেতান, যুৱ সাংবাদিক নৱ জ্যোতি ভূএগ, নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জয় কুমাৰ কাকতি আৰু শিক্ষয়িত্ৰী ৰুটিলা দেউৰীকো বিশেষ সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বহু জ্যেষ্ঠ সাংবাদিক, সাহিত্যিক, শিল্পী, বুদ্ধিজীৱী আৰু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ অন্তত "বৰ্তমান সময়ত ডিজিটেল মাধ্যমৰ সংবাদৰ ভূমিকা আৰু প্ৰত্যাহ্বান" শীৰ্ষক এক গাম্ভীৰ্যপূৰ্ণ আলোচনা চক্ৰ অনুষ্ঠিত হয়, য'ত বিশিষ্ট সাংবাদিকসকলে অংশগ্ৰহণ কৰে।

নগাঁও জিলা আয়ুক্তৰ পদক্ষেপ

# ৰহা টোলগেটত স্থানীয় ৰাইজৰ বাবে টোল ৰেহাই ঘোষণা

**অসম বাৰ্তা, পুৰণিগুদাম, ২ ছেপ্টেম্বৰ ঃ** ৰহা অঞ্চলৰ ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই ৰহা টোলগেটত অঞ্চলটোৰ স্থায়ী বাসিন্দা সকলৰ মাছুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাই আজি এক ৰাজহুৱা জাননী যোগে এই কথা ঘোষণা কৰি কৈছে যে, সোণাপুৰ টোলগেটৰ আৰ্হিত ৰহাবাসীকো টোলকৰৰ পৰা সকাহ দিয়াৰ বাবে টোলগেট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰা হৈছে। সেই অনুসৰি ৰহাৰ ৰণথলীত থকা টোলগেটৰ সাত কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা বাসিন্দা সকলৰ ব্যক্তিগত যান-বাহনক টোলকৰৰ পৰা ৰেহাই দিয়া হ'ব। অৱশ্যে এই সুবিধা লাভ কৰিবৰ বাবে উক্ত অঞ্চলৰ বাসিন্দা সকলে এখন টোলপাছ বনাই ল'ব লাগিব। তাৰ বাবে তেওঁলোকে আধাৰ কাৰ্ড, ভোটাৰ কাৰ্ড আৰু গাড়ীৰ পঞ্জীয়ন পত্ৰখনৰ প্ৰতিলিপিসহ টোলগেট কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিব লাগিব। ইয়াৰ বাবে টোলগেট কৰ্তৃপক্ষক আৱশ্যকীয় নিৰ্দেশনা দিয়া হৈছে। উল্লেখযোগ্য যে, দুদিন পূৰ্বে ৰহা অঞ্চলৰ একাংশ লোকে টোলগেটখনত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ সময়তে জিলা আয়ুক্তই উক্ত স্থানত উপস্থিত হৈ ৰাইজক এই সম্পৰ্কত আশ্বাস প্ৰদান কৰিছিল। সেইমৰ্মে জিলা আয়ুক্ত গৰাকীয়ে জাননী প্ৰকাশ কৰাত ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।

সাংবাদিকৰ সামাজিক সুৰক্ষা নিশ্চিত কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰীক ব্যৱস্থা গ্ৰহণৰ আহ্বান বাৰ্তাজীৱী সংঘৰ

# সাংবাদিকলৈ স্বাস্থ্য বীমা-পেঞ্চন-পূজাৰ বোনাচ প্ৰসংগত পশ্চিমবংগৰ মুখ্যমন্ত্ৰীৰ ঘোষণাক আদৰণি অসম বাৰ্তাজীৱী সংঘৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ২ ছেপ্টেম্বৰ ঃ** চুবুৰীয়া ৰাজ্য পশ্চিম বংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে ৰাজ্যখনৰ সকলো সাংবাদিকলৈ স্বাস্থ্য বীমা যোজনাৰ সুবিধা, পূজা উপলক্ষে বোনাচ আৰু সকলো অৱসৰপ্ৰাপ্ত সাংবাদিকলৈ পেঞ্চন ঘোষণা কৰা কাৰ্য্যক আদৰণি জনাইছে অসম বাৰ্তাজীৱী সংঘই। এক বিবৃতিত অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূধন মেধি আৰু সাধাৰণ সম্পাদক অঞ্জন কুমাৰ শৰ্মাই পশ্চিমবংগৰ মুখ্যমন্ত্ৰীৰ ঘোষণাক আদৰণি জনাই কয় যে এয়া হৈছে ৰাজ্যখনৰ সাংবাদিক সকললৈ চৰকাৰে জনোৱা এক সন্মান আৰু কৰ্মৰ স্বীকৃতি। অসমতো সাংবাদিকৰ সামাজিক সুৰক্ষা নিশ্চিতিৰ বাবে অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে অসম বাৰ্তাজীৱী সংঘই। বিবৃতিটোত সংঘৰ সভাপতি, সাধাৰণ সম্পাদকে কয় যে চৰকাৰৰ কাম-কাজ তথা আচনি সমূহক ৰাইজৰ মাজলৈ লৈ যোৱাৰ লগতে ৰাইজৰ সমস্যাসমূহ চৰকাৰৰ দৃষ্টিগোচৰ কৰাৰ বাবে সাংবাদিক সকলে দিনে নিশাই কাম কৰি আহিছে যদিও অসমৰ গৰিষ্ঠসংখ্যক সাংবাদিক আজিও প্ৰাপ্যৰ পৰা বঞ্চিত। অসম চৰকাৰে ২০১৭ চনৰ পৰা অৱসৰী সাংবাদিকৰ বাবে পেঞ্চন প্ৰৱৰ্তন কৰিছে যদিও হিতাধিকাৰীৰ সংখ্যা আৰু পেন্সনৰ ধনৰ পৰিমাণ বৃদ্ধি কৰাৰ প্ৰয়োজন। একেদৰে সাংবাদিক সকলৰ স্বাস্থ্য বীমা কৰাটোও জৰুৰী। বহু সাংবাদিকে ধনৰ অভাৱত উন্নত চিকিৎসাৰ পৰা বঞ্চিত হৈ আছে। জনসংযোগ বিভাগৰ জৰিয়তে জাৰ্ণেলিষ্ট মেডিকেল ৱেলফেয়াৰ স্কীমৰ অধীনত চিকিৎসাৰ নামত ব্যয় কৰা ধনৰ সামান্য অংশহে মোকলাই দিয়া হয়। এই সমিতিৰ বৈঠকো এতিয়া নিয়মীয়াকৈ প্ৰতিমাহে অনুষ্ঠিত হোৱা নাই, বৈঠক নিয়মীয়াকৈ অনুষ্ঠিত কৰিবলৈ জনসংযোগ বিভাগৰ সংশ্লিষ্ট বিষয়াৰ তৎপৰতাৰো অভাৱ। একেদৰে ৰাজ্যখনৰ মূলসুঁতিৰ বহু সাংবাদিকে আজিও আবেদন কৰাৰ পিছতো জনসংযোগ বিভাগৰ পৰিচয়পত্ৰ লাভ কৰা নাই। ইয়াৰ জৰিয়তে সাংবাদিকক প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছে স্বয়ং জনসংযোগ বিভাগে। আনহাতে, চৰকাৰী পৰিচয় পত্ৰ পাবলৈ সক্ষম নোহোৱা একাংশৰ অৱসৰৰ দিনেই চমু চাপি আহিছে। এই বিষয়টো অসম বাৰ্তাজীৱী সংঘই যোৱা ৪ জুলাইত মুখ্য মন্ত্ৰীক অৱগত কৰোৱাত মুখ্য মন্ত্ৰীৰ নিৰ্দেশত তেওঁৰ ব্যক্তিগত প্ৰধান সচিবে জনসংযোগ বিভাগৰ সঞ্চালকক এই সম্পৰ্কত লগে লগে ব্যৱস্থা গ্ৰহণৰ কথা কৈছিল যদিও বাস্তৱত এই পৰামৰ্শ দুমাহ কাৰ্যকৰী নহ'ল। ৰাজ্যৰ সংবাদ মাধ্যমৰ, সাংবাদিকৰ সমস্যা সমাধানৰ বিষয়টো জনসংযোগ বিভাগৰ বিষয়াৰ দক্ষতা-ভূমিকাৰ ওপৰতে নিৰ্ভৰ কৰে বুলি উল্লেখ কৰি অসম বাৰ্তাজীৱী সংঘই এইক্ষেত্ৰত কাৰ্য্যকৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ জনসংযোগ বিভাগৰ সঞ্চালক আৰু আয়ুক্তকো আহ্বান জনায়। দীৰ্ঘদিনে নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰাত ব্যৰ্থ সাংবাদিক জড়িত বিষয়ক জনসংযোগ বিভাগৰ বিভিন্ন সমিতিসমূহ ভংগ কৰি শীঘ্ৰে নতুন সমিতি গঠনৰো দাবী জনায় অসম বাৰ্তাজীৱী সংঘই। বিবৃতিটোত ৰাজ্যৰ সকলো শ্ৰেণীৰ লোকৰ কল্যাণৰ বাবে বৰ্তমানৰ চৰকাৰখনে কাম কৰি আহিছে বুলি উল্লেখ কৰি বিগত বৰ্ষৰ দৰে এইবাৰো পহিলা জানুৱাৰীত সাংবাদিক পেঞ্চন ঘোষণাৰ লগতে ৰাজ্যখনৰ সাংবাদিক সকলৰ আন সমস্যা সমূহো সমাধানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূধন মেধি আৰু সাধাৰণ সম্পাদক অঞ্জন কুমাৰ শৰ্মাই।

### চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি, পিএফ, বোনাচ আদি বিভিন্ন দাবীৰে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ

# ডিব্ৰুগড়ত আদিবাসী যুৱ-ছাত্ৰ সন্থাৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২ ছেপ্টেম্বৰ ঃ** চাহ শ্ৰমিকৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত আজি ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্যালয় ঘেৰাও কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে আদিবাসী যুৱ-ছাত্ৰ সংস্থাই। আইছাৰ কেন্দ্ৰীয় সভাপতি নৃপেন মুণ্ডা আৰু সাধাৰণ সম্পাদক ৰাজেশ কেৰ্কেটাৰ নেতৃত্বত ৰূপায়ণ কৰা কাৰ্যসূচীত প্ৰায় দুই ঘণ্টা ধৰি বিভিন্ন প্ৰতিবাদী শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ৰাজ্য চৰকাৰে চাহ শ্ৰমিকৰ মজুৰী বৃদ্ধি নকৰাক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কঠোৰ ভাষাৰে সমালোচনা কৰে। অন্যহাতে প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন দাবীসম্বলিত স্মাৰক পত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰখনত উল্লেখ কৰামতে, বৰ্তমান অসম চৰকাৰৰ কোম্পানী চাহ বাগিচাসমূহত চাহ শ্ৰমিকসকলক দৈনিক ২৮০ টকা মজুৰি দিয়াৰ বিপৰীতে ক্ষুদ্ৰ চাহ বাগিচাসমূহত নিয়োজিত হৈ থকা লাখ লাখ শ্ৰমিকক দৈনিক মাত্ৰ ২০০-২৩০ টকা বা তাতকৈও কম মজুৰি প্ৰদান কৰি বৰ্তমানেও এক শোচনীয় পৰিস্থিতিৰ মাজত শোষণ চলাই থকা হৈছে। য'ত মিনিমাম ৱেজেচএক্ট ১৯৪৮ তথা বৰ্তমানৰ 'কোড অন ৱাজেছ ২০১৯'ৰ পোনপটীয়া উলংঘন কৰা হৈছে। সেয়েহে ক্ষুদ্ৰ চাহ বাগিচাৰ শ্ৰমিকৰ দৈনিক মজুৰি তৎকালীনভাৱে বৃদ্ধি কৰি ৪৬১ টকা কৰাৰ বাবে আৰু কোম্পানী চাহ বাগিচাৰ শ্ৰমিকসকলৰ সমান কৰাৰ বাবে জোৰদাৰ দাবী উত্থাপন কৰিছে। ইয়াৰোপৰি মিন মিনিমাম ৱেজেছ এক্ট ১৯৪৮ আৰু কোড অন ৱেজেছ ২০১৯ৰ নিয়মসমূহ অতি কঠোৰভাৱে ৰূপায়ণ কৰি শ্ৰমিকৰ ওপৰত চলি থকা সকলো প্ৰকাৰৰ শোষণ চিৰদিনৰ বাবে বন্ধ কৰা, ৰাজ্যজুৰি থকা ক্ষুদ্ৰ চাহ বাগিচাসমূহত বিশেষ শ্ৰম পৰিদৰ্শন অভিযান ত্বৰান্বিত কৰি শ্ৰম আইন উলংঘনকাৰী মালিকসকলৰ বিৰুদ্ধে কঠোৰৰ পৰা কঠোৰতম আইনী ব্যৱস্থা ল'বলৈকো দাবী জনাইছে। তদুপৰি অসম চাহ শ্ৰমিক ভবিষ্য নিধি সংস্থাৰ' নিয়ম অনুসৰি ১০জন বা তাতোধিক শ্ৰমিক নিয়োজিত হৈ থকা সকলো ক্ষুদ্ৰ চাহ বাগিচাতে পিএফ পঞ্জীয়ন আৰু নিয়মীয়া জমা প্ৰদান কৰাটো বাধ্যতামূলক কৰিবলৈ স্মাৰক পত্ৰখনত দাবী জনাইছে। শ্ৰমিকসকলক দৈনিক কামলৈ অনা-নিয়াৰ ক্ষেত্ৰত মালবাহী গাড়ী, ট্ৰেক্টৰ বা কেৱল পাত কঢ়িয়াই নিয়া অনুপযুক্ত বাহনত শ্ৰমিক কঢ়িওৱা কাৰ্য সম্পূৰ্ণৰূপে নিষিদ্ধ কৰি যাত্ৰীবাহী অনুমতি বা অনুজ্ঞাপত্ৰ থকা নিৰাপদ বাহনতহে যাত্ৰী পৰিবহণৰ ব্যৱস্থা নিশ্চিত কৰিবলৈ দাবী জনাইছে। যিহেতু 'মটৰ ভেহিকেল এক্ট' উলংঘা কৰি চলোৱা এনে বাহনৰ যাত্ৰাই শ্ৰমিকসকলৰ জীৱন প্ৰতিমুহূৰ্তত্তে ভয়ানক বিপদৰ মুখলৈ ঠেলি দিছে। ইয়াৰ উপৰি 'পেমেণ্ট অফ বোনাচ এক্ট ১৯৬৫'ৰ নিয়ম উলংঘা কৰি একাংশ লোলুপ ক্ষুদ্ৰ চাহ বাগিচাৰ মালিকে বোনাচ দিয়াৰ নামত পোনপটীয়াকৈ শ্ৰমিকৰ দৈনিক মজুৰিৰ পৰা অবৈধভাৱে টকা কৰ্তন কৰাৰ গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰি, আইন অনুসৰি নিয়মীয়াভাৱে বনাচ প্ৰদান কৰা আৰু এনে সকলো অবৈধ কৰ্তন চিৰদিনৰ বাবে বন্ধ কৰাৰ দাবী জনোৱাৰ লগতে ক্ষুদ্ৰ চাহ বাগিচাৰ অতি পিছপৰা শ্ৰমিকসকলৰ সৰ্বাংগীণ কল্যাণৰ বাবে এখন সুকীয়া আৰু বিশেষ ৰাজ্যিক নীতি অৰ্থাৎ 'ষ্টেট পলিচী ফৰ স্মল টি গাৰ্ডেন ৱৰ্কছ' ত্বৰান্বিতভাৱে প্ৰণয়ন কৰাৰ বাবেও অনুৰোধ জনোৱা হয়। আদিবাসী যুৱ-ছাত্ৰ সংস্থাৰ কেন্দ্ৰীয় সভাপতি নৃপেন মুণ্ডা আৰু সাধাৰণ সম্পাদক ৰাজেশ কেৰকেট্টাৰ যুটীয়া স্বাক্ষৰ সম্বলিত এই স্মাৰক পত্ৰখনৰ জৰিয়তে অসমৰ চাহ উদ্যোগৰ বিকাশ আৰু সজীৱতাৰ মূল চালিকাশক্তি তথা প্ৰকৃত স্তম্ভস্বৰূপ শ্ৰমজীৱী চাহ শ্ৰমিকসকলৰ সকলো ন্যায়সংগত অধিকাৰ, মৰ্যাদা আৰু সামাজিক সুৰক্ষা সুনিশ্চিত কৰিবলৈ মাননিয় মুখ্যমন্ত্ৰীৰ আশু তথা সদয় হস্তক্ষেপ কামনা কৰি শীঘ্ৰে বাস্তৱিক আৰু কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ তীব্ৰ দাবী জনোৱা হয়।

### শুক্লাই চেৰফাঙৰ দৰিদ্ৰ পৰিয়ালৰ ২ মেধাৱী ছাত্ৰলৈ আৰ্থিক সাহায্য প্ৰদান

# মেধাৱী শিক্ষাৰ্থীৰ উচ্চশিক্ষাৰ সপোন পূৰণত বিপিএফৰ সহায়ৰ হাত

**অসম বাৰ্তা, গোৰেশ্বৰ, ২ ছেপ্টেম্বৰ ঃ** উচ্চশিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আৰ্থিক সমস্যাৰ সন্মুখীন হোৱা বিটিচি অঞ্চলৰ দৰিদ্ৰ পৰিয়ালৰ মেধাৱী শিক্ষাৰ্থী সকলক সহায়ৰ হাত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ নেতৃত্বাধীন বড়োলেণ্ড পিপলছ ফ্ৰণ্ট চমুকৈ বিপিএফৰ। দলটোৱে চিকিৎসা বিজ্ঞান, অভিযান্ত্ৰিক, গৱেষণাকে ধৰি বিভিন্ন ক্ষেত্ৰত দেশৰ আগশাৰীৰ শিক্ষানুষ্ঠানত উচ্চশিক্ষা গ্ৰহণ কৰি থকা আৰ্থিকভাৱে দুৰ্বল মেধাৱী শিক্ষাৰ্থীসকলক ১ লাখৰ পৰা ৫ লাখ টকালৈকে আৰ্থিক সাহায্য আগবঢ়াই আহিছে। এই কাৰ্যসূচীৰ অংশ হিচাপে শেহতীয়াকৈ তামোলপুৰ জিলাৰ শুক্লাই চেৰফাং পৰিষদীয় সমষ্টিৰ অন্তৰ্গত পূৱ ডেফেলী অঞ্চলৰ দুগৰাকী মেধাৱী শিক্ষাৰ্থীক মুঠ ৪ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰে বিপিএফে। জানিব পৰা মতে, বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ নিৰ্দেশ অনুসৰি যুৱ বিপিএফৰ সভাপতি ৰিঞ্জয় বড়োৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে সমষ্টিটোৰ উপৰখুঁটি নিবাসী প্ৰকাশ পাণ্ডেৰ পুত্ৰ তথা বৰ্তমান শিলচৰস্থিত ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (এন.আই.টি), শিলচৰত বি.টেক অধ্যয়ন কৰি থকা মেধাৱী ছাত্ৰ বিবেক পাণ্ডেক ২.৫ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰে। আনহাতে, একে সমষ্টিৰ বাঙালীপাৰা নিবাসী ভীম লুঁইটেলৰ পুত্ৰ তথা ডেৰাডুনস্থিত ৰাস বিহাৰী বসু সুভাৰতী বিশ্ববিদ্যালয়ত BNYS (Bachelor of Naturopathy and Yogic Sciences) অধ্যয়ন কৰি থকা মেধাৱী ছাত্ৰ কৰণ লুঁইটেলৰ পৰিয়ালৰ হাততো উচ্চশিক্ষা অব্যাহত ৰখাত সহায় হোৱাকৈ ১.৫ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হয়। উল্লেখ্য যে, কৰণ লুঁইটেলৰ পিতৃ ভীম লুঁইটেল কেইবছৰমান পূৰ্বে সংঘটিত এক আকস্মিক দুৰ্ঘটনাত পতিত হৈ বৰ্তমান শয্যাগত অৱস্থাত আছে। ইয়াৰ ফলত পৰিয়ালটো যথেষ্ট আৰ্থিক সংকটৰ সন্মুখীন হৈ আহিছে। এনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো কৰণ লুঁইটেলে বিভিন্ন প্ৰত্যাহ্বান অতিক্ৰম কৰি উচ্চশিক্ষা অব্যাহত ৰাখিছে। প্ৰতিনিধি দলটোৱে শিক্ষাৰ্থী দুয়োগৰাকী অধ্যয়নৰ বাবে বাসগৃহত উপস্থিত নথকাত তেওঁলোকৰ অভিভাৱকৰ হাতত ধনৰাশি প্ৰদান কৰে। লগতে অভিভাৱকসকলৰ সৈতে মত-বিনিময় কৰি শিক্ষাৰ্থী দুয়োগৰাকীৰ অধ্যয়নৰ অগ্ৰগতিৰ বিষয়ে বুজ লয়। প্ৰতিনিধি দলটোৱে শিক্ষাৰ্থী দুয়োগৰাকীয়ে ভৱিষ্যতে উচ্চশিক্ষাৰ ক্ষেত্ৰত অধিক সফলতা অৰ্জন কৰিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰি শুভেচ্ছা জ্ঞাপন কৰে। এই প্ৰতিনিধি দলটোত বিপিএফৰ সম্পাদক ৰাজেশ বৰাল, যুৱ বিপিএফৰ উপ-সভাপতিদ্বয় কাষ্টম বসুমতাৰী আৰু প্ৰহ্লাদ ব্ৰহ্ম, সদস্যদ্বয় দোফাং বড়ো আৰু বিমচাৰাং নাৰ্জাৰী, বিপিএফ গোৰ্খা কোষৰ সাধাৰণ সম্পাদক ধনপতি পৌডেল, বিপিএফ নেতা ফজলুল কৰিম হাজৰিকা আৰু শুক্লাই চেৰফাং পৰিষদীয় সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষা কৃষ্ণা সুবেদীকে ধৰি দলটোৰ বহু নেতা-কৰ্মী উপস্থিত থাকে। ইপিনে, বিপিএফৰ এনে সহায়ৰ বাবে শিক্ষাৰ্থী দুগৰাকীৰ পৰিয়ালৰ লোকে বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰী আৰু দলটোৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। ইয়াৰোপৰি, বিপিএফৰ এই পদক্ষেপক স্থানীয় ৰাইজেও শলাগ লৈছে। আৰ্থিকভাৱে দুৰ্বল অথচ মেধাৱী শিক্ষাৰ্থীসকলৰ উচ্চশিক্ষা অব্যাহত ৰখাত এনে সাহায্য যথেষ্ট সহায়ক হ'ব বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰে।



### একেদিনাই ছটা হত্যাকাণ্ড গোচৰ নিষ্পত্তি ৫ অভিযুক্তক আজীৱন কাৰাদণ্ড

# ডিব্ৰুগড় জিলা ন্যায়ালয়ত ঐতিহাসিক ৰায়দান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২ ছেপ্টেম্বৰ ঃ** অসমৰ ন্যায়িক ইতিহাসত সাক্ষী হৈ ৰ'ল ঐতিহাসিক ৰায়দানৰ। একে দিনাই ছটাকৈ হত্যাকাণ্ড গোচৰৰ চূড়ান্ত ৰায়দান কৰিলে ডিব্ৰুগড় জিলা অতিৰিক্ত সত্ৰ ন্যায়াধীশ আদালতে। ইয়াৰ লগে লগে আটাইকেইটা অভিযুক্তক আজীৱন সশ্ৰম কাৰাদণ্ড বিহিলে অতিৰিক্ত সত্ৰ ন্যায়াধীশে। সাধাৰণতে এখন আদালতে এটা দিনত ইমানবোৰ গুৰুত্বপূৰ্ণ হত্যাৰ গোচৰৰ বিচাৰ সম্পূৰ্ণ কৰি ৰায়দান দিয়াৰ ঘটনা অতি বিৰল হোৱাৰ বাবে এই খবৰে সমগ্ৰ ৰাজ্যৰ আইনী মহলত আৰু সাধাৰণ জনতাৰ মাজত তীব্ৰ চৰ্চা আৰু আলোড়নৰ সৃষ্টি কৰিছে। জ্যেষ্ঠ অধিবক্তা নিলোৎপল ফুকনে জানিবলৈ দি কয় যে, এইটো এটা ঐতিহাসিক দিন আমাৰ বাবে আৰু সাধাৰণ নাগৰিকৰ ৰাইজৰ মনত এই ধৰণৰ ৰায়দানসমূহে আস্থা আৰু বিশ্বাস পুনৰ গঢ়ি তুলিব, যি ন্যায়িক ব্যৱস্থাৰ প্ৰতি আমাৰ আস্থা শেষ আশ্ৰয় হিচাপে আদালতলৈ আহে আৰু যিসকল দোষী, তেওঁলোকৰ ওপৰত এটা স্পষ্ট বাৰ্তা ইয়াৰ দ্বাৰা যাব যে আপোনালোকে ভুল কৰিব, বেয়া কাম কৰিব আৰু আদালতে চাই থাকিব সেয়া নহয়। আদালতৰ এই ঐতিহাসিক ৰায়দান অনুসৰি, বিচাৰাধীন ৬টা গোচৰৰ ভিতৰত ৫টা গোচৰতে অভিযুক্তসকলক ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰি কঠোৰ শাস্তি হিচাপে আজীৱন কাৰাদণ্ড আৰু প্ৰতিজনকে ১০, ০০০ টকাকৈ জৰিমনা (আৰু সেই জৰিমনা অনাদায়ে অন্যান্য তিনিমাহৰ সশ্ৰম কাৰাদণ্ড) ৰায়দান কৰা হৈছে। এই ৫টা গুৰুত্বপূৰ্ণ গোচৰৰ নিৰ্দিষ্ট বিৱৰণসমূহলৈ চালে দেখা যায় যে— প্ৰথমটো গোচৰ লাহোৱাল আৰক্ষী থানাৰ অন্তৰ্গত আছিল (গোচৰ নং - ৪৩/১৯, সত্ৰ গোচৰ নং - ১৩১/১৯), য'ত শুক্ৰাম মুৰা নামৰ ব্যক্তিজনক দোষী সাব্যস্ত কৰা হয়। দ্বিতীয়টো গোচৰ ডিব্ৰুগড় সদৰ আৰক্ষী থানাৰ (গোচৰ নং - ২২৩৯/২১, সত্ৰ গোচৰ নং - ২২৭/২২) ডাবল মাৰ্ডাৰ কেচ আছিল, য'ত ৰাজীৱ চুংক্ৰাঙে নিজৰ পত্নীৰ লগতে আৰু আন এজন ব্যক্তিক আপত্তিজনক অৱস্থাত পাই হিতাহিত জ্ঞান হেৰুৱাই ঘটনাস্থলীতে হত্যা কৰি পলায়ন কৰিছিল আৰু পাছত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। সেই গোচৰতে তেওঁক দোষী সাব্যস্ত কৰা হয়। তৃতীয়টো আছিল সত্ৰ গোচৰ নং ১৮৮/২২, য'ত আৰক্ষী কনিষ্টবল বিকি চেতিয়াই কৰ্মৰত অৱস্থাত নিজৰ চাৰ্ভিচ কাৰ্বাইনেৰে নিজৰ পত্নীক হত্যা কৰাৰ সুনিৰ্দিষ্ট প্ৰমাণ পাই তেওঁক দোষী সাব্যস্ত কৰা হয়। চতুৰ্থটো মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত (গোচৰ নং - ৪৯/২৩, সত্ৰ গোচৰ নং - ২৫৮/২৩) আছিল, য'ত ৰাজু চুতীয়াক দোষী সাব্যস্ত কৰা হয়। আৰু পঞ্চমটো আছিল সত্ৰ গোচৰ নং ৩০০/২৩, য'ত ডিপু মেচ নামৰ অভিযুক্তজন দোষী সাব্যস্ত হয়। এই আটাইকেইটা গোচৰত ৩০২ ধাৰাৰ জৰিয়তে আজীৱন কাৰাদণ্ডৰ দৰে কঠোৰ শাস্তি দিয়াৰ বিপৰীতে, ষষ্ঠ গোচৰটোত হত্যা ধাৰা সন্নিবিষ্ট হৈ আছিল যদিও আদালতে কিছু শিথিলতা দেখা পায় আৰু তাত হত্যাৰ ব্যতিক্ৰমে 'কাৰ্পেবল হমিচাইড নট অমাউণ্টিং টু মাৰ্ডাৰ'বুলি গণ্য কৰি ৪ বছৰৰ কাৰাদণ্ড আৰু ১, ০০০ টকা জৰিমনা (অনাদায়ে সাত দিনৰ কাৰাবাস) ৰায়দান প্ৰদান কৰে। অধিবক্তা নিলোৎপল ফুকনে আৰু কয় যে, এই গোটেই প্ৰক্ৰিয়াটো এটা নিৰ্দিষ্ট আৰু খুব দীঘল পৰিক্ৰমাৰ ফলশ্ৰুতি আছিল, য'ত তদন্তকাৰী বিষয়া সকলে সুন্দৰভাৱে তদন্ত প্ৰক্ৰিয়া চলাই গৈছে আৰু আদালতত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হৈ সাক্ষী-বাদীসকলৰ সকলো কথাবাৰ্তা চালি-জাৰি চাইহে এই নিৰ্দেশনাবিলাক প্ৰদান কৰিছে। এই সকলোবোৰ গুৰুত্বপূৰ্ণ তথা জটিল গোচৰত নতুন প্ৰসিকিউচন কেডাৰ নিযুক্ত হৈ অহাৰ আগতেই আমাৰ আগৰ যিগৰাকী অতিৰিক্ত পাব্লিক প্ৰসিকিউটৰ আছিল, সেই চিন্ময়ী দত্ত আৰু তেওঁলোকে ভাল প্ৰসিকিউচন কৰি চৰকাৰী পক্ষৰ হৈ অত্যন্ত বলিষ্ঠ, নিপুণ আৰু প্ৰভাৱশালী তৰ্ক আগবঢ়াই গোচৰসমূহ সফলভাৱে পৰিচালনা কৰিছিল। ইয়াত জড়িত হৈ থকা সকলো বিভাগৰ সংশ্লিষ্ট অংশীদাৰসকলৰ আন্তৰিক সহায়-সহযোগিতা তথা সন্মিলিত প্ৰচেষ্টাৰ বাবেই এই ঐতিহাসিক সফলতা অৰ্জন কৰাটো সম্ভৱ হৈ উঠিল আৰু ই ভৱিষ্যতে দ্ৰুত ন্যায় প্ৰদানৰ ক্ষেত্ৰত এক উজ্জ্বল মাইলৰ খুঁটি হৈ ৰ'ব।

# তেজপুৰৰ নপাম গাঁও পঞ্চায়তত এম.জি.এন ৰেগাৰ আই.বি.এছ আঁচনিৰ ধন আত্মসাতৰ অভিযোগ

### জিলা আয়ুক্তৰ তদন্তৰ নিৰ্দেশ

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ তেজপুৰ বিধান সভা সমষ্টি আৰু গাভৰু উন্নয়ন খণ্ডৰ অন্তৰ্গত নপাম গাঁও পঞ্চায়তত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি এম জি এন ৰেগাত ব্যাপক দুৰ্নীতি অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে ব্যক্তিগত লাভালাভ আঁচনি IBS ৰ হিতাধিকাৰীয়ে। উল্লেখযোগ্য যে হিতাধিকাৰী ছাইদুল ইছলামে জনোৱা অনুসৰি নপাম গাঁও পঞ্চায়তৰ অন্তৰ্গত পুনিয়নী গাঁৱৰ ছাইদুল ইছলাম নামৰ এই গৰাকী ব্যক্তিক পুখুৰী নিৰ্মাণ কৰাৰ বাবে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি MGNREGAৰ অধীনত IBS আঁচনি ভোমোৰাগুৰি জিলা পৰিষদৰ সদস্য নুৰুল হকে প্ৰদান কৰিছিল। এই আঁচনি জিলা পৰিষদৰ সদস্যৰ পৰা লাভ কৰাৰ পিছত নপাম গাঁও পঞ্চায়তৰ জি.আৰ.এছ পূজা প্ৰতিমা কোচে ছাইদুল ইছলামৰ নামত জব কাৰ্ড বনাই দিয়াৰ লগতে আঁচনিৰ বাবে প্ৰয়োজনীয় সকলো কাম কাজ জি.আৰ.এছ পূজা প্ৰতিমা কোচে কৰিছিল। আঁচনি শুভাৰম্ভ হোৱাৰ পিছত বহুদিন পূজা প্ৰতিমা কোচে ছাইদুল ইছলামৰ সৈতে যোগাযোগ নকৰাত ছাইদুল ইছলামে এদিন অনলাইনত কিবা কাম কৰিবলৈ যাওঁতে গম পায় যে ছাইদুল ইছলামৰ নামত চলি থকা ব্যক্তিগত হিতাধিকাৰী লাভালাভ আঁচনি তথা IBS আঁচনি চলি আছে আৰু এই আঁচনিৰ টকাও উঠোৱা দেখুৱাইছে। জি.আৰ.এছ পূজা প্ৰতিমা কোচে ছাইদুল ইছলামৰ নামত জব কাৰ্ড বনাই দিছিল যদিও ছাইদুল ইছলামৰ জব কাৰ্ড ব্যৱহাৰ নকৰি প্ৰাক্তন ৱাৰ্ড সদস্যৰ জব কাৰ্ড ব্যৱহাৰ কৰি টকা উঠাই আত্মসাত কৰাৰ লগতে ছাইদুল ইছলামৰ পুখুৰীত কোনো ধৰণৰ কাম নকৰাৰ অভিযোগ উত্থাপন কৰিছে। ছাইদুল ইছলামে সকলো কথা গম পাই জি.আৰ.এছ পূজা প্ৰতিমা কোচৰ সৈতে যোগাযোগ কৰে যদিও কোনো ধৰণৰ সদোত্তৰ লাভ নকৰাত নপাম গাঁও পঞ্চায়তৰ সভাপতিক সকলো কথা বিৱৰি আবেদন কৰে যদিও কোনো সুফল পোৱা নাই ছাইদুল ইছলামে অভিযোগ উত্থাপন কৰে। কিছুদিন অপেক্ষা কৰাৰ পিছত ছাইদুল ইছলামে সমগ্ৰ ঘটনা বিৱৰি যোৱা ৬ আগষ্ট ২০২৬ তাৰিখে তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাক জি.আৰ.এছ পূজা প্ৰতিমা কোচে ব্যক্তিগত লাভালাভ আঁচনি IBS আঁচনিৰ ধন আত্মসাৎ কৰা সন্দৰ্ভত এক আবেদন দাখিল কৰে। তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই জিলা আয়ুক্তলৈ এই আবেদন পত্ৰ প্ৰেৰণ কৰাৰ পিছত শোণিতপুৰ জিলাৰ সহকাৰী আয়ুক্ত ৰাজেন কুমাৰ আচাৰ্য্যই ভোমোৰাগুৰি জিলা পৰিষদৰ সদস্য, নপাম গাঁও পঞ্চায়তৰ সভানেত্ৰী আৰু সচিবক বিষয়টো পৰিদৰ্শন কৰি পুংখানুপুংখভাৱে যুটীয়া তদন্ত, প্ৰাসংগিক নথিপত্ৰ আৰু উপলব্ধ কাগজ-পত্ৰৰ সৈতে অভিযোগসমূহ সত্যতা পৰীক্ষা আৰু ০৩ (তিনি) দিনৰ ভিতৰত ফলাফলসমূহৰ ওপৰত এক বিশদ প্ৰতিবেদন দাখিল কৰিবলৈ ১৮ আগষ্ট তাৰিখে পত্ৰ প্ৰেৰণ কৰিছিল যদিও আজিলৈকে তদন্তৰ প্ৰতিবেদন দাখিল কৰা নাছিল বুলি জানিব পৰা গৈছে। কিছু সংখ্যক বিষয়া কৰ্মচাৰী আৰু জনপ্ৰতিনিধিয়ে এই বিষয়ত ছাইদুল ইছলামক বিভিন্ন প্ৰলোভন দি বিষয়টি মীমাংসা কৰাৰ বাবে হেঁচা প্ৰয়োগ কৰাৰ অভিযোগো উত্থাপন কৰে। নপাম গাঁও পঞ্চায়তৰ সভানেত্ৰী ছেলিনা খানমে য়ে এই আঁচনি জিলা পৰিষদৰ হোৱাৰ বাবে জি আৰ এছ পূজা প্ৰতিমা কোচে এই আঁচনি সন্দৰ্ভত কোনো কথা সভানেত্ৰীক কৰোৱা নাই সেয়েহে অৱগত নহয় বুলি জানিবলৈ দিয়ে লগতে গাঁও পঞ্চায়তৰ সচিবে এই বিষয়ত কোনো ধৰণৰ মতামত আগবঢ়োৱা নাই।

### পুৰণিগুদামত গঠন হ'ল 'বঢ়মপুৰ সমজিলাৰ কাৰ্যালয় মধ্যস্থলত স্থাপনৰ দাবী সমিতি'

# বঢ়মপুৰ সমষ্টিৰ সমজিলা কাৰ্যালয় বিচাৰি পুৰণিগুদামত বৃহৎ ৰাজহুৱা সভা




**অসম বাৰ্তা, পুৰণিগুদাম, ২ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণি সদৰ ঠাই ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ অনিৰ্বাণ গোষ্ঠীৰ কাৰ্যালয়ত আজি বিয়লি বঢ়মপুৰ, পুৰণিগুদাম আৰু চামগুৰিবাসী ৰাইজৰ উদ্যোগত বঢ়মপুৰ সমষ্টিৰ সমজিলা মধ্যস্থলত স্থাপনৰ দাবীত অনুষ্ঠিত হয় এখন বৃহৎ ৰাজহুৱা সভা। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বিষয়ববীয়া চন্দন ফুকনে উদ্দেশ্য আৰু ব্যাখ্যা কৰা আৰু সমাজকৰ্মী পুলিন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত দয়াৰাম কলিতা, পূৰ্ণানন্দ ভূএগা, প্ৰফুল্ল শইকীয়া, তিলক কুমাৰ গায়ন, ভৰত দাস, প্ৰবীণ বৈৰাগী, মৃদুল কলিতা, নীলৰঞ্জন শৰ্মা, তপন কটকীকে ধৰি কেইবাগৰাকী বিশিষ্ট অতিথি আৰু অঞ্চল সমূহৰ স্থানীয় ৰাইজ উপস্থিত থাকি স্পৰ্শকাতৰ বিষয়টোৰ সন্দৰ্ভত কেইবাগৰাকীয়ে বক্তব্য প্ৰদান কৰে। উপস্থিত বহু কেইগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে, নতুন প্ৰজন্মক আমি ন্যায় দি থৈ যাবই লাগিব। প্ৰয়োজন সাপেক্ষে আমি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবই লাগিব বুলিও মন্তব্য কৰাৰ লগতে প্ৰসঙ্গ ক্ৰমে, স্থানীয় বিধায়ক জিতু গোস্বামীৰ প্ৰতি অসন্তুষ্টি ব্যক্ত কৰি কয় যে, বিধায়কগৰাকীয়ে আলোচনাৰ বাবে বাৰে-বাৰে দিন দি মিছাতে প্ৰলোভিত কৰিছে। এইক্ষেত্ৰত আজিৰ ৰাজহুৱা সভাত বঢ়মপুৰ সমজিলাৰ কাৰ্যালয় মধ্যস্থলত স্থাপন কৰিবলৈ দাবী জনায়। সভাত প্ৰতিবাদী কাৰ্যসূচী নিৰন্তৰ চলাই যাবৰ বাবে দৃঢ় সংকল্প গ্ৰহণ কৰাৰ লগতে সমগ্ৰ সমষ্টিবাসীৰ সহযোগিতা বিচৰা পৰিলক্ষিত হয়। আজিৰ সভাতে "বঢ়মপুৰ সম জিলাৰ কাৰ্যালয় মধ্যস্থলত স্থাপনৰ দাবী সমিতি" নামেৰে এখন সমিতি গঠন কৰি পুলিন হাজৰিকাক সভাপতি, প্ৰদীপ শইকীয়া আৰু তিলক কুমাৰ গায়নক উপ-সভাপতি, ভৰত দাসক সম্পাদক, মৃদুল কলিতাক সহঃসম্পাদক হিচাপে সভাই দায়িত্ব অৰ্পণ কৰে। সমিতিৰ আহ্বায়ক হিচাপে চন্দন ফুকন, প্ৰাণকৃষ্ণ ডেকা, মাহমুদৰ ৰহমান, আব্দুল আজিজক নিৰ্বাচন কৰাৰ লগতে দয়ানন্দ কলিতা, প্ৰফুল্ল শইকীয়া, পূৰ্ণানন্দ ভূএগা, প্ৰবীণ বৈৰাগী, হৰেন ফুকনক সমিতিৰ উপদেষ্টা হিচাপে সভাই দায়িত্ব অৰ্পণ কৰে। উল্লেখযোগ্য যে, সমজিলাৰ কাৰ্যালয় সমষ্টিৰ মধ্যস্থানত স্থাপন নোহোৱা পৰ্যন্ত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি যাব বুলি আজিৰ ৰাজহুৱা সভাই সিদ্ধান্ত গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। ◆

# মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰেৰণা সপ্তাহ পালন

### ৰহাত মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰশংসনীয় পদক্ষেপ HSLC পৰীক্ষাৰ্থীক ঘৰে ঘৰে গৈ আশীৰ্বাদ আৰু উপহাৰ প্ৰদান



**অসম বাৰ্তা, ৰহা, ২ ছেপ্টেম্বৰ ঃ** মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ৰহা আঞ্চলিক সমিতিৰ সহযোগত যোৱা এটা সপ্তাহ ধৰি পালন কৰি অহা "প্ৰেৰণা সপ্তাহ" ৰ আজি দ্বিতীয়টো সপ্তাহৰ কাৰ্যসূচী ৰহাৰ বিভিন্ন প্ৰান্তত সফলতাৰে ৰূপায়ণ কৰা হয়। ছাত্ৰ সমাজক উৎসাহ যোগোৱাৰ লগতে শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ মহৎ উদ্দেশ্যৰে এই কাৰ্যসূচী হাতত লোৱা হৈছে বুলি সমিতিৰ তৰফৰ পৰা জানিবলৈ দিয়ে। অসম ৰাজ্যত অতি সোনকালে অনুষ্ঠিত হ'ব লগা হাইস্কুল শিক্ষান্ত পৰীক্ষা (HSLC) ত অৱতীৰ্ণ হ'ব লগা ৰহা অঞ্চলৰ প্ৰায় ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক মানসিকভাৱে উৎসাহ যোগোৱা আৰু প্ৰেৰণা দিয়াৰ উদ্দেশ্যে আজি মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতি আৰু ৰহা আঞ্চলিক সমিতিৰ এটা সজাতি দলে প্ৰতিগৰাকী পৰীক্ষাৰ্থীৰ ঘৰে ঘৰে গৈ উপহাৰৰ টোপোলা আৰু শুভেচ্ছা বাৰ্তাপ্ৰদান কৰে। দলটোৱে পৰীক্ষাৰ্থী সকলৰ সৈতে মত বিনিময় কৰি আগন্তুক পৰীক্ষাৰ বাবে কেনেদৰে ভালকৈ প্ৰস্তুতি চলাব লাগে তাৰ বিষয়ে আলোচনা কৰে। লগতে তেওঁলোকে যাতে ভাল ফলাফল দেখুৱাই নিজৰ পৰিয়ালৰ লগতে অঞ্চলটো আৰু ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰে তাৰ বাবে আহ্বান জনায়। ছাত্ৰ-ছাত্ৰী সকলক ভয়-শংকা এৰি আত্মবিশ্বাসেৰে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ পৰামৰ্শ দিয়ে এইপ্ৰশংসনীয় পদক্ষেপক ৰহা অঞ্চলৰ অভিভাৱক আৰু স্থানীয় ৰাইজে আদৰণি জনাইছে আৰু ছাত্ৰ সন্থাৰ এনে কাৰ্যই ছাত্ৰ-ছাত্ৰী সকলক যথেষ্ট উৎসাহিত কৰিব বুলি মন্তব্য কৰিছে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰাতুল কুমাৰ ৰাজবংশী, নগাঁও জিলা সমিতিৰ সভাপতি শিৱ নাৰায়ণ বৰা, জিলা সমিতিৰ সাধাৰণ সম্পাদক দেবাশীৰ্ষ বৰা, সম্পাদক অবিনাশ বৰা, উপ-সভাপতি বিশাল বৰা, কেন্দ্ৰীয় সমিতিৰ সদস্য জগদীশ ডেকা, ৰাজু ডেকা, ৰহা আঞ্চলিকৰ সভাপতি মনোজ ডেকা, সাধাৰণ সম্পাদক বৃন্দাবন বৰা, সদস্য বাবুল চন্দ্ৰ ৰাজা আৰু প্ৰবীণ ডেকা।

# উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত ৰাজ্যিক ভিত্তিক কুইজ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ২ ছেপ্টেম্বৰ ঃ** মাজুলীৰ উচ্চ শিক্ষাৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত আজি এক গাম্ভীৰ্যপূৰ্ণ আৰু জ্ঞানবৰ্ধক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ উদ্যোগত অসম ভিত্তিত আয়োজন কৰা এই কুইজ প্ৰতিযোগিতাখনিয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত যথেষ্ট উৎসাহৰ সঞ্চাৰ কৰে। আজি পুৱাৰে পৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাহ্নৱী লহকৰ বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰে। তেখেতে নিজৰ ভাষণত এনে ধৰণৰ প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ আৰু সাধাৰণ জ্ঞান বৃদ্ধিত সহায় কৰে বুলি উল্লেখ কৰি আয়োজক সমিতিক ধন্যবাদ জ্ঞাপন কৰে। প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক পৰীক্ষাত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা মুঠ ২৩টা দলে অংশগ্ৰহণ কৰে। তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ মাজত তাৰ ভিতৰৰ পৰা ৬টা দলক চূড়ান্ত পৰ্যায়লৈ নিৰ্বাচিত কৰা হয়। চূড়ান্ত প্ৰতিযোগিতাখনি অতি নিখুঁত আৰু আকৰ্ষণীয়ভাৱে পৰিচালনা কৰে উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক, জনপ্ৰিয় কুইজ মাষ্টাৰ ড° ৰাতুল কুমাৰ লাহনে। দিনজোৰা চলা এই বৌদ্ধিক যুঁজত শেষ পৰ্যন্ত যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ দলটিয়ে প্ৰথম স্থান দখল কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। একেদৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দলটিয়ে দ্বিতীয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দলটিয়ে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। অনুষ্ঠানৰ শেষত বিজয়ী দলসমূহক মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু আমন্ত্ৰিত অতিথিসকলে প্ৰমাণ-পত্ৰ আৰু নগদ ধনেৰে পুৰস্কৃত কৰে। ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু বহু সংখ্যক ছাত্ৰ-ছাত্ৰী এই অনুষ্ঠানত উপস্থিত থাকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন